লা ৰোমানা

আলবের্তো মোৰাভিয়া

['লা ৰোমানা' উপন্যাসৰ চমু অসমীয়া অনুবাদ]

অনুবাদক

মুস্তাফিজুৰ ৰহমান

শ্ৰীভূমি পাবলিচিং কোম্পানী

৭৯, মহাত্মা গান্ধী ৰোড

কলিকতা-৯

প্রথম প্রকাশ :
আগষ্ট, ১৯৭২

প্রকাশক :
অরুণ পুরকায়স্থ
শ্রীভূমি পাবলিশিং কোম্পানী
৭৯, মহাত্মা গান্ধী রোড
কলিকাতা ৯

মূল্য : ৪·০০

মুদ্রক :
শ্রীকার্তিকচন্দ্র পাণ্ডা
মুদ্রণী,
৭১, কৈলাস বোস স্ট্রীট,
কলিকাতা-৬

ORIGINAL TITLE LA ROMANA
COPYRIGHT 1947, CASA EDITRICE VALENTINO
BOMPIANI & CO MILANO

লা রোমানা

॥ প্রথম ॥

॥ একাষাৰ ॥

'লা ৰোমানা'ৰ পাঠকবৰ্গই হয়তো আপত্তি কৰিব পাৰে যে, মই যেনেকৈ প্ৰকাশ কৰিছো তেনেকৈ এগৰাকী সাধাৰণ আৰু অশিক্ষিতা নাৰীয়ে নিজৰ কাহিনী বৰ্ণনা কৰিবলৈ অক্ষম। এই গ্ৰন্থখন ৰচনাৰ প্ৰথমৰ পৰাই মই এই সমস্যাৰ সন্মুখীন হৈছো। যি চৰিত্ৰৰ কাল্পনিক আত্মকথা ৰচনা কৰিবলৈ মই উদ্যোগী হৈছো তাক দুটা কৌশলেৰে প্ৰকাশ কৰিব পাৰি। আদ্ৰিয়ানাৰ শ্ৰেণী আৰু বৃত্তি অনুযায়ী কিছুমান বাস্তব আৰু কথিত ভাষাৰ দুৰ্বল কথা-বতৰাৰে অথবা মোৰ অন্যান্য গ্ৰন্থবোৰৰ দৰে মোৰ স্বাভাৱিক ৰচনা কৌশলেৰে। দুটা কাৰণত মই দ্বিতীয় পন্থাটো গ্ৰহণ কৰিছো। প্ৰথমতঃ যিহেতু চৰিত্ৰবোৰ পৰিবৰ্তিত কৰিছো সেইবাবে মোৰ 'ষ্টাইল' পৰিবৰ্তন কৰাৰ প্ৰয়োজন বোধ কৰা নাই আৰু দ্বিতীয়তঃ কথিত ভাষাতকৈ সাহিত্যৰ ভাষা বেছি সত্য আৰু কাব্যধৰ্মী। মই অস্বীকাৰ নকৰো যে আদ্ৰিয়ানাৰ দৰে ছোৱালীয়ে আদ্ৰিয়ানাৰ দৰে কথা কয়, কিম্বা তাইৰ দৰে নিজৰ চিন্তা-ভাৱনা প্ৰকাশ কৰে। তথাপি আদ্ৰিয়ানাৰ দৰে ছোৱালীবোৰৰ যদি ক'বৰ আৰু চিন্তা কৰিবৰ ক্ষমতা থাকিলহেতেন তেনেহলে সিহঁতে যি প্ৰকাশ কৰিলেহেতেন সেইবোৰ চিন্তা-ভাবনাই কেৱল মই আদ্ৰিয়ানাৰ মাজত সন্নিবেশিত কৰিছো। আন কথাত, যদিও সকলো মানুহৰ বিচাৰ ক্ষমতা আৰু জ্ঞান সমানে নাথাকে, কিন্তু সিহঁত সকলোৰে এনেকি নগণ্যতম মানুহৰো, নৈতিক জ্ঞান থাকে পূৰ্ণভাৱে। মই আদ্ৰিয়ানাৰ সেই নৈতিক জগতখনকেই তুলি ধৰিবলৈ চেষ্টা কৰিছো, যেনেকৈ ৰাস্তাৰ কাষত বহি লিপিকাৰসকলে অশিক্ষিতা পাৰিচাৰিকাবোৰৰ অসংলগ্ন ভাবাবেগবোৰ সজাই লিখি দিয়ে।

—মোৰাভিয়া

কিতাপখানি পোহৰলৈ অনাত
সহায় কৰি দিয়া বাবে
কৃতজ্ঞতাৰে সুঁৱৰিছো :

নিকোলেট্টা গ্ৰিল (মিলান)
আৰু
পিটাৰ হিনজ্‌মেন (নিউইয়ৰ্ক)

এক

ষোলটা বসন্ত যেতিয়া মই পাৰ হৈ আহিছিলো তেতিয়া মই সঁচাকৈয়ে খুউব ধুনীয়া আছিলো। মাযে কৈছিল দেহৰ গঠন হেনো মোৰ মুখতকৈও শতগুণে সুন্দৰ। সমগ্ৰ ৰোমত হেনো মোৰ দৰে ৰূপৱতী তেনেই বিৰল।

মুখতকৈও দৈহিক সৌন্দৰ্য্যৰ দাম অনেক বেছি। মায়ে সঁচা কথাই কৈছিল। মোৰ ভৰি দুখন আছিল সবল আৰু দীঘল। নিটোল নিতম্ব, মিহি কঁকাল। মোৰ পৰিপূৰ্ণ আৰু ওখ বুকুৰ বাবে প্ৰায়েই ব্ৰাচিয়াৰ ব্যৱহাৰ কৰাৰ প্ৰয়োজন নহৈছিল।

নগ্ন অৱস্থাত মোক হেনো অপৰূপা এক অনন্যাসুন্দৰী মডেল যেন মনত হৈছিল কিন্তু সমগ্ৰ দেহ যেতিয়া বেশভূষাৰে আবৃত থাকে তেতিয়া হেনো তন্বী গাভৰু। এইবোৰ অবশ্যে শিল্পীৰ কথা।

নানান ভংগীমাত যিবোৰ শিল্পীৰ ওচৰত মই অধিবেশন দিছিলো তেওঁলোকেই কৈছিল।

বিয়াৰ আগতে আৰু দৰ্জিৰ কাম কৰাৰ আগতে মাও মডেল আছিল। মায়ে মোৰ বাবেও শিল্পী বিচাৰি আছিল। এদিন শিল্পী এজনে চাৰ্ট এটা অৰ্ডাৰ দিবলৈ অহাত মায়ে তেওঁক মোক মডেল হিচাবে লবলৈ অনুৰোধ কৰিলে। এদিন মাৰ সতে শিল্পীজনৰ অঙ্কনশালালৈ গ'লো। অপৰিচিত পুৰুষ এজনৰ সম্মুখত নিজৰ সমগ্ৰ দেহ অনাবৃত কৰিবলৈ মোৰ খুব লাজ লাগিছিল।

স্কাৰ্টটো মূৰৰ ওপৰলৈ দাঙি ধৰি মোক প্ৰায় উলংগ কৰি থিয় কৰাই মায়ে শিল্পীজনক বেচ উৎসাহ আৰু আগ্ৰহেৰে কৈ গৈছিল : 'বুকুখন চোৱা, কেনে মনোমোহা, কি সুন্দৰ নিতম্ব।' বহুত কথাই মায়ে কৈছিল। মই বুজিব পাৰিছিলো মোৰ ৰূপৰ বাবে মা গৰ্বিত।

বয়স যদিও ত্ৰকুৰিৰ কাষ চাপিছে শিল্পীজন আছিল তেনেই সবল সুস্থ দেহৰ অধিকাৰী। তেওঁৰ হাঁহিভৰা মুখ আৰু নিষ্কাম দৃষ্টিয়ে মোক অকণমান স্বাচ্ছন্দ্য দিছিল।

মোৰ ৰূপৰ গুণ গোৱাৰ পিছত মা যেতিয়া বৈ গ'ল, তেতিয়া শিল্পীজনে চকী এখনৰ ওপৰৰ পৰা ৰঙীন কাগজ এখন টানি আনি মাৰ হাতত দি কলে, 'চাওক, এয়া আপোনাৰ জীয়াৰী।'

উলঙ্গ প্ৰায় এজনী নাৰী। মূল্যবান আভৰণে ভূষিত এটা 'ডিভানত' শুই আছে। ডিভানৰ পিছপিনে ভেলভেটৰ ৰঙা পৰ্দা। পৰ্দাখনৰ ভাঁজে ভাঁজে যেন ত্ৰুগৰাকী পৰী বত্তাহত ওপঙিছে। সঁচাকৈয়ে সেই উলঙ্গপ্ৰায় নাৰীগৰাকীক মোৰ দৰেই দেখাইছিল।

'একেবাৰে আত্ৰিয়ানা। কোন এই নাৰী?' মায়ে চিঞৰি উঠিছিল।

'ডায়না।' শিল্পীজনাই কলে।

'ডায়না? কোন তাই?'

'এগৰাকী বনদেৱী।'

মা অলপ হতাশ হল। কাৰণ মায়ে কোনোবা নাৰীৰ নাম শুনিবৰ'হে আশা কৰিছিল। অস্বস্তি লুকাবৰ বাবে কি কৰিব লাগিব, শিল্পীয়ে কাম কৰাৰ সময়ত কোনেকৈ শান্তভাৱে থাকিব লাগিব ইত্যাদি ইত্যাদি কিবাকিবি কথা কবলৈ আৰম্ভ কৰি দিলে।

শিল্পীজনে মোলৈ চাই হাঁহি হাঁহি কলে, 'মোতকৈ দেখোন তোমাৰ মায়ে মডেলৰ কৰ্তব্য সম্বন্ধে বেছি কথা জানে।'

শিল্পীৰ কথা শুনি মায়ে নিজৰ জীৱনৰ কথা কবলৈ আৰম্ভ কৰিলে।

যা হেনো সমগ্ৰ ৰোমৰ এগৰাকী সুন্দৰ আৰু দামী মডেল আছিল। মডেলৰ কাম এৰি বিয়া-বাৰু কৰাই হেনো মাৰ ভীষণ ক্ষতি হৈছে। সেইবোৰ নানান কথা মায়ে কৰলৈ আৰম্ভ কৰি দিলে।

ইতিমধ্যে ঘৰৰ একোণত অৱস্থিত চোফা এখনত মোক এটা বিশেষ ভংগীমাত বহুৱাই ইজেলৰ ওপৰত ৰক্ষিত এখন বগা কেনভাচত প্ৰাথমিক আঁচ এডাল টানিলে।

'তুমি মোৰ ছোৱালীজনীক ঘণ্টাত কিমানকৈ দিবা?' শিল্পীজনাৰ ওচৰলৈ আহি সুধিলে।

কেনভাচৰ পৰা চকু নোতোলাকৈ শিল্পীজনে কিবা এটা কলে। মায়ে চকীখনৰ ওপৰৰ পৰা মোৰ স্কাৰ্টটো তুলি লৈ মোৰ পিনে দলিয়াই দি চিঞৰি কলে, 'ব'লা, এতিয়াই ব'লা, কাপোৰ পিন্ধি লোৱা।'

'কি হল?' আচ এডাল টানিবলৈ গৈ অবাক হৈ শিল্পীজন ৰৈ গ'ল।

'একো হোৱা নাই, আদ্ৰিয়ানা, ব'লা।'

আপুনি কিমান বিচাৰে নকয় কিয়? এইবোৰ কি কৰিছে?'

চিঞৰি চিঞৰি কথা কৰলৈ আৰম্ভ কৰি মায়ে তেতিয়া এক অস্বস্তিকৰ দৃশ্যৰ অৱতাৰণা কৰিলে। মোৰ বয়স মাত্ৰ ষোল আৰু এই প্ৰথম মডেল হিচাবে কামত নামিবলৈ আহিছো। ইমান কম মূল্য দিবলৈ ওলোৱা বাবে সেয়ে মায়ে শিল্পীজনক উন্মাদ অজ্ঞ মূৰ্খ আদি নানান গালি পাৰিবলৈ আৰম্ভ কৰি দিলে। মই কিন্তু ভালকৈ বুজিছিলো যে মাৰ খং উঠা নাই, খং উঠাৰ ভাওহে জুৰিছে। হাট-বজাৰৰ পোহাৰীবোৰেও এনেকৈ উচ্চৈঃস্বৰে চিঞৰে যেতিয়া ক্ৰেতা-সকলে সিহঁতৰ পণ্যৰ দাম কমকৈ কয়। সিহঁতে ভদ্ৰলোকৰ লগতেই বেছিকৈ চিঞৰ-বাখৰ কৰে, কাৰ। সিহঁত জানে যে বেছিকৈ চিঞৰ-বাখৰ কৰিলে ভদ্ৰলোকবোৰে সিহঁতৰ চাহিদামতে দাম দিবলৈ বাধ্য।

শিল্পীজনেও মাৰ দাবী মানি ললে। শিল্পীজনে টকা আনি মাৰ হাতত দিয়াতহে মা শান্ত হল আৰু মোক নানান উপদেশ দি মা ওলাই গ'ল।

মা ওলাই যোৱাৰ পিছত দুৱাৰখন বন্ধ কৰি দি ইজেলৰ কাষলৈ ঘুৰি আহি শিল্পীজনে সুধিলে, 'তোমাৰ মায়ে সদায়ে জানো তেনেকৈ চিঞৰ-বাখৰ কৰে ?'

'জানা, মায়ে মোক খুউব মৰম কৰে। খুউব ভাল পায়।'

'মোৰতো মনত হয় তোমাৰ মায়ে টকাকেই সকলোতকৈ বেছি ভালপায়।' কেনভাচত কেইডালমান ৰেখা টানি কোমল কণ্ঠেৰে শিল্পীয়ে কলে।

'নহয় নহয়, সঁচাকৈয়ে মায়ে মোক খুউব ভাল পায। তৃতীযাৰ ঘৰত জন্মিছো বুলি মায়ে সদায় দুখ কৰে। জানা, মাযে বিচাৰে মই যেন বহুত টকা আয় কৰিব পাৰো। ভাল মডেল হব পাৰো।'

এটা সময়ত মোৰ অধিবেশন দিয়া শেষ হল আৰু মযো মাৰ কাষলৈ গুচি আহিলো। শিল্পীৰ সতে মোৰ কি কি কথাবতৰা হৈছিল মায়ে প্ৰথমতে সুধিলে। আৰু তাৰপিছত মোক সাৱধান কৰি দি কলে, 'শিল্পীজন ভদ্ৰ সন্দেহ নাই কিন্তু চাবা অন্যান্য বহুত শিল্পীয়ে মডেল কৰাৰ ছলেৰে ৰক্ষিতা কৰি ৰাখে। শিল্পীয়ে যদি তোমাক কেতিয়াবা অগ্ৰিম টকা দিয়ে লগে লগে ঘুৰাই দিবা। কেতিয়াও নলবা। সিহঁতৰ কাষৰ পৰা একোকে আশা নকৰিবা। তোমাৰ ৰূপৰ বাবে তুমি বহুত বেছি আশা কৰিবা। অঁ বহুত বেছি।'

'তাৰ মানে ?'

'সেইবোৰ মানুহে কেবল কথা কবলৈহে জানে। টকা-পইচাৰ সম্বল বেছি নাই। তোমাৰ দৰে সুন্দৰী ছোৱালীবোৰ ভদ্ৰলোকৰ ওচৰলৈ যোৱাই বাঞ্ছনীয়।'

'ভদ্ৰলোক কোন ? মইতো কাকো নিচিনো।'

'সময়ত সকলো ঠিক হৈ যাব। এতিয়া মডেল হিচাবেই কাম আৰম্ভ কৰা, বুইছা। পিচত ইয়াৰ পৰাই অন্য উপায় ওলাব।'

ইয়াৰ পিছত মই আৰু কোনো কথাই মাক নুসুধিলো। মাৰ উপদেশবো মোৰ কোনো প্ৰয়োজন নাছিল, কিয়নো যৌৱনৰ উন্মেষত মই ইতিমধ্যে গম্ভীৰ হৈ পৰিছিলো। সেই শিল্পীজনৰ মডেল হিচাবে কাম কৰাৰ পিছত আন আন বহুতো শিল্পীৰ সতে মোৰ চিনাকি হৈছিল। সিহঁত সকলোৱে আছিল ভদ্ৰ আৰু সুৰুচিসম্পন্ন। দুই এজনে মোৰ প্ৰতি সিহঁতৰ মনোভাব ব্যক্ত কৰিছিল কিন্তু মই সিহঁতক ৰূঢ়ভাৱে আঁতৰাই দিছিলো। শিল্পীসকলে সাধাৰণতে মোৰ সতে ভাল ব্যৱহাৰেই কৰিছিল। আৰু সিহঁতৰ উদ্দেশ্যও আছিল ছবি অঁকাহে, প্ৰেম কৰা নহয়। সেয়ে মোৰ যৌৱন পৰিপুষ্ট দেহে ডাক্তৰৰ দৰে সিহঁতৰ মনত কোনো ৰেখাপাত কৰিব পৰা নাছিল।

কিন্তু যাৰ অত্যাচাৰত মই অতিষ্ঠ হৈ পৰিছিলো সেইবোৰ শিল্পী নাছিল, আছিল শিল্পীবোৰৰ বন্ধু। সিহঁতে অঙ্কনশালালৈ শিল্পীৰ সতে দেখা কৰিবলৈ আহিছিল আৰু কিবাকিবি কথা বলকিছিল। মই লক্ষ্য কৰিছিলো সিহঁতৰ দৃষ্টি আছিল মোৰ পিনে। কিছুমান আকৌ ইমান নিলাজ আছিল যে মোক ভিন ভিন কোণৰ পৰা চাবলৈ অঙ্কনশালাৰ চাৰিওপিনে অন্যমনস্কতাৰ ভাও জুৰি ঘূৰি ফুৰিছিল।

এইবোৰ চাৱনিয়ে অৱশ্যে মোক নিজৰ ৰূপ-লাৱণ্যৰ বিষয়ে আৰু মই কিমানখিনি সুযোগ আহৰণ কৰিবলৈ সমৰ্থ সেই বিষয়ে মোক যথেষ্ট সচেতন কৰি তুলিছিল। মই ভাবিছিলো ইচ্ছা কৰিলেই মাৰ কথামতে এক চাৱনিত মই এতিয়া নিজৰ অৱস্থাৰ উন্নতি কৰিব পাৰো।

বিবাহেই আছিল কিন্তু মোৰ সেই সময়ৰ প্ৰধান উদ্দেশ্য। মই যিখিনি টকা সৎকৰ্মেৰে আয় কৰিছিলো গোটেইখিনি মাৰ হাতত তুলি দিছিলো। তদুপৰি ঘৰত থকা সময়খিনিত চিলাইৰ কাম

কৰিছিলো। দেউতাৰ মৃত্যুৰ পিছত এই চিলাইৰ কাম কৰিয়েই আমি জীৱিকা নিৰ্বাহ কৰিছিলো।

ৰেল কৰ্মচাৰী সকলৰ বাবে নিৰ্মিত এটি পুৰণি তিনি মহলীয়া দীঘল ঘৰৰ এটি ফ্লেটত আমি আছিলো। আমাৰ ঘৰৰ কাষতেই চহৰৰ প্ৰাচীৰৰ গাতে এখন তোৰণ আছিল আৰু প্ৰাচীৰৰ ভিতৰত সেই তোৰণৰ কাষতেই আছিল 'লুনা পাৰ্ক'।

পাৰ্কৰ ৰঙা নীলা পোহৰ, বিভিন্ন বিপণি, হেজাৰ লোকৰ ভিৰ মই ঘৰৰ পৰাই খিৰিকীতে দেখা পাইছিলো। কত নিশা মই উজাগৰ কটাই দিছিলো পাৰ্কৰ পৰা ভাহি অহা সুমধুৰ সংগীতৰ সুৰ শুনি শুনি। মোৰ মনত হৈছিল অগম্য পৃথিবীৰ যেন মধুৰ সংগীত মোৰ কাণলৈ ভাহি আহিছে। মোৰ মনত হৈছিল চহৰৰ সকলোৱে যেন লুনা পাৰ্কৰ আনন্দ মেলাত আহি যোগ দিছে আৰু একলশৰে পৰি আছো কেবল মই অন্ধকাৰাচ্ছন্ন অপ্ৰশস্ত ঘৰত।

কেতিয়াবা অকলশৰে মই উচুপিছিলো। সম্ভৱ মই খুব ভাবপ্ৰবণ আছিলো। সৰুতে মায়ে যদি মোক লুনা পাৰ্কলৈ যাবলৈ দিলেহেঁতেন নতুবা কোনো প্ৰকাৰৰ আনন্দমেলাত আমোদ-প্ৰমোদত অংশ লবলৈ দিলেহেঁতেন তেনেহলে হয়তো আনন্দৰ আৰু অগম্য পৃথিবীৰ প্ৰতি মোৰ কোনো আকৰ্ষণেই নাথাকিলেহেঁতেন। মাৰ বৈধব্য, অভাব-অনাটন আৰু ভাগ্যৰ বিড়ম্বনাই সকলো প্ৰকাৰৰ আমোদ-প্ৰমোদৰ প্ৰতি মাৰ বিৰাগভাৱ জন্মাইছিল। আৰু মাৰ এই বৈৰী ভাবেই আনন্দ উৎসৱত যোগদান তথা লুনা পাৰ্কত ঘোৰাৰ পথত মোৰ বাবে আছিল বাধা স্বৰূপ। সেয়ে হয়তো মোৰ সদায়েই সন্দেহ হয় আনন্দমুখৰ পৃথিৱীৰ সুখ-স্বাচ্ছন্দ্যৰ পৰা মই যেন বঞ্চিত। এই সন্দেহ মোৰ এতিয়াও দূৰ হোৱা নাই। এতিয়াও—যেতিয়া মই সঁচাকৈয়ে সুখী।

সেই সময়ত বিবাহৰ ইচ্ছা মোৰ প্ৰবল হৈ উঠিছিল। আৰু এই

ইচ্ছা হঠাতেই এদিন অংকুৰিত হৈ উঠিছিল। আমাৰ ঘৰৰ পৰা অলপ দূৰৈত আছিল এখন সম্ভ্ৰান্ত গাওঁ। গাওঁখনি মোৰ আনন্দৰ আৰু শান্তিৰ নীড যেন মনত হৈছিল। জহকালিৰ সন্ধিয়া এদিন মই মাৰ লগত সেইপিনে ফুৰিবলৈ গৈছিলো। এটা ঘৰৰ খিৰিকীতে থোৱা টেবিলত ব্যস্ত এটি পৰিয়াল দেখিছিলো। স্বামী-স্ত্ৰী আৰু তিনিটা সৰু সৰু ল'ৰা-ছোৱালী। কি সুখী পৰিয়াল। মনে মনে মই ভাবিছিলো। আৰু এখন সুখৰ সংসাৰ ৰচনা কৰিবলৈ মোৰো মনে যেন হাহাকাৰ কৰি উঠিছিল।

কিন্তু মাই ভাবিছিল, মোৰ দৰে ৰূপহী এজনীয়ে সাধাৰণ ছোৱালীৰ দৰে বিয়া-বাৰু কৰাই সংসাৰধৰ্ম পালন কৰাৰ বাহিৰেও অন্য কোনো সাফল্যৰ আকাংক্ষা কৰা উচিত। মই বুজিছিলো আমাৰ অভাৱী সংসাৰত মোৰ ৰূপকেই মায়ে মূলধন হিচাবে ব্যৱহাৰ কৰিবলৈ বিচাৰিছিল।

সেই সময়ত মাৰ পৰিকল্পনা সম্বন্ধে মোৰ স্বচ্ছ ধাৰণা নাছিল। কিন্তু পিছত যেতিয়া সকলো কিছু মোৰ কাষত স্পষ্ট হৈ উঠিছিল মই মাক সুধিবলৈ সাহস পোৱা নাছিলো—এনে ধৰণৰ মনোভাব থকা সত্বেও এজন ৰেল কৰ্মচাৰীৰ স্ত্ৰী হৈয়ো আমালোকৰ এনে দুৰ্দশা কিয়? নানান আকাৰে-ইংগিতে মই জানিব পাৰিছিলো যে মাৰ গৰ্ভত অনিচ্ছাকৃত আৰু হঠাৎ মোৰ আগমনেই হেনো ইযাৰ বাবে দায়ী। মায়ে জন্মৰোধ কৰিবলৈ সাহস পোৱা নাছিল। মোৰ দেউতাক মায়ে বিয়া কৰাবলৈ বাধ্য হয় আৰু সাংসাৰিক জীৱনৰ অৱশ্যম্ভাৱী ফল মানি লয়।

মোৰ জন্মৰ কথা উঠিলে মায়ে কৈছিল 'তুমিয়ে মোক শেষ কৰি দিছা।' প্ৰবাদবাক্যৰ দৰে মাৰ মুখত এই কথাখিনি শুনিলে প্ৰথমতে মোৰ খুব খং উঠিছিল, পিছলৈ ইয়াৰ অৰ্থ মোৰ ওচৰত স্পষ্ট হৈ পৰিছিল। এই ভাবধাৰাত মায়ে যেতিয়া নিজৰ জীৱনৰ কথা চিন্তা কৰিছিল তেতিয়া এই সিদ্ধান্তলৈ আহিছিল, তেওঁৰ ছোৱালী যে

তেঁওতকৈও ৰূপহী, তেওঁৰ দৰে ভুল কৰি যেন তেওঁৰ দৰে ফল ভোগ নকৰে। আজি দূৰৰ পৰা চাই মই কব নোৱাৰিম যে মোৰ মায়ে ভুল ভাবিছিল। মাৰ বাবে সংসাৰৰ অৰ্থ আছিল অভাৱ, দাসত্ব আৰু ক্ষণিকৰ আমোদ-প্ৰমোদ যিটো স্বামীৰ মৃত্যুত হঠাতে নিঃশেষ হৈ যায়। স্বভাৱতে মায়ে ভাবিছিল সুখৰ সংসাৰ ভাগ্যহীনাৰ লক্ষণ আৰু সেইবাবেই সদায়েই লক্ষ্য ৰাখিছিল মই যেন সেই মৰীচিকাৰ প্ৰতি আকৃষ্ট নহওঁ।

মায়ে মোক খুউব মৰম কৰিছিল। মায়ে সদায়েই মোৰ ভৱিষ্যতৰ কথা ভাবিছিল। আৰু এদিন মাৰ হঠাতেই খেয়াল হল যে মই এগৰাকী প্ৰখ্যাত নৰ্তকী হব পাৰিম।

আৰু সঁচাকৈয়ে এদিন মায়ে মোক এগৰাকী প্ৰযোজকৰ ওচৰলৈ লৈ গ'ল।

কেবাটাও কৰিডৰ পাৰ হৈ এটা প্ৰশস্ত ঘৰত গৈ থিয় দিছিলো। ক্ষীণ পোহৰত তিনিজনী গাভৰুৱে তেতিয়া সংগীতৰ তালে তালে নাচৰ আখৰা কৰি আছিল। গাভৰু তিনিজনীৰ বুকু উন্মুক্ত। তিনিওজনীয়ে কঁকালত সাবটি ধৰি নাচিছে আৰু নিটোপল নিতম্ব কামোদ্দীপক ভংগীমাত সঞ্চালন কৰিছে।

নচাৰ ক্ষমতা মোৰ নাছিল সেই কথা মই জানিছিলো। সংগীতৰ তালে তালে নিতম্ব সঞ্চালন কৰা মোৰ পক্ষে সম্ভৱ নাছিল। তদুপৰি কোনোবাই মোক কঁকালত সাবটি ধৰিলে মই খুব অস্বস্তি অনুভৱ কৰিছিলো। মাক এইবোৰ কথা খুলি কৈছিলো। কাৰণ মই জানিছিলো প্ৰযোজকৰ সতে সাক্ষাৎ কৰি কোনো লাভ নহব। নৰ্তকী মই হব নোৱাৰিম। মাৰ কিন্তু ধাৰণা আছিল বেলেগ। মাৰ মতে মোৰ দৰে সুন্দৰী গাভৰু এজনীক প্ৰযোজকে বিনা দ্বিধাই বহুত বেছি মাননি দিব।

প্ৰযোজকৰ ওচৰলৈ মায়ে মোক লৈ গ'ল। বিচনাৰ কাষতে তেওঁ

বহি আছিল। কিছু সময়ৰ পিছত তেওঁ মাত লগালে : 'চাওঁ তোমাৰ ভৰি দুখন।'

'ভৰি দুখন দেখুৱা।' উদগ্ৰীৱ হৈ মায়ে মোক কলে।

মডেল হিচাবে কাম কৰাৰ পিছত মোৰ জড়তা, লাজ-লজ্জা সকলো নাইকিয়া হৈ গৈছিল। স্কাৰ্টটো উদঙাই ভৰি দুখন দেখুৱালো।

'তোমাৰ বয়স কিমান ?' প্ৰযোজকে লাহেকৈ সুধিলে।

'অহা আগষ্টত সোতৰ বছৰ পূৰ্ণ হব।' মায়ে উত্তৰ দিলে।

কিছু সময় নীৰৱে বৈ বহাৰপৰা উঠি গৈ তেওঁ ৰেকৰ্ড প্লেয়াৰৰ চুইচ টিপি দি কলে, 'এই সংগীতৰ তালে তালে অলপ নাচাচোন। অ, তোমাৰ স্কাৰ্টটো খুলি থোৱা....।'

'মানে—তাইতো এতিয়াও ভালকৈ নাচ শিকাই নাই।' মায়ে আৰম্ভ কৰিলে।

কিন্তু মাক কথা কবলৈ কোনো সুযোগ নিদি মোক নাচিবলৈ ইংগিত দিলে। মই ভালকৈ বুজিব পাৰিছিলো, সংগীতৰ লগে লগে মই তাল ৰাখিব পৰা নাই। প্ৰযোজকৰ দৃষ্টি কিন্তু মোৰ সমগ্ৰ শৰীৰত নিবদ্ধ। কিছু সময়ৰ পিচত চুইচ টিপি ৰেকৰ্ড প্লেয়াৰটো বন্ধ কৰি দি ধীৰ পদক্ষেপেৰে গৈ পুনৰ চকীত বহিল।

মায়ে আগ্ৰহেৰে প্ৰযোজকৰ মনোভাব জানিবলৈ বিচাৰিলে।

'নাই, নহব।' প্ৰযোজকে মাৰ পিনে চাই কলে।

'নহব, কিয় ?' মাৰ কণ্ঠস্বৰ শুনিয়েই মই বুজিব পৰিছিলো যে মায়ে এতিয়া এক অস্বস্তিকৰ দৃশ্যৰ অৱতাৰণা কৰিব। সেয়ে মাক হাতত ধৰি টানি তাৰপৰা লৰালৰিকৈ ওলাই আহিবলৈ চেষ্টা কৰিলো।

'তোমাৰ ছোৱালীৰ নচাৰ কোনো ক্ষমতাই নাই আৰু তাইৰ নাচিবলগীয়া চেহেৰাও নাই।' প্ৰযোজকে কলে।

মায়ে ইতিমধ্যে চিঞৰ-বাখৰ আৰম্ভ কৰি দিছিল। মাৰ কথা শেষ

নোহোৱালৈকে অপেক্ষা কৰাৰ পিছত প্ৰযোজকে পুনৰ কলে, 'তোমাৰ ছোৱালীজনী হয়তো ভাল ধাত্ৰী হব পাৰিব কিন্তু কেতিয়াও নৰ্তকী হব নোৱাৰিব।'

মায়ে প্ৰযোজকক আৰু তাত নাচি থকা নৰ্তকীবোৰক অপমানজনক কটুক্তিও কৰিলে। মই লাজত কোনোমতে মাক তাৰপৰা টানি লৈ আহিলো।

শিল্পীৰ কাষলৈ পুনৰ উভতি আহি মই সকলো কথাই খুলি কলো। শিল্পীয়ে মিচিকিয়া হাঁহি এটি মাৰি কলে, 'তুমি মডেল হিচাবেই কাম কৰি যোৱা। তাৰপিছত এদিন বিয়া-বাৰু কৰাই সুখৰ সংসাৰ ৰচনা কৰিবা।'

'ময়ো তাকেই বিচাৰো। মোৰ সেয়েই ইচ্ছা।' শিল্পীজনক কৈছিলো মই।

শিল্পীজনে মোক খুব মৰম কৰিছিল। তেওঁ যদি ৰোমতে থাকিলেহেতেন আৰু যদি মই মোৰ মনৰ কথাবোৰ তাক কব পাৰিলো-হেতেন তেনেহলে পিছৰ ঘটনাবোৰ হয়তো নঘটিলেহেতেন। কিন্তু ৰোমত তেওঁৰ ছবিৰ বিক্ৰৰ সংখ্যা কমি যোৱাত মিলানলৈ গৈ তাত স্থায়ীভাবে বসবাস কৰিবলৈ আৰম্ভ কৰে। তেওঁৰ কথামতেই মই মডেল হিচাবেই কাম কৰি থাকিবলৈ লওঁ। কিন্তু আন শিল্পীবোৰ তেওঁৰদৰে স্নেহপৰায়ণ কিম্বা সহৃদয় নাছিল। আৰু ময়ো সিহঁতৰ সতে মোৰ স্বপ্ন, আশা আৰু আকাংক্ষাৰে গঢ়া কল্পনাপ্ৰসূত জীৱন লৈ আলোচনা কৰিবলৈ ইচ্ছুকো নাছিলো। তদুপৰি সেই সময়ত মোৰ জীৱনত বিশেষ কোনো ঘটনাও ঘটা নাছিল।

দুই

মা কিন্তু মোৰ প্ৰতি বিৰক্ত হৈ পৰিছিল। মই বুজিছিলো মাৰ বিৰক্তিৰ কাৰণ ক'ত। মোৰ ৰূপৰ প্ৰতি মাৰ আছিল যথেষ্ট আস্থা। মায়ে ভাবিছিল মোৰ ৰূপেই হয়তো মাৰ হাতলৈ আনি দিব অকল্পিত অৰ্থপ্ৰাচুৰ্য্য আৰু সাফল্য।

আৰু মই মডেল হিচাবেই কাম কৰি থকাৰ বাবে মায়ে যেন বিৰাট কিবা এটা লাভৰ পৰা বঞ্চিত হৈছে। অথচ ঘণ্টাৰ পিছত ঘণ্টা ধৰি উলংগ হৈ ক্লান্তিকৰ একঘেয়ে অধিবেশন দিয়াৰ পিছত যিখিনি পইচা পাইছিলো গোটেইখিনি মাৰ হাতত তুলি দিছিলো। তদুপৰি আজৰি সময়ত মাক চিলাইৰ কামতো সহায় কৰি দিছিলো। হিংসা-দ্বেষ-বিদ্বেষ কোনো কিছুই মোৰ মনত নাছিল। যৌৱনৰ শান্ত স্নেহ-প্ৰীতিৰে হৃদয় আছিল মোৰ ভৰপূৰ। মই কেৱল ভাবিছিলো, এদিন হয়তো সফল হব মোৰ স্বপ্ন। মই শান্তিৰ নীড়, সুখৰ সংসাৰ ৰচনা কৰিব পাৰিম।

আৰু এদিন মই মানুহ এজনৰ কাষ চাপি গ'লো। ষ্টুডিঅলৈ যাবৰ বাবে মই সদায়েই পাৰ্কৰ কাষলৈ গৈ বাচ ধৰিছিলো। বাচৰ কাৰণে ৰৈ থকা সময়খিনিত প্ৰতিদিনাই মোৰ এজন যুৱকৰ সতে দেখা হৈছিল। যুৱকজন আছিল ঠিক চিনেমাৰ নায়কৰ দৰে। সবল সুস্থ দেহ। এদিন হঠাতেই যুৱকজনে আহি কলে, 'ব'লা, আজি মোৰ গাড়ীৰেই তোমাক থৈ আহো।'

মানুহজনক মোৰ ভাল লাগিছিল। মই আপত্তি নকৰিলো। গাড়ীত উঠি বহিলো।

'কলৈ যাবা ?'

মই ষ্টুডিঅৰ ঠিকনা জনালো।

গাড়ীৰ চকা ঘূৰিল।

কিছুদূৰ বাট এৰি অহাৰ পিছত হঠাৎ মানুহজনে সুধি পেলালে, 'তোমাৰ নামটো কবানে ?'

'আন্দ্ৰিয়ানা। তোমাৰ ?'

'মোৰ নাম জিনো।'

'কি কৰা ?'

'ব্যৱসায়।'

'গাড়ীখন ছাগে তোমাৰেই ?'

খিৰিকীৰ বাহিৰলৈ চাই জিনোই মাত লগালে, 'অঁ, মোৰেই।'

'তোমাৰ কথা মোৰ বিশ্বাস নহয়।'

'বাহ, কিয় ?'

তুমি তো শোফাৰ।'

'সঁচাকৈয়ে তুমি মোক আচৰিত কৰি দিছা। অঁ, মইতো শোফাৰ। কিন্তু তুমি জানিলা কেনেকৈ ?'

'তোমাৰ হাত দেখিযেই।'

'বাক, তুমি ষ্টুডিঅতে কি কাম কৰা ?'

'মডেল গাৰ্ল ?' চমু উত্তৰ দিলো।

'মডেল গাৰ্ল ? কি কাম কৰিব লাগে তাত ?'

'অনাবৃত হৈ বিভিন্ন ভংগীমাত শিল্পীৰ সম্মুখত অধিবেশন দিব লাগে। সিহঁতে মোক চাই চাই ছবি আঁকে।'

'তোমাৰ মা নাই ?'

'আছে। কিন্তু কিয় সুধিলা ?'

'পৰপুৰুষৰ আগত এইদৰে উলংগ হৈ অধিবেশন দিবলৈ তোমাৰ মাই দিয়ে জানো ?'

'মায়েতো মোক এই কামটো যোগাৰ কৰি দিছে।' সহজভাৱেই মই উত্তৰ দিলো।

'তোমাৰ মাই ছাগে তোমাক অকণো ভাল নাপায।'

'ঠিক তাৰ ওলোটাটো। মায়ে মোক সকলোতকৈ বেছি ভাল পায়। বহুত ছোৱালীয়েইতো মডেল হিচাবে কাম কৰে।'

'মই কিন্তু ভাবো—তোমাৰ দৰে ছোৱালীৰ ঘৰত থকাই উচিত। আৰু কাম যদি কৰিবলগাও হয় তেনেহলে এনে কোনো কাম কৰা উচিত য'ত নিজৰ সন্মান বজাই থাকে। তুমি বাৰু বিয়া-বাৰু কৰাই সংসাৰ ৰচনা নকৰা কেলেই?'

মোৰ মনৰ কথাটি তাৰ মুখত শুনি আনন্দত অধীৰ হৈ পৰিলো। তুমি ঠিকেই কৈছা। কিন্তু মাৰ বিষয়ে তুমি বেলেগ একো নাভাবিবা। মাই মোক সঁচাকৈয়ে খুব মৰম কৰে।

ইতিমধ্যে বহুদূৰ পথ গাড়ীয়ে অতিক্ৰম কৰি আহিছিল। খিৰিকীৰে বাহিৰলৈ চাইছিলো। মে মাহৰ উজ্জ্বল বতৰ। এটা সময়ত গাড়ী আহি ৰৈ গ'ল ষ্টুডিঅৰ সন্মুখত।

দুৱাৰ খুলি জিনোই কলে, 'আপত্তি যদি নকৰা ময়েই দেখোন তোমাক সদাযেই ইয়ালৈ থৈ যাব পাৰা। সেইখিনি সময়ত মোৰো একো কাম নাথাকে।'

আপত্তি কৰাৰ প্ৰশ্নই নুঠে। মই সানন্দে তাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিলো। জিনো মোৰ মানত কেৱল সুপুৰুষেই নাছিল, তাৰ সৰল নৈতিক গুণবোৰ মোৰ ভাল লাগিছিল।

মাক কিন্তু জিনোৰ কথা মই একোৱেই কোৱা নাছিলো। জানিছিলো জিনোৰ দৰে সাধাৰণ মানুহ এজনৰ সতে মোৰ ঘনিষ্ঠতা মাই সহ্য কৰিব নোৱাৰিব।

সিদিনাৰ পিছৰ পৰা প্ৰতিদিনাই জিনোৰ সতে তাৰ গাড়ীৰেই ষ্টুডিঅলৈ গৈছিলো। তাৰ ভদ্ৰ ব্যৱহাৰত মই মুগ্ধ হৈছিলো।

দিনবোৰ গৈ থাকে ।

জিনোক ক্ৰমে মোৰ আৰু বেছি ভাল লগা হ'ল। ক্ৰমে দুয়ো দুয়োৰে আৰু কাষ চাপি গ'লো।

আৰু এদিন জিনোই বিয়াৰ কথা উলিয়ালে।

মোক জীৱন সংগিনী কৰি লবলৈ তাৰ ইচ্ছাৰ কথা জনালে।

অধীৰ আনন্দত মই জিনোৰ গালত চুমা এটি আঁকি দিছিলো। সেই চুমাই জিনোৰ প্ৰতি কেৱল মোৰ ভালপোবাৰ কথাই প্ৰকাশ কৰা নাছিল, কৰিছিল মোৰ সমগ্ৰ জীৱনৰ আকাংক্ষাক।

সিদিনা ৰাতিযেই মই মাক চব কথা খুলি কলো। কলো, 'মা, মই বিবাহত প্ৰতিশ্ৰুত হৈছো। মই এজনক বৰণ কৰিবলৈ ওলাইছো।'

লক্ষ্য কৰিছিলো মাৰ মুখমণ্ডলত বিৰক্তিৰ ভাব।

'কাৰ লগত ?'

'সবল সুস্থ এজন সুপুৰুষৰ সতে। জিনো তাৰ নাম।'

'কি কৰে ?'

'খোফাৰ।'

মই আৰু একো কথা কবলৈ নৌপাওঁতেই খঙতে মা চিঞৰি উঠিল, 'মোক একো নজনোৱাকৈ তুমি ইমানদূৰ আগবাঢ়িছা। তুমি মোক জ্বলাই খালা হতভাগিনী '

মই মাক বুজাবলৈ চেষ্টা কৰিলো।

'মই তোমাৰ বাবে কিমান কি ভাবি থৈছিলো আৰু তুমি এক কপৰ্দকহীন খোফাৰকে বিচাৰি পালা। তোমাৰ এই ৰূপেৰে তুমি কিমান '

'নহয় মা, সি কপৰ্দকহীন নহয়।' মই শান্তভাৱেই মাৰ কথাত প্ৰতিবাদ কৰিলো।

'হতভাগী, এজন খোফাৰকেই পালা। দুৰ্দশাত মৰিবা। সি তোমাক বিয়া কৰাব আৰু তুমি দাসীগিৰি কৰিবা। তাৰপিছত

ল'ৰা-ছোৱালীৰ চাকৰনী হবা। তোৰ ভাগ্যত জানো এয়াই আছে ?'

মই মাক বুজাবলৈ মুখ মেলোতেই পুনৰ মাই চিঞৰি উঠিল, 'যা, তোৰ যি ইচ্ছা তাকেই কৰগৈ। কিন্তু তাক, তোমাৰ সেই খোফাৰক ইয়ালৈ কেতিয়াও লৈ নাহিবা।'

সিদিনা ৰাতি মই শুব পৰা নাছিলো।

দুশ্চিন্তাত মই যেন চটফটাই আছিলো।

জিনোৰ সতে মিলিত হবলৈ মই এৰা নাছিলো। কাৰণ জিনো খোফাৰেই হওক বা আন কিবাই হওক মানুহ হিচাপে তাক মোৰ ভাল লাগিছিল। প্ৰতিদিনাই সাক্ষাতৰ সময়ত জিনোই মোৰ মাৰ সতে দেখা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। মই নানান অজুহাত দেখুৱাই মিছা কথা কৈ সেই কথা তল পেলাইছিলো। অবশেষত জিনোই যেতিয়া বুজিব পাৰিল যে মই কিবা এটা লুকুবাবলৈ চেষ্টা কৰিছো, তেতিয়া তাক আচল কথাটো কবলৈ বাধ্য হলো। কলো, 'জানা, মায়ে তোমাৰ মুখ দেখিবলৈ ইচ্ছা নকৰে। কাৰণ তুমি এজন খোফাৰ। মাৰ মতে মই এজন সম্ভ্ৰান্ত লোকৰ সতে বিবাহপাশত আবদ্ধ হোবা উচিত।'

'দুখীয়া হোৱাৰ এয়াই দোষ।' জিনো নীৰৱ হৈ পৰিছিল মোৰ কথা শুনি।

মই তাৰ আৰু কাষ চাপি গৈ কৈছিলো, 'তুমি একো নাভাবিবা।'

'মই অপমান বোধ কৰিছো আজি। সৎকৰ্মৰ এযেই প্ৰতিদান।' জিনোৰ মাতবোৰ আবেগত কঁপিছিল।

'তুমি ইমান ভাবিছা কেলেই। মই তোমাক প্ৰাণভৰি ভালপাওঁ আৰু প্ৰাণভৰি ভাল পায়েই থাকিম।'

'মই যদি বিয়াৰ প্ৰস্তাব নিদি পকেটত এসোপা টকা ভৰাই লৈ

গৈ হাজিৰ হলোহেতেন তেনেহলে তোমাৰ মায়ে নিশ্চয় মোক আদৰ কৰিলেহেতেন, নহয় জানো ?' জিনোৰ মাতত আছিল দৃঢ়তা।

প্ৰতিবাদ কৰিবলৈ মই সাহস গোটাব পৰা নাছিলো। কাৰণ মই জানিছিলো জিনোৱে সঁচা কথাকেই কৈছে।

ক্ষন্তেক নীৰৱতাৰ পিছত মই কৈছিলো, 'মই কি ভাবিছো জানা ? এদিন হঠাৎ আমি দুয়ো গৈ মাৰ সন্মুখত ওলামগৈ। তেতিয়াতো আৰু মাই চকুমুদি থাকিব নোৱাৰিব।'

আৰু এদিন সন্ধিয়া জিনোক লগত লৈ মাৰ ওচৰত গৈ হাজিৰ হলো। মাই তেতিয়া চিলাইৰ কাম সামৰি আজৰি হৈছিল মাত্ৰ। মই মাত লগালো : 'মা, এয়া জিনো মোৰ লগত আহিছে।'

মাই যি দৃশ্যৰ অৱতাৰণা কৰিব বুলি মই মনে মনে ধাৰণা কৰিছিলো সেই দৃশ্যৰ অৱতাৰণা নকৰিলে।

'দেখিলাতো, সকলো ঠিক হৈ গৈছে—' মই কাণে কাণে জিনোক কলো। জিনোই মাৰ সতে কথা পাতিলে। আৰু মাক সন্ধিয়াৰ আহাৰৰ বাবে নিমন্ত্ৰণ জনালে। মা প্ৰথমতে অলপ দ্বিধাবোধ কৰিছিল।

মই কলো, 'তলৰ সেই হোটেলখনলৈ গ'লে কেনে হয় ?'

'তোমাৰ যি ইচ্ছা।' জিনোই কলে।

তিনিও ঘৰৰপৰা ওলালো। মনত হল মই যেন এখন ডাঙৰ যুদ্ধ জয় কৰিছো।

বিলাসী এখন হোটেলত সোমালো আৰু একোণৰ টেবিল এখন অধিকাৰ কৰি বহিলো। জিনোই মোৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নকৰি মাৰ পিনেই অধিক মনোযোগ দিছিল। বুজিছিলো, মাক জয় কৰাৰ মানসেৰে সেই কাম জিনোই কৰিছিল।

ইতিমধ্যে আমাৰ কাষৰ টেবিলখনত এদল যুবক আহি বহিছিল।

তাৰে মাতাল অৱস্থাত থকা যুৱক এজনে মোলৈ চাই কটূক্তি কৰাত জিনোই বহাৰ পৰা উঠি যুবকজনৰ পিনে আগুৱাই গৈ লাহেকৈ কলে, 'কোৰাচোন, কি কৈছিলা, আৰু এবাৰ কোৱা।'

মাতাল যুৱকজনে চিঞৰি উঠিল: 'তাত তোমাৰ কি আহে যায় হে?'

জিনোৰ খণ্ডে চুলিৰ আগ পালেগৈ।

গ্লাচ এটাত অলপ সুৰা বাকি দি জিনোৰ পিনে আগবঢ়াই কলে, '"হাঁ, লোৱা, খুব ভাল বস্তু।'

যুৱকজনক গালি-শপনি পাৰি জিনো তাৰপৰা আতৰি আহি নিজৰ ঠাইত বহিল। আৰু নিজকে নিজে কলে, 'চব অসভ্যৰ দল!'

মই উপলব্ধি কৰিছিলো জিনোৰ গুণত সম্পূৰ্ণৰূপে মুগ্ধ হলেও মাৰ মনত আমাৰ বিবাহ সম্বন্ধে এটি বিদ্বেষমূলক মনোভাব লালিত হৈ আছিল। মডেল হিচাবে জীৱিকা অৰ্জনৰ বিষয়ে কথা ওলাওঁতেই মাই সুযোগ গ্ৰহণ কৰিলে।

জিনোই কলে, 'শিল্পীৰ কাষত অনাবৃত হৈ অধিবেশন দিয়া কামটো মোৰ ভাল নালাগে। মই অকণো পচন্দ নকৰো'।

'কিয়?' মাযে গম্ভীৰ স্বৰেৰে সুধিলে।

'এয়া নীতিগত নহয় বুলি মই ভাবো।' জিনোই কলে।

মা চিঞৰি উঠিল, 'নী তগত নহয়? নীতিগত কথাটো কি? গোটেই দিনটো ৰন্ধা-বঢ়া কৰি, ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি, ল ৰা-ছোৱালীৰ চাকৰনী হৈ নিশ্বাস লবৰ সময় নোপোৱাকৈ কাম কৰি নিজকে তিল তিলকৈ বলি দিয়াটোৱেই জানো নীতিগত? মই কি ভাবো জানা, তুমিতো এবাৰেই জন্মিছা আৰু মৰিলে চিৰকালৰ বাবেই মৰিবা। আদ্ৰিয়ানাই ঠিকেই কৰিছে। তাইক মই বাধা নিদিওঁ। বৰঞ্চ তাইক সাহায্যহে কৰিম।'

মই লাজত তলমূৰ কৰিলো।

'মই জানো, মুখেৰে কলেও আপুনি সেয়া কৰিব নোৱাৰিব।' জিনোই কলে।

'নোৱাৰিম ? হুঃ, তুমি কোৱা কি ? তুমি কি ভাবিছা তোমাৰদৰে সম্বলহীন এজন খোফাৰক আদ্ৰিয়ানাই পতি বৰণ কৰিবলৈ ওলোৱা বাবে মই খুচী, আনন্দিত ? তুমি জানো ভাবিছা আদ্ৰিয়ানাই যি ৰূপ-যৌৱন লৈ হেজাৰ হেজাৰ টকা ৰোজগাৰ কৰিব পাৰিব তাৰ সলনি গোটেই জীৱন তোমাৰ দাসী হৈ কটাই দিব এই কথা ভাবিবলৈ মোৰ ভাল লাগিছে ? তুমি ভীষণ ভুল কৰিছা। '

পিছদিনা জিনোক সুধিছিলো : 'মাৰ কথাত খং কৰিছা নেকি ?'

জিনোই কৈছিল : 'তোমাৰ মাক মই ভালদৰেই বুজিব পাৰিছো। তোমাৰ মাৰ প্ৰতি মোৰ কৰুণা ওপজে। তেওঁ আমাক খুব মৰম কৰে বাবেই ছাগে তেনেদৰে কথাবোৰ কয়।'

জিনোই নানান কল্পনা কৰিছিল মোক লৈ। গাঁৱত বাসকৰা তাৰ মা-দেউতাৰ কথা প্ৰায়েই মোক কৈছিল।

জিনোক লৈ মযো বহু সপোন দেখিছিলো। জিনোকেই মই বিচাৰিছিলো, ইয়াতকৈ বেছি আৰু একোৱেই পৃথিৱীৰ পৰা বিচৰাৰ কথা মই ভবা নাছিলো।

কিন্তু মই বুজিছিলো মাই আমাৰ সম্পৰ্ক ভাঙি দিয়াৰ সুযোগৰ অপেক্ষাত আছিল। মায়ে মোক বাৰে বাৰে সকিয়াই দিছিল 'তুমি আৰু জিনোই কিবা এটা কেলেংকাৰীৰ সৃষ্টি নকৰিলেই হল। হতভাগিনী '

তিনি

জিনোই এদিন মোক জোৰকৈ তাৰ ঘৰলৈ লৈ গ'ল।

সিদিনা আছিল দেওবাৰ। ঘৰত আন কোনো নাছিল।

জিনোই কৈছিল তাৰ মালিকে হেনো বিদেশলৈ ফুৰিবলৈ গৈছে আৰু ঘৰৰ পৰিচাৰিকাবোৰো নিজৰ নিজৰ ঘৰলৈ ছুটি উপভোগ কৰিবলৈ গৈছে।

ঘৰত সোমাযেই মই কৈছিলো: 'ইযাত কিন্তু বেছি পলম নকৰো। সোনকালেই যাম।'

'আৰে ঘৰটোতো আগতে চাই লোৱা। যাবা—যাবা।'

এচলীয়া এটি ৰাস্তাৰ কাষতে জিনোৰ মালিকৰ মনোৰম ভিলা। ঘৰটোৰ প্ৰতিটো কোঠাই জিনোই মোক এফালৰ পৰা দেখুৱাই লৈ গ'ল। জিনোক সুধিলো, 'তোমালোকে ৰন্ধা-বঢ়া কৰা ক'ত?'

উত্তৰত সি কলে যে ৰান্ধনি ঘৰ আৰু চাকৰৰ-বাকৰৰ ঘৰ মাটিৰ তলৰ মহলাত অৱস্থিত। গৃহকৰ্ত্ৰীযে কেতিয়াও মাটিৰ তলৰ মহলাত নানামে। চাকৰ-বাকৰবোৰক ফোনেৰেই তলৰ কোঠাত নিৰ্দেশ দিয়ে। আৰু বহুত কথা জিনোই কৈছিল। তাৰ মালিকৰ গুণ-গৰিমা, ধন-দৌলতৰ কথা।

মই মাথো নীৰৱে ভাবিছিলো, মাৰ কথাই ঠিক। টকাই হৈছে এই পৃথিবীৰ সাৰ বস্তু।

খটখটী বগাই দুযো ওপৰ মহলালৈ উঠিলো। জিনোই মোৰ কঁকালত হাত এখনৰে মৰমেৰে সাবটি ধৰিলে। আৰু মোৰ মনত হল মই যেন এই ঘৰৰ গৃহিণী। স্বামীৰ সতে একেলগে ওপৰলৈ উঠিছো।

আমি আহি গৃহকর্ত্ৰীৰ শোবনি কোঠাত প্ৰবেশ কৰিলো। কোঠাটোৰ একোণত নৰম এখন বিচনা সুদৃশ্য বেড কভাৰ এখনেৰে ঢকা আছে। কাষত এখন ড্ৰেচিং টেবিল। মই বিচনাখনতে গৈ বহিলো। মোৰ মনত হল এনেকুৱা সুন্দৰ ঘৰত বাস কৰিব নোৱাৰিলে জীৱনত যেন মই সুখী হবই নোৱাৰিম।

জিনোই মোৰ কাষলৈ আহি কলে, 'কি হল?'

মই দাপোণখনলৈ আঙুলিয়াই দেখুৱালো। জিনোই মোক আলফুলে সাবটি ধৰি দুগালত চুমা আঁকি দিলে।

'মোক এইবোৰ নিছাতে কিয় দেখুৱাইছা জিনো। মই তোমাৰ কোঠাটোহে চাবলৈ ইচ্ছা কৰিছো।' মই জিনোক কলো।

'মোৰ কোঠাটো মাটিৰ তলৰ মহলাত। তুমি তালৈ যাবা?'

মই একেথৰে জিনোৰ মুখলৈ চাই ৰলো।

'মই তোমাৰ ঘৰহে চাবলৈ আহিছো, তোমাৰ মালিকৰ ধন-দৌলত চাবলৈ অহা নাই।'

কস্তেক পিছতে খটখটী বগাই আমি তলৰ মহলালৈ নামি আহিলো। জিনোই মোক সাবটি ধৰি দুগালত অজস্ৰ চুমা আঁকি দিলে।

তেতিয়া প্ৰায় সন্ধিয়া লাগি আহিছিল। কোঠাটো অন্ধকাৰাচ্ছন্ন। জিনোই কিন্তু লাইট নজ্বলালে। জিনোই নৰম কৰি আলফুলে মোক বিচনাত শুৱাই দিলে। চুম্বনৰত অবস্থাত মই অনুভৱ কৰিছিলো জিনোৰ আঙুলিবোৰ মোৰ ব্লাউজৰ বুটামবোৰ খুলিবৰ বাবে চেষ্টা কৰিছিল। বাধা মই দিয়া নাছিলো। মোৰ সৰ্বাংগত জিনোই আলফুলে হাতৰ পৰশ বুলাইছিল আৰু লগে লগে মোৰ সমগ্ৰ দেহৰ বিদ্যুতৰ প্ৰবাহ যেন বাগৰি গৈছিল। জালি তিঁযহ চোবোৱাদি জিনোই যেন মোক খাই পেলাব খুজিছিল। বাধা মই দিয়া নাছিলো, কাৰণ জিনোৰ ওচৰত আত্মসমৰ্পন কৰিবলৈ মই প্ৰস্তুত আছিলো।

দুটা উত্তপ্ত দেহ ক্রমে কাষ চাপি গৈছিল। ক্রমে আমাৰ মাজত চুলি এডালৰো ব্যবধান নাছিল। উত্তেজিত দুটা দেহৰ নিবিড় আলিঙ্গন। বাহিৰত তেতিয়া সন্ধিয়াৰ মৃদু এন্ধাৰ। হঠাৎ মোৰ মনত হ'ল জিনোই এতিয়া মোক পূৰ্ণ ভাবে লাভ কৰিছে, সেয়ে যদি সি মোক আৰু বিয়া কৰাবলৈ মান্তি নহয়।

'বহুত পলম হৈ গ'ল। ব'লা যাওঁ। মা নিশ্চয় খং কৰিব।' জিনোক কলো।

'কিয় খং কৰিব?'

'মানে—মইতো ইমান ৰাতিলৈকে কোনোদিন বাহিৰত থকা নাই। সন্ধিয়াৰ আগতেই ঘৰত গৈ সোমাওঁ।'

'ফাকি এটা দিবা। ক'বা জিনোৰ লগত গাড়ীৰে ফুৰিবলৈ গৈছিলো, বাটতে গাড়ী বেয়া হ'ল।'

'মাই সেইবোৰ একোৱেই বিশ্বাস নকৰিব।'

মই লৰালৰিকৈ অসংলগ্ন কাপোৰ-কানিবোৰ ঠিক কৰি ললো আৰু ঘৰৰপৰা বেগাবেগিকৈ ওলাই জিনোৰ গাড়ীত বহিলো। জিনোই মোক ঘৰৰ সম্মুখত নমাই দি গুচি গ'ল।

মই ভাবিছিলো মা ছাগে শুইছে। লাহে লাহে ভৰি টিপি টিপি খোজ পেলাই মোৰ কোঠাটোৰ পিনে আগুৱাই গ'লো। হঠাৎ পিছপিনৰ পৰা কোনোবাই মোক চুলিত ধৰি টানি ধৰিলে।

উভতি চাই দেখো, মা। মাৰ ক্ৰোধান্বিত মুখ দেখি মোৰ ভয় লাগি গ'ল।

'কলৈ গৈছিলা।' মাযে সুধিলে।

'ফুৰিবলৈ গৈছিলো, গাড়ীখন বাটতে বেয়া হোৱা বাবে পলম হৈ গ'ল।'

'ফাকি নিদিবা। জিনোৰ সতে তুমি অবৈধ কৰ্ম কৰিছা।'

মই 'অঁ' বুলি কব খুজিছিলো কিন্তু ম ৰ মু ৰ ফালে চাই সেই সাহস গোটাব নোবাৰিলো।

'নাই আমি '

'কৈছো নহয়, মোক ফাকি দিব নোৱাৰা। যোবাচোন দাপোণৰ সম্মুখত থিয় হৈ নিজৰ চেহাৰাটো এবাৰ চাই লোবা।'

মই অবাক আৰু চিন্তিত হৈ পৰিলো যেতিয়া মাই খোলাখুলিকৈ জিনাৰ ওচৰত মই নিজকে সমৰ্পণ কৰিছোনে নাই জোৰ দি সুধিলে। ক্ষন্তেক বৈ মাই চিঞৰি উঠিল: 'ব'লা, মোৰ লগত ব'লা এতিয়াই।'

মই নীৰৱে বলো। মই তেতিয়া ভীষণ ক্লান্তিবোধ কৰিছিলো। মাই জো ৰ কৰি মোক ঘৰৰ পৰা টানি বাটলৈ ওলাই আহিল। তাৰপিছত ফুটপাথেৰে খোজ আগবঢ়ালে। মোৰ বুজিবলৈ বাকী নাথাকিল যে মাই ডাক্তৰখানাৰ ৰঙা পোহৰটোৰ অভিমুখে ৰাওনা হৈছে।

মাক বাধা দিবৰ চেষ্টা কৰিলো। ডাক্তৰখানাৰ সম্মুখত উপস্থিত হৈও শেষবাৰৰ বাবে চেষ্টা কৰিছিলো। কিন্তু মাক বিৰত কৰিব নোবাৰিলো। ঠেলা মাৰি মাই মোক ডাক্তৰৰ কোঠাটোত সুমুৱাই দিলে।

'এইজনী মোৰ ছোৱালী। তাইক পৰীক্ষা কৰাবলৈ আনিছো।' মাই ডাক্তৰক কলে।

ডাক্তৰে মাত লগালে, 'কি পৰীক্ষা কৰিব লাগে। কিবা অসুখ-বিসুখ '

মা চিঞৰি উঠিল, 'সেইবোৰ একো নহয়। এই হতভাগিনীয়ে তাইৰ প্ৰেমিকৰ সতে লীলাখেলা কৰি ফুৰিছে। '

'পিছে মই কি কৰিব লাগে?'

'তুমি এজন ডাক্তৰ। তোমাৰ ওচৰত কোনোবাই কিবা পৰীক্ষা কৰাবলৈ আহিলে তুমি নকৰিবা জানো?' চিঞৰি চিঞৰি মাই কলে।

'বাৰু বাৰু, আপুনি মনে মনে থাকক।' তাৰপিছত মোৰ পিনে চাই ডাক্তৰজনে সুধিলে, 'তোমাৰ নাম কি?'

'আদ্ৰিয়ানা।' মই কলো।

মোৰ অৱস্থা ডাক্তৰে ভালকৈ বুজিব পাৰিছিল। আৰু সেয়ে মাক মোক পৰীক্ষা কৰোৱাৰ কোনো প্ৰয়োজন নাই বুলি বুজাবলৈ চেষ্টা কৰিছিল।

'ধৰি লওক তেওঁলোকে ভুলবশতঃ যৌবনৰ উত্তেজনাত যেনিবা কিবা কৰিছেই, তাতনো ক্ষতি কি? পিছত দুয়ো বিবাহ বান্ধোনত সোমালেই দেখোন সকলো ঠিক হৈ যাব।'

'মই যি কৈছো তাকে কৰা।'

'বাৰু বাৰু।' তাৰপিছত মোৰ পিনে দৃষ্টি নিক্ষেপ কৰি কলে, 'তোমাৰ মা যেতিয়া নাছোৰবান্দা তেতিয়াতো আৰু উপায় নাই।'

প্ৰাণপণে সাহস সঞ্চয় কৰি মই কলো, 'কোনো প্ৰযোজন নাই ডাক্তৰ। মই এই কাম কৰিছো। মা, ব'লা এতিযা, ডাক্তৰৰ আৰু প্ৰয়োজন নাই।'

গম্ভীৰ কণ্ঠেৰে মাই কলে, 'নহয় নহয়, তোমাক পৰীক্ষা কৰাবই লাগিব।'

'আপুনি ঠিকেই ধৰিছে।' মোক পৰীক্ষা কৰি মাৰ ওচৰলৈ আহি ডাক্তৰে কলে।

ইতিমধ্যে মই কানি-কাপোৰবোৰ ঠিক কৰি ললো।

মাই বেগৰ পৰা টকা উলিয়াই ডাক্তৰক সুধিলে, 'কিমান দিব লাগিব?'

ডাক্তৰে কিন্তু ফিজ লবলৈ মান্তি নহল। মোৰ কাষলৈ আহি সুধিলে, 'তুমি তোমাৰ প্ৰেমিকক ভাল পোৱাতো?'

'নিশ্চয়, খুউব ভালপাওঁ।'

'বিয়া কেতিয়া?'

মা চিঞৰি উঠিল, ‘সি তাইক কেতিয়াও বিয়া নকৰায়, মই জানো।’

মই শান্তভাৱেই ডাক্তৰক জনালো যে খুব সোনকালেই আমি বিবাহপাশত আবদ্ধ হম।

ভাবিছিলো ঘৰলৈ আহি মাই নিশ্চয় মোক গালি-শপনি পাৰিব। কিন্তু মাই মোক একোৱেই নক’লে।

মাক কলো, ‘মা, তুমি মিছাতে খং নকৰিবা। জিনোৱে মোক বিয়া কৰাব বুলি কথা দিছে। খুব সোনকালে আমাৰ বিয়াখন হৈ যাব।’

‘থৈ দিয়া। মই জানো জিনোৱে তোমাক কেতিয়াও বিয়া নকৰায়।’

‘মা!’ মই চিঞৰি উঠিছিলো, ‘সি মোৰ বাহিৰে আৰু কাকো বিয়া নকৰায।’

‘তোমাক সি বিয়া নকৰায, তোমাক কিছুদিন উপভোগ কৰিব তাৰপিছত এদিন তোমাৰ কাষৰ পৰা পলাই যাব।’

‘নহয় নহয়, এইবোৰ হব নোবাৰে।’

‘তোমাক বিয়া কৰোৱাৰ ইচ্ছা যদি তাৰ থাকিলহেঁতেন তেনেহলে কেতিয়াও তোমাক উপভোগ নকৰিলেহেঁতেন। তোমাক এৰি সি পলাই গ’লেই মই খুচী হম। কাৰণ সি যদি তোমাক বিয়া কৰায় তেনেহলে তোমাৰ চৰম দুৰ্দশা হব।

দুচকুত মোৰ অশ্ৰু বিৰিঙি উঠিল।

‘মই জানো, মা, মই সংসাৰ ৰচনা কৰাটো তুমি নিবিচৰা। মই আঞ্জেলিযাৰ দৰে জীৱন যাপন কৰাটোকেই তুমি বিচৰা।’

কথাখিনি কোৱাৰ লগে লগে আঞ্জেলিয়াৰ মুখখনি মোৰ দুচকুত ভাহি উঠিল। সেই আঞ্জেলিয়া—আমাৰ গাঁৱৰে ছোৱালী।

দুই-তিনিবাৰ বিয়া ভাঙি যোৱাৰ পিছত খোলাখুলিভাৱে প্ৰকাশ্যে বেশ্যাবৃত্তি আৰম্ভ কৰি দিয়া সেই আঞ্জেলিয়া।

'তুমি স্বচ্ছন্দে জীৱন যাপন কৰাটোকেই মই বিচাৰো।' মাই কৰ্কশ কণ্ঠেৰে কলে।

নিৰাশ আৰু ক্লান্ত মনেৰে গৈ মই বিচনাত বাগৰি পৰিলো।

পিছদিনা মাৰ সন্দেহৰ কথা জিনোৰ আগত প্ৰকাশ কৰিম নে নাই বহুত ভাবিলো। ভাবি-চিন্তি শেষত প্ৰকাশ নকৰাটোকেই ঠিক কৰিলো।

কিন্তু পিছদিনা জিনোৰ সতে দেখা কৰোতে সিয়েই প্ৰথমতে আমাৰ বিয়াৰ কথা উলিয়ালে। আৰু কলে, 'খুব সোনকালেই বিয়াৰ তাৰিখ এটা ঠিক কৰিব লাগিব।'

আনন্দত অধীৰ হৈ মই কৈ পেলালো, 'জানা, মই কি, ভাবিছিলো? ভাবিছিলো কালিৰ ঘটনাৰ পিছত তুমি ছাগে মোক এৰি গুচি যাবা।'

'তুমি মোক জঘন্য পশু বুলি ভাবিছা নেকি? তেনে কাম মই কিয় কৰিম?' জিনোই অলপ খঙেৰে কলে।

'বহুত পুৰুষে তেনে কৰে বাবে '

জিনোই খং আৰু অভিমানেৰে কলে, 'মোৰ প্ৰতি এয়াই জানো তোমাৰ ভালপোৱা?'

'সঁচাকৈয়ে মই তোমাক ভালপাওঁ জিনো। কিন্তু কব নোৱাৰো কিয় জানো কেতিয়াবা মোৰ ভয় লাগে—তোমাক যেন মই হেৰুৱাই পেলাম।' আবেগত মই জিনোৰ ডিঙিত সাবটি ধৰিছিলো।

এদিন দুয়ো মিলি আমি বিবাহৰ দিন এটা স্থিৰ কৰিলো। জিনোৰ সতে কথা-বতৰা পাতি বিয়াৰ পিছত প্ৰথম কিছুদিন মান

মাৰ লগত থাকিবলৈ তাক মান্তি কৰালো। আমাৰ ঘৰত এটা কোঠা এনেয়ে পৰি আছিল। পইচাৰ অভাৱত সেই কোঠাটো সজাব পৰা নাছিলো। মই সেই কোঠাটো ধুনীয়াকৈ সজাবৰ বাবে মনস্থ কৰিলো। আমাৰ অভাৱী সংসাৰ। তথাপি মাই হেনো মোৰ বাবেই কিছু টকা সঞ্চয় কৰিছিল।

মাৰ কাষলৈ আহি মই কলো, 'মা, মোৰ বাবে তুমি কিছু টকা সঞ্চয় কৰিছা। নহয় মা?'

'অঁ।' মাই উত্তৰ দিলে।

'তুমি যদি মোৰ সুখ বিচৰা তেনেহলে ঘৰটো, জিনো আৰু মোৰ বাসপোযোগী কৰি তুলিবৰ বাবে টকাখিনি মোক দিয়া।

'ওখ দেৰাজটোত কাৰ্ডবোৰ্ডৰ বাকচ এটাত আছে। বেংকৰ পাচবুকখনো আছে। যোবা, লোৱাগৈ। সেইবোৰ তোমাৰেই।'

আনন্দত মাক সাবটি ধৰি চিঞৰি দিলো, 'মা—তুমি ইমান ভাল।'

কিন্তু মই উপলব্ধি কৰিলো মা যেন অকণো খুচী হোৱা নাই। মই বিচাৰিছিলো মা-ও মোৰ দৰে আনন্দিত হওক। অথচ

কিয় জানো মোৰ মনত হল—মাৰ যেন একান্ত ইচ্ছা আমাৰ বিয়াখন যেন ভাঙি যায়

চাবি

ষ্টুডিঅ'ত গিচেলা নামৰ এগৰাকী মডেলৰ সতে ইতিমধ্যে মোৰ চিনাকি হয়। ধুনীয়া দীৰ্ঘাঙ্গী তন্বী গাভৰু। তাইৰ প্ৰেমিকজনৰ নাম আছিল ৰিকাৰ্ডো। সুন্দৰ বলিষ্ঠ পুৰুষ। গিচেলা আৰু ৰিকাৰ্ডো দুয়ো প্ৰণয়াসক্ত যদিও মোৰ আৰু জিনোৰ দৰে সিহঁতৰ বিয়াৰ ব্যৱস্থা একেবাৰে খাটাং হোৱা নাছিল। গিচেলাৰ অভিজ্ঞতা আছিল মোতকৈ বেছি আৰু মোৰ উপকাৰ কৰিবলৈ, বিপদৰ পৰা মোক ৰক্ষা কৰিবলৈ তাই আছিল বদ্ধপৰিকৰ। এক কথাত মাৰ দাৰই আছিল তাইৰ জীৱনৰ সুখ-স্বাচ্ছন্দ্যৰ ধাৰণা।

গিচেলাক মই জিনোৰ কথা কলো। আৰু দুয়ো সোনকালে বিবাহপাশত আবদ্ধ হোৱাৰ কথাও কলো। তাই উৎসাহেৰে জিনোই কি কৰে সুধিলে। উত্তৰত যেতিয়া মই কলো শ্বোফাৰ, তেতিয়া তাই মোক তাচ্ছিল্য কৰিলে।

জিনোৰ সতে গিচেলাক এদিন পৰিচয় কৰাই দিলো। কথা প্ৰসংগত গিচেলাই কৈ পেলালে, 'আপোনাৰ ভাগ্য ভাল যে আদ্ৰিয়ানাৰ দৰে ছোৱালী এজনী পাইছে।'

'হয় নেকি ?'

'ওঁতো। কাৰণ শ্বোফাৰৰ লগত সাধাৰণতে মালিকৰ ঘৰত কাম কৰা ছোবালীৰহে খাতিৰ হয়।'

জিনোৰ মুখখন ৰঙা পৰি গ'ল। কিন্তু হতাশ হোৱা লোক সি নাছিল। সি কলে, 'ওঁ, ঠিকেই কৈছে। মযো সেই ফালেই মন দিয়া উচিত আছিল।'

অলপ পিছত জিনো শুচি গ'ল। হুয়ো আহি ৰাস্তাত খোজ পেলাওঁতেই গিচেলাই মাত লগালে, 'তুমি পাগলীৰ দৰে কাম কৰিছা। মই হোৱা হলে তাৰ লগত কেতিয়াও বিযাত নোসোমালোহেতেন।'

মই আগ্রহেৰে সুধিলো, 'জিনোক তোমাৰ ভাল লগা নাই?'

'মুঠেই লগা নাই। তদুপৰি তাৰ এনে হাৱভাৱ যেন কিবা ডাঙৰ এটা হে।'

'মোৰ কিন্তু জিনোক খুব ভাল লাগে। মই তাক খুব ভাল পাওঁ।'

'ভাল কথা। পিছে সি কিন্তু তোমাক মুঠেই ভাল নাপায়। এদিন তোমাক এৰি পলাবই।'

ঠিক মাৰ কথা। মই চমকি উঠিছিলো গিচেলাৰ কথা শুনি।

পিছদিনা জিনোই কৈছিল, 'শুনা আদ্রি', তুমি গিচেলাৰ সংগ এৰি দিয়া।'

'কিয়?'

'তাই ভাল ছোৱালী নহয। তুমি নাজানা তাই ইমান দামী কাপোৰ পিন্ধিবলৈ ক'ত টকা পায়।'

'তাইৰ প্রেমিকে তাইক দিযে। তাইতো মোক নিজেই কৈছে।'

'তুমি নাজানা। প্রতিদিন ৰাতিয়ে তাইৰ এজন এজন নতুন প্রণযী '

'তাৰমানে?'

'মানে সহজ। হয তুমি গিচেলাৰ সংগ ত্যাগ কৰিব লাগিব নহলে মোক এৰিব লাগিব।'

মই জিনোক বুজাবলৈ চেষ্টা কৰিছিলো। কিন্তু আমাৰ বিযাখন কিজানি ভাঙি যায সেই ভযতেই গিচেলাৰ সংগ ত্যাগ কৰাৰ

প্ৰতিশ্ৰুতি মই জিনোক দিলো। মই প্ৰতিজ্ঞা কৰিলো তাইৰ সতে আৰু মিলিত নহওঁ বুলি। কিন্তু মই ভালকৈ জানিছিলো যে জিনোক দিয়া প্ৰতিশ্ৰুতি মই ৰাখিব নোৱাৰিম, কিয়নো গিচেলা আৰু মই একেটা ষ্টুডিঅ'তে কাম কৰিছিলো। প্ৰতিশ্ৰুতি মই ৰখাও নাছিলো। জিনোই নজনাকৈ মই গিচেলাৰ সতে মিলিছিলো। লগ পালেই গিচেলাই মোৰ বিয়াৰ কথা লৈ ঠাট্টা-বিদ্ৰূপ কৰিছিল।

এদিন গিচেলাই মোৰ কাণত ফুচফুচাই কলে, 'তোমাক কথা এটা কওঁ, শুনিবা ?'

'অ, নুশুনিম কিয় ?'

'আগতে কোৱা, মোৰ কথা শুনাৰ পিছত খং নকৰাতো ?'

'কোবানা কি কব খুজিছা।'

'তুমিতো জানাই তোমাক মই কিমান স্নেহ কৰো। গিচেলাই আৰম্ভ কৰিলে 'তুমি ইমান ৰূপহী—তুমি যি বিচৰা তাকেই দেখোন লাভ কৰিব পাৰা। শুনা, বিশিষ্ট ভদ্ৰলোক এজনৰ তোমাৰ ওপৰত চকু পৰিছে। মানুহজনৰ টকা-পইচা অজস্ৰ। মই তোমাক তাৰ সতে পৰিচয় কৰাই দিব পাৰো। মানুহজন খুব ভাল। তুমি মাথো তাৰ সতে মিলিত হবা আৰু বিনিময়ত পাবা বহুত টকা '

'তোমাৰ সেই বহুত টকা মোক নালাগে।' মই কলো।

'কিয় ?' আচৰিত হৈ গিচেলাই সুধিলে।

'কাৰণ জিনোকে মই ভাল পাওঁ।'

'জিনোক তুমি ভাল পাই থাকিবা। তাত তোমাক কোনে বাধা দিছে। তুমি মানুহজনৰ লগত মিলিত হোৱাৰ কথা কোনেও ঘুণাক্ষৰেও গম নাপাব। সেইবিষয়ে তুমি নিশ্চিন্ত থাকিব পাৰা। জানা, মোক যদি কোনোবাই এনেকুৱা প্ৰস্তাব দিলেহেতেন '

'তোমাৰ কোনো কথা শুনিবলৈ আৰু মোৰ ইচ্ছা নাই।'

হতাশ হৈ গিচেলাই কলে, 'দেখিছো তুমি একেবাৰে মূৰ্খ।'

সিদিনাৰ কথা-বতৰাৰ পিছত গিচেলাই সেই ভদ্ৰলোকৰ কথা বহুদিন মোক কোৱা নাছিল আৰু মোৰ বিয়াৰ কথা লৈ ঠাট্টা-ইতিকিং কৰিবলৈও এৰি দিছিল।

এদিন গিচেলাই ফুৰিবলৈ যাবলৈ লগ ধৰিলে। ময়ো মান্তি হলো।

গাড়ী সাজু হৈ আছিল। ৰিকাৰ্ডো গাড়ীত বহি আছিল। কিন্তু গাড়ীৰ আনজন আৰোহীক মই চিনি নাপালো। গিচেলাই পৰিচয় কৰাই দিলে: 'এওঁ আষ্টাৰিটা।'

গাড়ীৰে সম্মুখৰ চিটত ৰিকাৰ্ডোৰ সতে বহিছিল গিচেলা। পিছৰ চিটত মোৰ সতে বহিছিল আষ্টাৰিটাই। মই নীৰৱে বহি আছিলো। দুকাষে প্ৰকৃতিৰ নিসৰ্গ শোভা এৰি গাড়ী আগবাঢ়িছিল। খিৰিকীৰে মুখ উলিয়াই দুপাশৰ সেউজৰ সমাৰোহ চাই গৈছিলো। বুজিব পাৰিছিলো আষ্টাৰিটাৰ কামনালোলুপ দৃষ্টি মোৰ সমগ্ৰ শৰীৰত নিবদ্ধ।

'তোমাক ইমান ভাল লাগিছে।' হঠাতেই আষ্টাৰিটাই কৈ পেলালে।

মই মুগুনাৰ ভাওে জুৰিলো।

'তোমাক মোৰ ইমান ভাল লাগে।'

'মই প্ৰণযাবদ্ধ।'

'জানো। গিচেলাই মোক চব কথা কৈছে।'

'জিনো মোৰ '

'তোমাৰ প্ৰেমিকৰ কথা থ'ক এতিয়া। জানা, তোমাক সুখত ৰাখিবলৈ মোৰ যথেষ্ট টকা আছে। মোৰ সতে মাজে মাজে দেখা কৰিবলৈ আহিলে তোমাৰ কোনো দুখ নাথাকিব।'

'আপোনাৰ টকা আপোনাৰ হাতত থাকক। মোৰ কোনো প্ৰযোজন নাই আপোনাৰ টকাত।'

'তুমি ইমান ধুনীয়া !' মোৰ কথাখিনি মুগুনাৰ ভাও জুৰি সি মাত লগালে, 'তোমাৰ চকুযুৰিও ইমান মোহনীয় !'

মই নীৰবে ৰলো।

মানুহজন কৈ গ'ল, 'তোমাৰ মুখখনি ইমান কোমল, চুমা এটি আঁকি দিবলৈ মন যায় '

'এইবোৰ কথা মোক কৈছে কিয় ?'

'তোমাৰ সমগ্ৰ দেহতে মোৰ চুমা খাবলৈ মন গৈছে।'

'এইবোৰ অন্যায়। এনে কথা কবলৈ নাপায়।' প্ৰতিবাদৰ সুৰত মই চিঞৰি উঠিলো, 'মোৰ বিযাৰ সকলো ঠিক হৈ গৈছে।'

'মোক মাফ কৰা। এনে ধৰণৰ কথা কবলৈ মোৰ ভাল লাগে।'

মই সেইবোৰ কথা তল পেলাবলৈ সুধিলো, 'ভিটৰবোলৈ আৰু কিমানদূৰ ?'

'এই পালোহিযেই। আৰু বেছি দূৰ নাই। ভিটৰবোত আমি খোৱা-লোবা শেষ কৰি লম। তুমি কথা দিযা খোবাৰ সময়ত তুমি মোৰ কাষত বহিবা।'

আষ্টাৰিটাৰ এই গভীৰ আবেগভৰা উক্তিত মোৰ হাঁহি উঠি গ'ল। মই কলো, 'বাৰু।'

'ঠিক এতিযা যেনেকৈ বহি আছা। তোমাৰ গাৰ গোন্ধই মোৰ পক্ষে যথেষ্ট।'

ভিটৰবো চহৰত প্ৰবেশ কৰাৰ লগে লগে গাড়ীৰ গতি মন্থৰ হৈ গ'ল। সমগ্ৰ বাটছোৱাত গিচেলা আৰু ৰিকাৰ্ডোই এটা কথাও পতা নাছিল। গাড়ী যেতিয়া জনবহুল পথেৰে লাহে লাহে আগবাঢি গৈছিল গিচেলাই তেতিয়া পিচলৈ চাই কলে, 'কেনে চলিছে ? ভাবিছা ছাগে আমি একোৱেই দেখা নাই।'

আষ্টাৰিটাৰ মতিগতি মোৰ ভাল নালাগিল। ফুৰিবলৈ অহাৰ

আনন্দ মাৰ গ'ল। মনে মনে ভাবিলো, সোনকালে উভতি যাব পাৰিলেই ৰক্ষা। ইতিমধ্যে গাড়ী আহি ৰৈ গ'ল এখন হোটেলৰ সম্মুখত। সিহঁতৰ সতে ময়ো হোটেলত সোমালো। কিছুসময়ৰ পিছতেই বেয়াৰা এটাই মদ আৰু জলপান লৈ হাজিৰ হল। আমি সকলোৱে খোবাত লাগিলো।

'খাই লোবা। বিযাৰ পিছত এনেকৈতো আৰু খাব নোৱাৰিবা। জিনোৰ পইচাও নাই, তেনে সম্বলো নাই।' গিচেলাই মোক খোচা মাৰিলে।

'কিয় নোৱাৰিম?' মই প্ৰতিবাদ কৰিলো, 'জিনোৰ উপাৰ্জনৰ পইচাৰে ইযাতকৈ ভাল আহাৰ খাব পাৰিম।'

গিচেলাই কৈ গ'ল: 'তুমি একেবাৰে আজলী। তোমাৰ এনে এজন পুৰুষৰ প্ৰযোজন যিজনে ঠিকমতে তোমাৰ ভৰণ-পোষণ কৰিব পাৰিব, তোমাৰ যত্ন লব পাৰিব। কিন্তু তুমি জিনোৰ প্ৰেমতে মজি গ'লা।'

মই নীৰৱে ৰলো।

ৰিকাৰ্ডোই হাঁহি হাঁহি কলে, 'মই আড্ৰিয়ানা হোৱোহেতেন কাকো নেৰিলোহেতেন। জিনোকো নেৰিলোহেতেন আৰু সেই শুভাকাঙ্ক্ষী ভদ্ৰলোককো। মই দুযোজনকে গ্ৰহণ কৰিলোহেতেন আৰু তাত ছাগে জিনোই বেছি আপত্তিও নকৰিলেহেতেন।'

মই চিঞৰি উঠিলো, 'আপত্তি সি কৰিলেহেতেন। কিয নকৰিব? এনেকি সি যদি জানিব পাৰে যে মই আপোনালোকৰ লগত ফুৰিবলৈ আহিছো সি হয়তো বিয়াখনো ভাঙি দিব পাৰে।'

'কিয? কিয়?' গিচেলাই প্ৰশ্ন কৰিলে।

'কাৰণ মই তোমাৰ লগত মিলামিচা কৰাটো সি নিবিচাৰে।'

গিচেলা ক্ষুণ্ণ হল। কলে, 'ৰবা, মই আজিযেই জিনোক গৈ ক'ম যে আড্ৰিয়ানা সদায়েই মোৰ লগত দেখা কৰিবলৈ আহে আৰু আজি

গোটেই দিনটো মোৰ লগত ঘূৰি ফুৰিছে। এতিয়া তাইৰ সতে সকলো সম্পৰ্ক ছিন্ন কৰি পেলোবা।'

মই গিচেলাক অনুনয়-বিনয় কৰিলো, 'নহয় নহয়, তুমি কেতিয়াও তাক এইবোৰ কথা নকবা।'

'তেনেহলেই তোৰ মংগল হব ?'

'হয়তো হয়। কিন্তু মোৰে শপত, তুমি এইবাৰ কথা জিনোক নকবা।'

গিচেলাই হাঁহি হাঁহি কলে, 'কথাত জিনোৰ ওচৰত একেবাৰে সতী-সাধ্বী কিন্তু কামত '

আষ্টাৰিটা নীৰৱে আছিল। কিন্তু তাৰ দৃষ্টি নিবদ্ধ আছিল মোৰ ওপৰত। মোৰ পিনে তেনেদৰে নাচাবলৈ তাক কৈ দিবৰ মন গৈছিল কিন্তু গিচেলাই ঠাট্টা কৰাৰ ভয়তে নক'লো।

গিচেলাই এগিলাচ সুৰা পান কৰি ৰিকার্ডোৰ ওচৰলৈ গ'ল আৰু ৰিকার্ডোক সাবটি ধৰিলে। মোলৈ চাই চিঞৰি কলে, 'আৰে তোমা-লোক দুজন কিয় বহি আছা, স্ফূৰ্ত্তি কৰা।'

আষ্টাৰিটাই আনন্দ মনেৰে বহাৰ পৰা উঠি আহি মোৰ কঁকালত সাবটি ধৰিলে আৰু দুহাতেৰে জোৰেৰে মোক তাৰ বুকুৰ পিনে টানিলে।

'এৰি দিয়া, কি কৰিছা এইবোৰ ?' মই বাধা দিলো।

'আহ, তুমি একেবাৰে নীৰস। যৌবনক '

'বচ, বন্ধ কৰা তোমাৰ মুখ।'

ৰিকার্ডোই হাঁহি হাঁহি আষ্টাৰিটাক উত্তেজিত কৰি তুলিলে আৰু মোক জোৰ কৰি চুমা খাবলৈ কলে। 'আষ্টাৰিটা, তুমি যদি তাইক চুমা খাব নোৱাৰা তোমাৰ মুখ কিন্তু আৰু কেতিয়াও নেদেখো।'

'মোক আমনি নকৰিবা।' আষ্টাৰিটাক সাবধান কৰি দিলো।

'খোৱানা খোবা।' গিচেলাই চকু টিপ দি আষ্টাৰিটাক অনুপ্ৰেৰণা যোগালে।

আষ্টাৰিটাই মোক তাৰ বুকুৰ মাজলৈ টানিবলৈ চেষ্টা কৰিলে। মই বাধা দিলো। কিন্তু গিচেলাই আহি আষ্টাৰিটাক সাহায্য কৰিলে আৰু আষ্টাৰিটাই কঠিন চুমা এটি মোৰ ওঁঠ যুৰিৰ মাজত আঁকি দিলে।

'এই—তো।' গিচেলাই হাঁহি হাঁহি পুনৰ ৰিকার্ডোৰ কাষলৈ সবৰি গ'ল।

'তোমালোকৰ লগত মই আৰু কেতিয়াও নাহো।' দুখ আৰু খঙত মই কলো।

'মাত্ৰ এটা চুমাৰ বাবেই তুমি ইমানকৈ ভাবিছা?' ঠাট্টাৰ সুৰত ৰিকার্ডোই কলে।

'আষ্টাৰিটাৰ মুখলৈ চোবা লিপষ্টিকৰ দাগ। এই সময়ত যদি জিনো আহে তেনেহলে কি যে কব।' উন্মাদৰ দৰে হাঁহি হাঁহি গিচেলাই কলে।

গিচেলাই আৰু এগিলাচ সুৰা শেষ কৰিলে ঢক ঢককৈ গিলি। মোকো যাচিলে। অকণমান খালো।

তাৰপিছত হোটেলৰ এটা কোঠাত গিচেলাৰ সাহায্যত আষ্টাৰিটাই মোক উপভোগ কৰিলে। দুহাতেৰে মুখ ঢাকি মই মাথো কান্দিছিলো।

গিচেলাই কৈছিল: 'কান্দিছা কিয়? যেন এই প্ৰথম '

উভোতাৰ পথত মই কাৰো লগত কথা পতা নাছিলো। কথা পাতিবৰ মোৰ মন যোৱা নাছিল। মোৰ খুউব ভাগৰ লাগিল।

'ইমান ভাবিবৰ কিটোনো আছে? জিনোই একো গম নাপায় দিয়া। আমিতো আৰু তাৰ আগত কৈ নিদিওঁ।' গিচেলাই মোলৈ চাই কলে।

মই মনে মনে আছিলো। খিৰিকীৰে মুখখন উলিয়াই দিছিলো মুক্ত বায়ু সেবন কৰাৰ উদ্দেশ্যে।

এনেতে আষ্টাৰিটাৰ হাতৰ স্পৰ্শ পাই তালৈ চালো। সি কেইখন মান নোট মোৰ হাতত গুজি দিবলৈ চেষ্টা কৰিছিল।

ইচ্ছা গৈছিল তাৰ সেই টকাবোৰ তাৰ মুখত দলিয়াই দিবলৈ। কিন্তু নোৱাৰিলো। যদিও মই জানিছিলো যে টকাখিনি ঘূৰাই দিয়াই মোৰ পক্ষে উচিত আছিল। যদিও মই টকাখিনি গ্ৰহণ কৰিবলৈ ইচ্ছুক আছিলো তথাপিও টকাখিনি ঘূৰাই দিবলৈ এনেয়ে এবাৰ চেষ্টা কৰিলো। জানিছিলো মোৰ সেই চেষ্টা ব্যৰ্থ হব। আষ্টাৰিটাই জোৰ কৰাত মই টকাখিনি সোঁহাতৰ পৰা বাঁওহাতত গুজি ললো। আৰু সেই সময়ত মই অনুভৱ কৰিছিলো এক অদ্ভুত ৰোমান্স। মুখখন মোৰ ৰঙা পৰি গৈছিল। উশাহ-নিশাহ লবলৈও যেন মোৰ কষ্ট হৈছিল।

কিন্তু ঘৰলৈ উভতি আহি নিজৰ কোঠাত সোমাই দুৱাৰ বন্ধ কৰি যেতিয়া মই তিন হাজাৰ লিৰাৰ নোটৰ বাণ্ডিলটোলৈ চাইছিলো তেতিয়া মোৰ মনটো খুচীৰ নৰম ৰ'দত যেন পাখী মেলি উৰিছিল। ভাবিছিলো, এইখিনি টকাৰে ঘৰটো বেছ ধুনীয়াকৈ সজাব পাৰিম। মোৰ অভাৱগ্ৰস্ততাত নোটবোৰৰ দৰ্শনত কেৱলমাত্ৰ আনন্দবোধেই কৰা নাছিলো, মোৰ অবিশ্বাস্য যেন লাগিছিল। ইমান টকা জীৱনত তো মই একেলগে কেতিয়াও দেখাই পোৱা নাছিলো

পাঁচ

ভিটৰবোৰ সেই বেদনাদায়ক স্মৃতি দীৰ্ঘ ৰাতিৰ গভীৰ নিদ্ৰাই মচি দিছিল। পিছদিনা সংসাৰিক জীৱন লাভৰ প্ৰতিজ্ঞা লৈ মই টোপনিৰ পৰা উঠিছিলো। আৰু জিনোক এবাৰ লগ পাবলৈ অস্থিৰ হৈ পৰিছিলো। সকলো কথা জিনোক খুলি কৈ তাৰ ওচৰত ক্ষমা খুজিবলৈ মোৰ খুউব মন গৈছিল। হোটেলৰ সেই বেদনাদায়ক স্মৃতি মোৰ বুকুত গভীৰ হৈ বহিছিল আৰু জিনোৰ আগত সকলো কথা খুলি কৈ মই মোৰ মনৰ দুখ পাতলাব খুজিছিলো।

জিনোৰ সতে দেখা কৰিছিলো। সকলো কথা তাক খুলি কব খুজিও কব পৰা নাছিলো। মোৰ কথাবোৰ শুনাৰ পিছত সি যদি মোক দূৰলৈ ঠেলি দিয়ে! যদি মাৰ কথাই ফলিয়ায। সাহস মই গোটাব নোৱাৰিলো। সেইবোৰ কথাৰ সলনি জিনোক মাথো কলো, 'জিনো, চিৰকাল তুমি মোৰ হৈ থাকিবা '

জিনোই মোৰ মুখলৈ চাইছিল।

'জিনো, খুব সোনকালে মোক তোমাৰ জীৱনসঙ্গিনী কৰি লোৱা, আপোন কৰি লোৱা জিনো।' জিনোৰ বুকুত মই সাবটি ধৰিছিলো। চকুযুৰি মোৰ চুলচুলীয়া হৈ পৰিছিল।

'ইষ্টাৰৰ সময়তেই আমাৰ বিয়া পাতিম নহয। অ, তুমিতো তেতিয়া একেবাৰে আপোন হৈ মোৰ জীৱনলৈ আহিবা।'

'সঁচা? কিয় নাজানো মাজে মাজে মোৰ মনত হয মই যেন তোমাক হেৰুৱাই পেলাম।' নিজেকে সংযত কৰিব নোবাৰি মই কান্দি দিলো।

'কান্দিছা কিয় ?' জিনো অবাক হৈছিল।

জিনোক কি উত্তৰ দিছিলো মনত নাই। সম্ভৱ মিছা কিবা এটা কৈছিলো। কিন্তু মোৰ মনৰ বোজা পাতলা নাছিল।

জিনোৰ কাষৰ পৰা অহাৰ পিছত সেইদিনা আবেলিযেই মই স্বীকাৰোক্তি কৰিবৰ বাবে গীৰ্জালৈ গ'লো। 'মেডোনা'ৰ প্ৰতিমূৰ্তিৰ ওচৰত থিয় হৈ প্ৰাৰ্থনা কৰিলো। মোৰ দুচকুৰে বাগৰি আহিছিল দুধাৰি চকুলো। কিছু সময় প্ৰাৰ্থনা কৰাৰ পিছত শান্ত হৃদয়েৰে গৈ মই স্বীকাৰোক্তিৰ কোঠাত প্ৰবেশ কৰিলো স্বীকাৰোক্তি কৰাৰ মানসেৰে। বেদীৰ কাষৰ পৰা যাজক এজনে আহি মোক কাষলৈ মাতিলে। আৰু তেওঁ গৈ অলপ ওখ চকী এখনত বহিল। তাত এনামেলৰ প্লেট এখন আছিল। তাত লিখা আছিল—ফাদাৰ ইলিযা।

মই আঁঠু লৈ তেওঁৰ ওচৰত সকলো কথাই খুলি কলো। জিনোৰ সতে মোৰ সম্পৰ্ক, গিচেলাৰ সতে বন্ধুত্ব, আষ্টাৰিটাই কামনা চৰিতাৰ্থ কৰাৰ কথা সকলো কলো। প্ৰথমতে মই দ্বিধা আৰু সংকোচেৰে কথাবোৰ কৈছিলো। কিন্তু শেষৰ পিনে মই স্বাভাৱিক ভাৱেই সকলো কৈ গ'লো। কোনো কথাই বাদ নিদিলো। আষ্টাৰিটাই টকা দিয়াৰ কথা, আষ্টাৰিটাৰ টকা পোৱাৰ পিছত মোৰ মনৰ অৱস্থাৰ কথা— সকলো এফালৰ কৈ গ'লো।

কোনো মন্তব্য নিদিযাকৈ যাজকজনে সকলো কথা শুনি গ'ল আৰু মোৰ কথা সম্পূৰ্ণ শেষ হোৱাৰ পিছত গম্ভীৰ কণ্ঠেৰে কলে, 'তুমি যি কাম কৰিছা তাতকৈ বিয়া ভাঙি যোৱাই ভাল আছিল।'

'মোৰোতো সেযাই মনত হয়।'

'তুমি কেতিয়াও আকৌ নিজকে সতী বুলি পৰিচয় দিব নোৱাৰিবা।'

মনত খুব দুখ লাগি গ'ল যাজকজনৰ ৰূঢ় স্পষ্ট কথাত। বেদনাত

মই চিঞৰি উঠিলো, 'নহয় নহয়, মোৰ মনত হয় মই একোই হেৰুৱা নাই। মই নিশ্চয় সুগৃহিণী হব পাৰিম।'

ক্ষন্তেক নীৰৱে বৈ তেওঁ শান্ত স্বৰেৰে সুধিলে, 'সঁচাকৈয়ে জানো তুমি অনুতপ্ত ?'

'নিশ্চয়।' মই ঘপৰাই উত্তৰ দিলো।

হঠাৎ মোৰ মনত হ'ল যাজকজনে নিশ্চয় আষ্টাৰিটাক টকাখিনি ঘূৰাই দিবলৈ কব। কিন্তু টকাৰ কথা নুলিযাই শান্ত স্বৰেৰে মাথো কলে, 'সোনকালে বিয়াখন পাতি পেলোৱা।'

'ইষ্টাৰৰ সময়তেই আমাক বিয়াখন সম্পন্ন হব।'

'যিমান সোনকালে হয় সিমানে ভাল।

মানুহজনক মোৰ ধৰ্মযাজবৰ সলনি সাংসাৰিক বুদ্ধিসম্পন্ন লোক বুলিয়েই মনত হল।

'শুনা—' যাজকজনে পুনৰ কলে, 'সোনকালে বিযাখন পাতি পেলোৱা আৰু বিয়াৰ আগলৈকে প্ৰেমিবৰ সতে কোনো দৈহিক সম্পৰ্ক নকৰিবা। সেয়া পাপ।'

মই মূৰ দুপীযালো।

'প্ৰাৰ্থনাৰ দ্বাৰা নিজৰ মনক দৃঢ় কৰিবা। প্ৰাৰ্থনা কৰিবা '

'আপোনাৰ কথা মানিম।'

'আৰু সেই মানুহজনৰ সতে আৰু কেতিযাও মিলিত নহবা। যদি সি উপযাচি তোমাৰ লগত দেখা কৰিবলৈ আহে খেদি দিবা।'

তাৰপিছত শান্ত আৰু ক্ষীণ কণ্ঠেৰে আৰু কিছুমান উপদেশ প্ৰদান কৰি প্ৰায়শ্চিত্ত স্বৰূপে প্ৰত্যহ কিছুমান প্ৰাৰ্থনা কৰিবলৈ কলে আৰু মোক পাপৰ পৰা মুক্ত কৰিলে। মই 'পেটাৰ নষ্টাৰ' প্ৰাৰ্থনাটি পুনৰাবৃত্তি কৰিলো।

হঠাতেই মোৰ আষ্টাৰিটাৰ টকাখিনিৰ কথা মনত পৰি গ'ল। প্ৰাৰ্থনা শেষ হোৱাৰ পিছত স্বীকাৰোক্তি কৰা কোঠাটো

এৰি মই গীৰ্জাৰ পৰা ওলাই আহিলো। যাজকজনো ওলাই আহিল।

ঘপহকৈ মই সুধি পেলালো, 'মানুহজনৰ টকাখিনি মই ঘূৰাই দিম নেকি ?'

তেওঁ মোৰ পিনে চালে আৰু ক্ষীণ কণ্ঠৰে কলে, 'টকাখিনিৰ তোমাৰ খুব প্ৰয়োজন নেকি ?'

'ওঁ।' মই কলো।

'তেনেহলে উভতাই দিবৰ কোনো প্ৰয়োজন নাই কিন্তু তোমাৰ বিবেকে যি কয় তাকেই কৰিবা।'

তেওঁক সেৱা জনাই মই গীৰ্জাৰ পৰা গুচি আহিলো।

এই বিষয়ে মাক একো নকলো। যেনেকৈ কোৱা নাছিলো গিচেলাৰ সতে ফুৰিবলৈ গৈ কেলেঙ্কাৰী ঘটাৰ কথা।

পিছদিনা জিনোই আহি মোক লগ ধৰি কলে, 'মালিক বাহিৰলৈ গৈছে। মালিকৰ ভিলাত ভালকৈ দিন এটা কটোৱাৰ সুযোগ পাইছো।'

জিনোৰ কথাখিনি শুনাৰ লগে লগে ধৰ্মযাজকৰ কথাখিনি মোৰ মনত পৰি গল—এয়া পাপ কাম।

'আমি এতিয়া আৰু মিলিত নোহোৱাই ভাল জিনো। মানে ' কথাখিনি মই যেন ভালকৈ ফুটাই কব পৰা নাছিলো।

'এতিয়াই স্ফূৰ্ত্তি কৰি লওঁ। বিয়াতো এদিন আমাৰ হবই।' জিনোই কলে।

'নহয়, নহয়। সেয়া হব নোৱাৰে। আগতে আমাৰ বিয়াখন হৈ যাওক। বিয়াৰ আগতে দৈহিক সম্পৰ্ক স্থাপন কৰাটো গৰ্হিত কাম।'

জিনোৰ চকুৰে-মুখে ঈৰ্ষান্বিত সন্দেহৰ ছায়া ফুটি উঠিছিল।

'জিনা, তোমাক মই ভালপাওঁ। আৰু ভালপাওঁ বাবেই কৈছো, এতিয়া আমি যৌনসম্ভোগ কৰা উচিত নহয়।'

'অ, এতিয়া চব বুজিছো। তুমি ভয় খাইছা। তুমি হয়তো ভাবিছা তোমাক ছাগে মই বিয়া নকৰাই এৰি থৈ গুচি যাম।'

'তেনেদৰে নকৰা জিনো। ধৰ্মযাজকে মোক উপদেশ দিছে—বিয়াৰ আগতে দৈহিক সম্ভোগ কৰা উচিত নহয়।'

'ধৰ্মযাজক!' হতাশাত চিঞৰি উঠিল জিনোই, 'আমাৰ এই বিষয়ত ধৰ্মযাজকক টানি আনিবলৈ কোনে কৈছে?'

মই নীৰৱে ৰলো।

'নামাতা কেলেই?'

'মোৰ আৰু কবলগীয়া একো নাই।'

'বেছ, তোমাৰ যি ইচ্ছা।' মোক দৃঢ়প্ৰতিজ্ঞ যেন দেখিয়েই সম্ভৱ জিনোৰ মন পৰিবৰ্তিত হৈছিল।

পিছদিনা জিনোক উদাসীন উদাসীন যেন লাগিলেও মোৰ লগত ভাল ব্যৱহাৰেই কৰিছিল আৰু মোক মৰমো কৰিছিল। আমি আগৰ দৰে মিলিত হৈছিলো, স্ফূৰ্তি-তামাচা কৰিছিলো, কিন্তু দৈহিক সম্পৰ্ক আৰু স্থাপন কৰা নাছিলো।

লক্ষ্য কৰিছিলো, লাহে লাহে মোৰ প্ৰতি জিনোৰ আগ্ৰহ যেন কমি আহিছিল। মোৰ লগত ফুৰিবলৈ প্ৰায় এৰি দিছিল আৰু আমাৰ ভবিষ্যৎ জীৱন সম্বন্ধে কোনো কথা উলিযালে সি অন্যমনস্ক হৈ পৰিছিল। মোৰ মনত কিন্তু তেতিযাও কোনো সন্দেহ জগা নাছিল। কাৰণ সি মোৰ লগত ভাল ব্যৱহাৰেই কৰিছিল। কিন্তু এদিন জিনোই মোক জনাই দিলে যে পাৰিবাৰিক কাৰণবশতঃ অনিচ্ছাসত্বেও বিয়াখন গ্ৰীষ্মৰ শেষলৈ পিচুৱাবলৈ সি বাধ্য হল।

বিয়া পিচুৱাত মোৰ অকণো সন্দেহ জগা নাছিল। কিন্তু মা আৰু

গিচেলাৰ বিশ্বাস দৃঢ় হৈ পৰিছিল। খবৰটো শুনি মাই কৈছিল: 'মই আগতেই জানো, এনেকুৱা হবই।'

উত্তেজনাত মই চিঞৰি উঠিছিলো: 'যদি জিনোই মোক বিয়া নকৰায় মই আত্মহত্যা কৰিম নতুবা বাটৰ কাষত গৈ থিয় দিম।'

গিচেলাই কৈছিল: 'দেখিলাতো, মই যি কৈছিলো সঁচা নে মিছা? জানো সি তোমাক বিয়া কৰাব নোখোজে। ইষ্টাৰত নহল গ্ৰীষ্মৰ শেষত হব। তাৰপিছত খৃষ্টমাষ্ট—তাৰ পিছত তুমি এদিন সকলো বুজিব পাৰিবা আৰু তাক এৰিবলৈ বাধ্য হবা।'

'মোৰ বিয়া হওক বা নহওক তাত তোমাৰ কি?' খণ্ডত মোৰ গা জ্বলি গৈছিল।

গিচেলাই কাষলৈ আহি মোৰ গাত হাত ফুৰাই মিঠা মাতেৰে কৈছিল, 'মানে—বান্ধৱী হিচাপে মই তোমাৰ সুখ কামনা কৰো। তোমাক সুখী, আনন্দিত দেখিবলৈ বিচাৰো। আৰু তুমি যথেষ্ট সুখ পাবা। অজস্ৰ টকা লাগে যদি আষ্টাৰিটাৰ সতে মিলিত হবলৈ '

'তাৰ নাম মই শুনিব নোখোজো।'

মোৰ কথালৈ কাণ নিদি আষ্টাৰিটাৰ হৈ তাই বহুত কথাই কলে। মই খোলাখুলিভাৱে জনাই দিলো যে আষ্টাৰিটাৰ মুখ মই আৰু চাব নিবিচাৰো।

তেতিয়া তেতিয়া কেবল জিনোৰ মুখখন মোৰ চকুত ভাহিছিল।

ছয়

বিয়াৰ প্ৰয়োজনায বহুতো বস্তু-বাহানি ইতিমধ্যে মই কিনি শেষ কৰিছিলো আৰু যিখিনি কিনিবলৈ বাকী আছিল সেইখিনি কিনিবৰ বাবে টকা গোটাইছিলো। ষ্টুডিঅ'ত ঘণ্টাৰ পিছত ঘণ্টা অধিবেশন দিছিলো। ঘৰত আহিযেই আকৌ চিলাইৰ কামত বহিছিলো। আৰু আমাৰ ভৱিষ্যৎ জীৱনৰ ৰঙীন কল্পনা কৰিছিলো।

লক্ষ্য কৰিছিলো আষ্টাৰিটাই তেতিযাও মোৰ পিছ এৰা নাছিল। ৰাতিপুৱা ষ্টুডিঅ লৈ যোৱাৰ সময়ত বাচ ষ্টপেজত মোৰ পিনে একেথৰে চাই থকা তাক প্ৰায়েই দেখিছিলো। কিন্তু যেতিযাই মোৰ চকুৱে চকুৱে পাৰছিল সি ৰাস্তাৰ পিনে চাই বাচ আহিছে যে নাই চোৱাৰ ভাও জুৰিছিল।

এদিন সন্ধিয়া ঘৰলৈ উভতি আহি দেখো আষ্টাৰিটাই মাৰ সতে কথা পাতি আছে। তাক দেখি মোৰ ভীষণ খং উঠি গ'ল। মই জানিছিলো সি নিশ্চয মাক হাত কৰিবলৈ চেষ্টা কৰিছে।

'তোমাক ইয়াত কি লাগে ?' মই কঠিন কণ্ঠেৰে সুধিলো।

আষ্টাৰিটা হতভম্ব হৈ মোৰ পিনে চালে। মুখেৰে তাৰ কোনো কথা নোলাল।

মাই বেছ আস্থাৰে মাত লগালে, 'ভদ্ৰলোকৰ হেনো তোমাৰ সতে পৰিচয় আছে। সেয়ে তুমি কেনে আছা খবৰ লবলৈ আহিছে।'

মাৰ কথাৰ পৰাই মই বুজিব পাৰিছিলো মোৰ ধাৰণাই ঠিক। হয়তো আষ্টাৰিটাই ইতিমধ্যে কিছু টকা মাৰ হাতত দিছে।

'মা, তুমি যোৱা।'

মোৰ কথা শুনি মাই লাহে লাহে ৰান্ধনি ঘৰলৈ গুচি গ'ল।

'কি লাগে তোমাক? তুমি ইয়াত কি কৰিবলৈ আহিছা? গুচি যোৱা—' মই খঙেৰে চিঞৰিলো।

সি নীৰৱে ৰল।

'ভালে ভালে গুচি যোৱা। নহলে মই চিঞৰি মানুহ মাতিম।'

সম্ভৱ চিঞৰি মানুহ মতাৰ ভয়তেই সি গুচি গ'ল।

সি গুচি যোৱাৰ লগে লগে মই মাৰ কাষলৈ লৰৰি আহিলো: 'মা, মানুহজনক তুমি কি কৈছা?'

'নাই, একোতো কোৱা নাই। মোক কেৱল সুধিছিল আমি কেনে ধৰণৰ কাম কৰো। মোক কেইটামান চাৰ্ট চিলাবলৈ দিম বুলি কৈছে।'

'কোনো দৰকাৰ নাই তাৰ কাম কৰিবলৈ। তাৰ তালৈ তুমি নাযাবা।'

'মই তাৰ তাত যাম বুলি কোনে কলে তোমাক?'

'মোৰ বিষয়ে কোনো কথা তোমাক কোৱা নাই?'

'নাইতো। কেৱল তোমালোকৰ বিয়াৰ কথা সুধিছিল।'

'তুমি কি কৈছা?'

'কৈছো যে অক্টোবৰ মাহ মানত হব।'

'সি তোমাক টকা-পইচা দি যোৱা নাই?' মই হঠাতেই সুধি পেলালো।

'নাই নাই দিয়াতো। কিয়, তাৰ জানো দিয়াৰ কথা আছিল?'

মাৰ কথাতেই মই বুজিব পাৰিছিলো যে আষ্টাৰিটাই মাক নিশ্চয় কিছু টকা দি গৈছে।

'নাই, সিতো মোক ফুটাকড়ি এটাও দিয়া নাই।' মাই পুনৰ কলে।

মাৰ হাতখনত চেপি ধৰিলো। ঢিলা গাউনৰ পকেটত মাৰ

হাতখন ভৰোৱা আছিল। মোৰ হাতখন একৰাবলৈ যাওঁতেই মাৰ হাতৰ মুঠিৰ পৰা কেইখনমান ভাজ কৰা নোট মাটিত পৰি গ'ল। মাই লোভাতুৰ দৃষ্টিৰে খৰ খৰকৈ নোট কেইখন বুটলি ললে।

মোৰ বলেগ এটা দিনৰ কথা মনত পৰি গ'ল। মনত পৰিল আষ্টাৰিটাই মোৰ হাতত গুজি দিয়া টকাখিনিয়ে মোক কি ভীষণ উত্তেজিত কৰি তুলিছিল। মনে মনে ভাবিলো মাক ঠিক সেই একে অনুভাবনা আৰু লোভৰ বাবে ঘৃণা কৰাৰ কোনো অধিকাৰ মোৰ নাই।

পিচদিনা গিচেলাই লগ পাওঁতেই কোনো ভূমিকাৰ অৱতাৰণা নকৰি পোনে পোনেই কলে, 'তোমাৰ এটা খবৰ আছে।'

'যদি বেয়া কিবা খবৰ হয় অনুগ্ৰহ কৰি মোক নোকোৱাই ভাল।' গিচেলাৰ কথাত এক অমঙ্গলৰ পূৰ্বাভাসত মই অলপ বিবৰ্ণ হৈ পৰিছিলো।

'বেয়া খবৰো নহয়, ভাল খবৰো নহয়। এটা খবৰহে মাত্ৰ। মানে মই তোমাক আগেযে কৈছো যে আষ্টাৰিটা—'

'আষ্টাৰিটা তাৰ নাম মোৰ আগত নলবা।'

'ধেৎ, ল'ৰা-ধেমালি নকৰিবা। অষ্টাৰিটা এজন গণ্যমান্য লোক। অজস্ৰ ধন-সম্পত্তিৰ মালিক।'

'তাত মোৰ কি হল?'

'সকলো সময়তে বক্ বক্ নকৰিবা। শুনা, আষ্টাৰিটাই তোমাক এবাৰ মন্ত্ৰণালয়ত দেখা কৰিবলৈ কৈছে। তোমাৰ সতে হেনো তাৰ কথা আছে। প্ৰেমৰ কথা নহয়। কিবা দৰকাৰী কথা তোমাক জনাবলৈ বিচাৰিছে।'

'দৰকাৰী কথা মানে '

তোমাৰ ভালৰ বাবেই।'

আষ্টাৰিটাৰ আমন্ত্ৰণ গ্ৰহণ কৰিম নে নাই ভাবি একো ঠিক কৰিব নোৱাৰি কৈ পেলালো, 'বাৰু, মই তাৰ সতে দেখা কৰিম।'

মোৰ মুখৰ বিবৰ্ণ অৱস্থা দেখিয়েই সম্ভৱ হঠাতেই গিচেলাই সুধিলে, 'কি হল ? তুমি ভয় খাইছা নেকি ?'

'নাই নাই। ঠিক আছে—মই যাম।'

'স্বৰাষ্ট্ৰ বিভাগত তাক পাবা। চুপাৰ চিনেমাৰ বিপৰীতে। ৰাতি-পুৱাৰ ভাগত লগ ধৰাই ভাল।'

সিদিনা ৰাতি মোৰ ভালকৈ টোপনি নহল। ভাবিলো, নিজৰ কামনা চৰিতাৰ্থ কৰাৰ বাহিৰে মোক মাতি পঠিওৱাৰ ত ৰ আন কি উদ্দেশ্য থাকিব পাৰে বাৰু।

হঠাতেই আষ্টাৰিটাক মোৰ হিংস্ৰ জঘন্য পশুৰ দৰে লাগি গ'ল আৰু মনত হল মই যেন ছুৰি এখন লৈ গৈ আষ্টাৰিটাৰ পেশীবহুল ডিঙিত মোৰ সকলো ক্ষমতা প্ৰয়োগ কৰি বহুৱাই দিছো। জানিছিলো, সেযা আছিল মোৰ পীড়িত মনৰ স্বপ্নবিলাস।

আষ্টাৰিটাৰ সতে দেখা কৰিলো। হোটেলত সিদিনা তাক লগ পাইছিলো বিশ্ৰী কুৎসিৎ আৰু অৰ্দ্ধ উন্মাদ হিচাপে আৰু আজি বেছ সুসংযত। ভদ্ৰ।

মোৰ পিনে প্ৰেমাতুৰ দৃষ্টিৰে কিছু সময় চাই থকাৰ পিছত আষ্টাৰিটাই মাত লগালে' 'অ, তুমি আহিছা '

'অঁ, মই আহিছো। হয়তো মোৰ অহা উচিত নাছিল। তোমাৰ কি কবলগীযা আছে কোৱা।'

'আহা, ইয়াত বহা।' প্ৰশস্ত আটকধুনীয়া চোফা এখন মোক বহিবলৈ দি সিও মোৰ কাষতে বহিল।

'কোৱা তোমাৰ কি কবলগীয়া আছে।'

'মিছাতেই খৰধৰ কৰিছা, কিয়। অলপ বহাচোন। তেনে কোনো দৰকাৰী কথা নাই। মই মাথো তোমাক চাবলৈ বিচাৰিছো।'

'তুমি কি কব খুজিছা।'

'মই তোমাক ভালপাওঁ। খুউব ভালপাওঁ। তুমি মোৰ লগত থাকিবা মোৰ স্ত্ৰীৰ দৰে মোৰ লগত '

'অ, এই বাবেই তুমি মোক ইযালৈ মাতি আনিছা ?' হঠাতেই আকৌ তাক উন্মাদৰ দৰে লাগি গ'ল মোৰ।

'তুমি জানো নিবিচৰা টকা-পইচা '

'এই বিষয়ে আৰু কোনো কথা কৈ লাভ নাই।' মই কলো।

মোৰ কথা শুনি এইবাৰ সি মুখ বন্ধ কৰিলে।

ক্ষন্তেক নীৰৱতাৰ পিছত সি মাত লগালে, 'তোমাক এটা কথা কবলগীয়া আছে।'

ক্ষীণ কণ্ঠেৰে মই সুধিলো, 'কি কথা ?'

'ভয় নাখাবা। মোৰ কথা নহয়। তোমাৰ প্ৰেমিকৰ কথা।'

মই নীৰৱে ৰলো।

'তাৰ নাম জিনো মলিনাৰী নহয জানো ?'

'অঁ।'

'কিন্তু—কিন্তু জিনো যে বিবাহিত জানা নে নাই ? আৰু যদি জানিবলৈ ইচ্ছা কৰা তাৰ পত্নীৰ নামটোও কওঁ শুনা। এণ্টোনিযেটা পাৰ্টিনি। স্বৰ্গীয় এমিলিও আৰু ডিওম্ৰিৰা লাভগনাৰ কন্যা। সিহঁতৰ বিযা হবৰ আজি চাৰি বছৰ হৈ গৈছে। অঁ—সিহঁতৰ সন্তান এটিও নাছে। মাৰিযা তাইৰ মাম। বৰ্তমান তাৰ পত্নী মাকৰ সৈতে অৰভিযেটাত আছে।

মই কোনো কথা নোকোৱাকৈ তাৰ পৰা গুচি আহিলো। মই মোৰ জীৱনৰ কাঢ অনিশ্চযতা হৃদয়ংগম কৰিলো। মোৰ মনত হল

যেন এখন নদীৰ গতিক কিছুদিনৰ বাবে কৃত্রিম উপায়েৰে ভিন্ন পথেৰে চালিত কৰা হৈছিল।

জিনোৰ ছলনাৰ কথা ভাবিলো। তাক দোষাৰোপ কৰাৰ কথা সপোনতো কিন্তু ভাবিব পৰা নাছিলো। তাৰ কোনো ক্ষতি সাধন কৰাৰ ইচ্ছাও মোৰ মনত বাহ লোৱা নাছিল। মোৰ কেবল মনত হৈছিল সি দুষ্ট নহয়, বদমাইচ নহয়, সি মাথো দুৰ্বল।

জিনোৰ প্রতি মোৰ কোনো বিদ্বেষ জগা নাছিল। কিন্তু মই অনুভৱ কৰিছিলো মোৰ অন্তৰৰ বহু কিছুই চিৰকালৰ বাবে চুৰমাৰ হৈ যোৱাৰ বেদনা। জিনোৰ প্রতি মোৰ শ্রদ্ধা, সংসাৰ ৰচনা কৰাৰ আশা, গিচেলা আৰু মাৰ ধাৰণা অভ্রান্ত বুলি স্বীকাৰ নকৰাৰ বাসনা, মোৰ ধৰ্মীয় বিশ্বাস—বহু কিবাকিবিযেই যেন মই হেৰুৱাইছিলো।

মোৰ অস্বাভাৱিক দুশ্চিন্তা মাই লক্ষ্য কৰিছিল। কিন্তু মাক মই ফাকি দিছিলো। এদিন মাক মই মনৰ কথা জনাই দিলো: 'মই আৰু ষ্টুডিঅ'লৈ নাযাওঁ। মডেলৰ কাম নকৰো।'

'তোমাৰ বিয়াৰ খৰচ যোগাব কোনে?'

'তুমি একো চিন্তা কৰিব নালাগে মা। টকা-পইচা সকলো যোগাৰ হৈ যাব।' মই শান্ত আৰু ক্ষীণ কণ্ঠেৰে কৈছিলো।

জিনোৰ সতে এবাৰ দেখা কৰিবলৈ যাম বুলি ভাবিলো। কিন্তু বহুত ভাবি-চিন্তি নগ'লো। নগ'লো কাৰণ মোৰ যন্ত্রণা তেতিয়াও প্রশমিত হোৱা নাছিল। আৰু উত্তেজনা বশত তাক চৰম ৰূঢ় কিবা কোবাটো উচিত নহব বুলিযেই মোৰ মনত হৈছিল। যন্ত্রণাদায়ক উত্তেজনাত অহেতুক কিবা এটা ঘটি যোবাৰ ভয়তেই তাৰ সতে দেখা কৰিবলৈ নগ'লো। মাথো গোটেই দিনটো শুই শুই ভাবিলো গিচেলা আৰু মাৰ উপদেশেই ফলৱতী হওক। ৰূপৰ বলত ইচ্ছা কৰিলেই মই বহুত কিবাকিবি লাভ কৰিম পাৰিম। মই আষ্টাৰিটাৰ কথা ভাবিলো।

ভাবিলো, আন পুৰুষকো মই বিচাৰিম মোৰ সতে আনন্দ উপভোগ কৰিবলৈ, যি জনে মোক আষ্টাৰিটাতকৈও বহুত বেছি টকা দিব।

আৰু এটা সময়ত মই বাৰ এখনলৈ গৈ জিনোক ফোন কৰিলো।

'কেতিয়া তোমাৰ সতে দেখা কৰিম ?' জিনোই সুধিলে।

'যেতিয়া তোমাৰ ইচ্ছা। কিন্তু মোৰ ইচ্ছা কি জানা ?'

'কি ? কোৱা।'

'প্ৰথমবাৰৰ দৰে তোমাৰ মালিকৰ অনুপস্থিতিত তোমাৰ মালিকৰ ঘৰটোতে তোমাক লগ পাবলৈ বিচাৰো।'

'তেনেহলে আৰু দহদিন অপেক্ষা কৰিব লাগিব। দহ দিন পিছতহে খৃষ্টমাষ্টৰ ছুটি উপভোগ কৰিবলৈ মালিক ক'ৰবালৈ যাব।'

'তেতিয়াই আমি মিলিত হম।' মই কলো। লগতে জিনোক জনাই দিলো, 'জানা, জিনো, মই মডেলৰ কাম এৰি দিছো।'

'কিয় ?' জিনোই সুধিলে।

কলো, 'মোৰ আৰু ভাল নালাগে। তুমি নিশ্চয় এতিয়া খুচী হৈছা, নহয়নে ?'

সাত

সিদিনাই গিচেলাৰ ঘৰত গৈ ওলালোঁ। তাই তেতিয়া ৰিকাৰ্ডোৰ ওচৰলৈ যাবৰ বাবে সাজ-পাৰ পিন্ধাত ব্যস্ত হৈ আছিল। মই গিচেলাক জিনোৰ পত্নী আৰু সন্তানৰ কথা কলো আৰু আষ্টাৰিটাৰ লগত মন্ত্ৰণালয়ত দেখা কৰাৰ কথাও কলো।

'আচ্ছা।' মোৰ কথা শুনি গিচেলাই চিঞৰি দিলে। বুজিব পৰা নাছিলো তাইৰ সেই চিঞৰ আনন্দৰ আছিল নে বিস্ময়ৰ।

তাৰপিছত মোৰ চকুলৈ চাই তাই কলে, 'নহয নহয়, মোৰ বিশ্বাস নহয। পত্নী আৰু এটি সন্তান '

ক্ষন্তেক নীৰৱতাৰ পিছত তাই পুনৰ মাত লগালে, 'তোমাৰ দুখ লগা নাই? আহ, চোৰাচোন কি জঘন্য কথা। চব পুৰুষেই বদমাচ। তোৰ দৰে এজনী ছোৱালী '

'মই যে এইবোৰ কথা জানিব পাৰিছো জিনোই এতিয়াও নাজানে।'

'তুমি তাক এবো কোৱা নাই?'

'দহ দিন মান পিছতহে তাৰ লগত দেখা কৰিম। তেতিয়া জিনোৰ মালিকৰ ঘৰত হেনো কোনো নাথাকিব।'

'বাহ, ইমানখিনি হোৱাৰ পিছতো এতিয়াও তাক তোমাৰ ভাল লাগে। মই হোৱাহেতেন তাক এপালি দিলোহেতেন। তোমাকতো ইমান দিনে সি এই বিষয়ে একো কোৱাই নাছিল।'

মই মনে মনে থাকিলো। গিচেলাই কোমল স্বৰেৰে এইবাৰ আষ্টাৰিটাৰ কথা উলিয়ালে। কলে, 'বুইছা, আষ্টাৰিটা কিন্তু তোমাৰ প্ৰেমত পাগল। তাৰপৰা তুমি যি বিচৰা তাকেই পাবা।'

'তাৰ কথা নকৰা গিচেলা। তাৰ বাহিৰে আন যি কোনো পুৰুষৰ তালৈ '

'মানে তোমাক সাহায্য কৰিব পাৰে তেনে কোনো পুৰুষকে তুমি বিচৰা।'

মই মূৰ দুপিয়ালোঁ।

'বচ, মোৰ ওপৰত চব এৰি দিয়া। চব ঠিক হৈ যাব।' গিচেলাৰ মুখত যেন কিবা এক বিজয়ৰ চিহ্ন পৰিস্ফুট হৈ উঠিছিল।

'জানা, মোৰ মনত হয় তোমাক জিনোই যেনেকৈ প্ৰতাৰণা কৰিছে ৰিকাৰ্ডোও মোৰ সতে তাকেই কৰিছে।'

'সিও বিবাহিত নেকি ?'

'বিবাহিত নহয়। নহলে কি হব। সি দেখোন মোক ঘূৰাই আছে।

মই একো নকলোঁ। কাৰণ মই ভালকৈ জানিছিলোঁ মোৰ আৰু জিনোৰ সম্পৰ্কৰ সতে গিচেলাৰ আৰু ৰিকাৰ্ডোৰ সম্পৰ্কৰ পাৰ্থক্য আছিল। মই ভালকৈ জানিছিলোঁ ৰিকাৰ্ডোক লাভ কৰাৰ কোনো বাসনাই তাইৰ নাছিল। আনপিনে মই মোৰ বিশুদ্ধ মনৰ সকলো আশা লৈ জিনোৰ সতে সুখৰ নীড় ৰচনা কৰাৰ সপোন সদায়েই দেখিছিলোঁ।

সকলো কথা তাক খুলি কবলৈ ইচ্ছা গৈছিল। কিন্তু সাহস গোটাব পৰা নাছিলোঁ। মাই সঁচাকৈয়ে মোক ভাল পাইছিল। জানিছিলোঁ অৱশেষত মাৰ কথা মিলি যোৱাত মাই আনন্দতকৈ দুখ হে পাব বেছি।

পিচদিনা জিনোৰ সতে এপয়েণ্টমেণ্টৰ ভাও জুৰি গোটেই দুপৰীয়াটো বাহিৰত কটাই দিলোঁ। মাৰ সন্দেহ জগা সত্ত্বেও মোক আমনি নকৰিলে। বিয়াৰ বাবে সাজু কৰি থোৱা পোছাকযোৰ

উলিযাই ভাবিলো এইটো এদিন নহয় এদিনতো পিন্ধিবই লাগিব। আজিতকৈ আনন্দৰ দিন সম্ভৱ আৰু নাহিব। সেয়ে মই সেই পোছাকযোৰ পিন্ধিলো। আৰু গিচেলাৰ কথা মতে পোনে পোনে কনফেকচনাৰিলৈ গ'লো। তাত গৈ মধ্যবয়স্ক ব্যৱসায়ী এজনৰ লগত গিচেলাক লগ পালো। গিচেলাই মোক মানুহজনৰ সতে পৰিচয় কৰাই দিলে। মানুহজনৰ নাম গিয়াচিনতি।

কিছুসময়ৰ পিছত আমি কনফেকচনাৰি ত্যাগ কৰিলো। বাটলৈ ওলাই আহি গিয়াচিনতিয়ে কলে, 'গিচেলা, যদিও এই সন্ধিয়াটি আদ্রিযানাৰ, তুমিও কিন্তু আমাৰ লগত ভোজনত যোগদান কৰিব লাগিব।'

'নাই নাই, ধন্যবাদ ভাই। মই এজনক কথা দিছো। তোমালোকক এৰি দিলা।' কথাখিনি কৈযেই গিচেলা গুচি গ'ল।

গিচেলা যোৱাৰ লগে লগে মই গিয়াচিনতিক কলো, 'খুব ভাল ছোৱালী।'

'বেয়া নহয। চেহেৰাটো ভাল।'

'তুমি তাইক পচন্দ নকৰা ?'

'মোৰ পচন্দমত কাকো প্রযোজন হয। যাৰ যি কাম ভাল ভাৱে কৰিলেই হল।'

আমি গৈ এখন ৰেস্তোৰাঁত সোমালো। ৰেস্তোৰাঁত গিযাচিনতিৰ দৰে মানুহৰ ভিৰ।

বয এজনৰ হাতত টুপী আৰু ওভাৰকোটটো দি গিয়াচিনতিয়ে সুধিলে, 'আমাৰ টেবিলখন খালি আছেতো ?'

'আছে চাহাব।' বযটোৱে কলে।

খিৰিকীৰ কাষৰ টেবিলখন আমি অধিকাৰ কৰি বহিলো। আনন্দমনেৰে গিয়াচিনতিয়ে মোৰ হাত এখন নিজৰ হাতৰ মাজত লৈ সুধিলে, 'ভোক আছে নে নাই ?'

'আছে ছাগে।' 'মই হাঁহি হাঁহি কলো।'

ওৱেটাৰে গিয়াচিনতিৰ কথামতে বহুত কিবাকিবি দি গ'ল। মোৰ একো খাবলৈ মন নগ'ল। মনে মনে ভাবিলো—জীৱনত এই প্ৰথম অচিনাকি মানুহ এজনৰ লগত ভালপোৱাৰ অভিনয় কৰিব লাগিব। আজি ৰাতি গিয়াচিনতিক মোৰ সৰু ঘৰখনলৈ লৈ যাব লাগিব যিটো ঘৰ মই অন্যভাৱে ব্যৱহাৰ কৰিবলৈ মনস্থ কৰিছিলো। ভাবিলো, মই কিমান হতভাগিনী। ভাগ্যই প্ৰথমৰ পৰাই মোৰ কোনো সপোন সাৰ্থক কৰি নুতুলিলে। মোক আচবাবপত্ৰৰ মাজত গিয়াচিনতিৰ অৱস্থিতিয়ে সম্ভ্ৰান্তকৰ সাধাৰণ জীৱনৰ স্বপ্নক চিৰতৰে বিলুপ্ত কৰি দিব।

'তুমি ইমান মন মাৰি আছা যে? কি ভাবিছা?' গিয়াচিনতিয়ে মৰম-সিহলি কণ্ঠেৰে সুধিলে।

'—নাই, ক'ত '

'মই কিন্তু মন মাৰি থকা মুখ ছুচকুৰে দেখিবই নোৱাৰো। মোৰ লগত থকাসময়খিনিত কিন্তু তোমাৰ চিন্তা-ভাবনা দূৰত আঁতৰাই ৰাখিব লাগিব। মই তোমাৰ বিষয়ে একো জানিবলৈ নিবিচাৰো। তোমাৰ সতেতো মোৰ বন্দবস্ত হৈয়েই গৈছে। মই তোমাৰ হাতত কিছু টকা গুজি দিম আৰু বিনিময়ত আজি ৰাতিটো তুমি মোৰ লগত কটাই দিবা।'

মোৰ অন্তৰ্দ্বন্দ্বৰ ভাব প্ৰকাশ নকৰি কলো, 'নাই, নাই, একো ভবা নাই। ইয়াত ইমান হৈ-চৈ আৰু গোলমাল মোৰ ভাল লগা নাই। অসুস্থ বোধ কৰিছো।'

'তেনেহলে আমি ইয়াৰ পৰা উঠো, কি কোৱা?' বেচ আগ্ৰহেৰে গিয়াচিনতিয়ে সুধিলে।

'অঁ।' মই মূৰ ডুপিয়ালো।

গিয়াচিনতিয়ে ওৱেটাৰক মাতি বিলৰ পইচা দিলে আৰু দুয়ো ৰেস্তোৰাঁৰ পৰা ওলাই আহিলো।

'তেনেহলে আমি এতিয়া কোনোবা এখন হোটেললৈ যাওঁ।' ৰেস্তোৰাঁৰ পৰা ওলাই আহিয়েই গিযাচিনতিযে কলে।

'নাই নালাগে। মোৰ ঘৰলৈকে ব'লা।'

এখন টেক্সী ললো। ড্ৰাইভাৰক ঘৰৰ ঠিকনা কলো। গাড়ীৰ চকা ঘূৰাৰ লগে লগেই গিযাচিনতিযে মোক সাবটি ধৰি চুমা খাবলৈ আৰম্ভ কৰি দিলে।

'ৰ'বানা। ঘৰ গৈ পোৱালৈকে অলপ অপেক্ষা কৰা।'

ক্ষন্তেক পিছত গাড়ী আহি ঘৰৰ সন্মুখত ৰৈ গ'ল। দুয়ো নামিলো। টেক্সীখন বিদায় দিলো। গিয়াচিনতিক পোনে পোনে মোৰ শোৱনি কোঠালৈ লৈ গ'লো। শোৱনি কোঠাত তাক বহুৱাই থৈ মই মাৰ কোঠাটোত প্ৰৱেশ কৰিলো। মা তেতিয়া কিবা চিলাই আছিল। মোক দেখি চিলাইৰ কাম এৰি মা উঠিল, ৰাতিৰ আহাৰ সাজু কৰিবৰ বাবে।

মাক কলো, 'মই বাহিৰত খাই আহিছো মা। আন এজন মোৰ লগত আহিছে। মোৰ কোঠালৈ নাহিবা।'

'আন এজন?' মাই অবাক হৈ সুধিলে।

'অঁ, জিনো নহয। আন এজন ভদ্ৰলোক।' আৰু কোনো প্ৰশ্নৰ বাবে অপেক্ষা নকৰি মই মাৰ কোঠাৰ পৰা ওলাই আহিলো।

মোৰ শোৱনি কোঠালৈ উভতি আহি দুৱাৰত খিলটো লগাই দিলো। অধৈৰ্য হৈ গিযাচিনতিযে মোক সাবটি ধৰিলে আৰু লাহে লাহে মোক বিবস্ত্ৰ কৰিবলৈ চেষ্টা কৰিলে।

'তোমাৰ মাই জানে?' সি সুধিলে।

'ওঁ।' সহজভাৱেই মই উত্তৰ দিলো।

'তেওঁ একো নকয়?'

'উহু।'

'তেওঁ বেয়া নাপায়?'

'বেয়াও নাপায়, ভালো নাপায।'

মই বিচনাত দীঘল দি শুই পৰিলো। মোৰ যৌৱনে গিয়াচিনতিক পাগল কৰি তুলিছিল। সি মোৰ ওপৰত জপিযাই পৰিল। হঠাৎ এটি লজ্জাকৰ অনুতাপত আলোড়িত হৈ মই চকুযুৰি মুদি দিলো।

যোবাৰ সময়ত গিয়াচিনতিযে এসোপা নোট মোৰ হাতত গুজি দিলে। মই হাত পাতি টকাখিনি গ্ৰহণ কৰিলো।

মোৰ মনত হল এযাই যেন মোৰ বৃত্তি আৰু এই বৃত্তি গ্ৰহণ কৰিবলৈয়ে মোৰ জন্ম হৈছে। যদিও মই হৃদযৰ গভীৰত অন্য কিবা বিচাৰিছিলো। অৱশেষত মাৰ ওপৰত কেনে ধৰণৰ প্ৰতিক্ৰিয়া হয চাবলৈ মই চিঞৰি দিলো—'মই গণিকা, মই পতিতা।'

কিন্তু কোনো প্ৰতিক্ৰিযাই বুজিব নোৱাৰিলো।

আঠ

তাৰপিছত প্ৰায় প্ৰতিদিনাই মই গিযাচিনতিৰ সতে মিলিত হৈছিলো।

বিবাহিত জীবন সম্বন্ধে অৱশ্যে মোৰ দুৰ্বলতা অপৰিৱৰ্তিত আছিল।

গিযাচিনতিৰ পৰা পোৱা টকাবোৰ মই অলপ মোৰ বাবে ৰাখি বাকী মোৰ মাক নোকোৱাকৈ যিটো দেৰাজত মাই টকা জমাইছিল তাত থৈ দিছিলো। এইদৰে টকা বাঢ়ি যোবাটো মাই লক্ষ্য কৰিছিল।

জিনোৰ সতে মিলিত হোবাৰ নিৰ্দিষ্ট দিনটো আহি পালত মই তাৰ সতে দেখা কৰিলো। সি মোক তাৰ মালিকৰ ঘৰলৈ লৈ গ'ল। ঘৰত সোমাযেই দুবাৰখন বন্ধ কৰি দিলে। তেতিযা সন্ধ্যা সমাগত প্ৰায়। শীতকালৰ সন্ধ্যা সোনকালেই নামে।

'আজি কিন্তু তোমাৰ শোৱনি কোঠাত নোসোমাওঁ।'

'কিয ?'

'তোমাৰ গৃহকৰ্ত্ৰীৰ কোঠালৈ ব'লানা।'

'তালৈ কিয ?'

'এনেয়ে এটা খেযাল হল। ব'লানা।'

'নাই নাই, তালৈ যাব নালাগে।'

'বাহ, মই তোমাৰ প্ৰায়িনী আৰ মোৰ এটা মাত্ৰ আবদাৰ তুমি ৰক্ষা নকৰিবা ? তুমি ভয় খাইছা তোমাৰ গৃহকৰ্ত্ৰী য'ত শোৱে মই তাত শুম বুলি, য'ত তেওঁ মূৰ থয় মযো তাত মূৰ থম বুলি। কিন্তু তুমি জানো ভাবা যে মই তেওঁতকৈ কম ধুনীয়া।'

'নাভাবো, কিন্তু—'

'মই তেওঁতকৈ হাজাৰগুণে ধুনীয়া। মই তোমাৰ গৃহকৰ্ত্ৰীৰ বিচনাত শুম বুলি ভয় কৰিছা ? বাৰু মই যাওঁ তেনেহলে।'

'ৰ'বা। কলৈ যোৱা। ব'লা তোমাৰ যেতিয়া ইচ্ছা ওপৰলৈয়ে ব'লা।'

অভিমান কৰাৰ ভাও জুৰিয়ে থাকিলো। তাৰপিছত মাস্তি হৈ ওপৰ মহলালৈ উঠিলো। মই পোনে পোনে বিচনাখনত গৈ শুই পৰিলো। জিনোই আহি মোৰ কাষতে বহিল।

জিনোক সাবটি ধৰি মই কলো, 'জিনো, কল্পনা কৰাচোন আমাৰ যেতিয়া এখন ঘৰ হব তেতিয়া কিমান ভাল লাগিব।'

মই নিজেই নাজানো কিয় মই এই কথাবোৰ কলো।

জিনোই কলে, 'নিশ্চয়।'

তাৰপিছত সি মোক সজোৰে তাৰ গাৰ মাজলৈ হেঁচি ধৰি চুমা খালে। মোক আদৰ কৰিলে। তাৰ আদৰ আৰু চুম্বনত মোৰ স্নায়ুবোৰ ইমান বেছি উত্তেজিত হৈ পৰিল যে মোৰ আন্তৰিক অনিচ্ছাক পৰাভূত কৰি পেলালে। জিনোক সাবটি ধৰি মযো আন্তৰিকতাৰে কলো, 'ও জিনো।'

ক্ষন্তেক নীৰৱতাৰ পিছত মই মাত লগালো, 'তেনেহলে জিনো, তোমাৰ পত্নীৰ নাম এন্টোনিযেটা পাৰ্টিনি।'

'কি ক'লা ?' জিনোই অস্বস্তি বোধ কৰিছিল।

'তোমাৰ সৰু ছোৱালীজনীৰ নাম মাৰিয়া। নহয় জানো ?'

সি হয়তো প্ৰতিবাদ কৰিলেহেতেন কিন্তু মোৰ চকুৰ পিনে চাই বুজিব পাৰিছিল যে কোনো লাভ নাই।

মুখখন তাৰ মুখৰ আৰু কাষলৈ নি কলো, 'তুমি ইমান মিছা কথা কিয় কৈছিলা ? কিয় তুমি মোক ইমান ফাকি দিছিলা ?'

'কাৰণ মই তোমাক ভালপাওঁ। খুব ভালপাওঁ।' কোমল কণ্ঠেৰে জিনোই কলে।

'যদি সঁচাকৈয়ে মোক ভাল পাইছিলা তেনেহলে তুমি জানো এবাৰো ভবা নাছিলা যে এদিন যেতিয়া মই সকলো কথা জানিব পাৰিম তেতিয়া মই কিমান দুখ পাম। মই সপোনতো ভবা নাছিলো তুমি মোক এনেকৈ ফাকি দিবা বুলি।'

জিনো নীৰবে ৰল। তাৰ মুখত মাত নাই।

বিচনাৰ পৰা উঠি গৈ মই বাথৰুমত সোমালো। গা ধুই উঠি কাষৰ কোঠাটোত গৈ কাপোৰবোৰ পিন্ধি ললো। তাৰপিছত সোণ আৰু মণি-মুকুতা খোদিত ড্ৰেছিং টেবিলৰ সম্মুখত গৈ থিয় দিলো। নানা ধৰণৰ ব্ৰাচ আৰু বহুবিধ প্ৰসাধনীয় সামগ্ৰীৰ মাজত এটা ধুনীয়া কম্পাক্ট মোৰ চকুত পৰিল। সেইটো হাতত তুলি লৈ ভালকৈ চালো। খাঁটি সোণৰ যেন লাগিল। হঠাতেই মোৰ ভাব হল মইতো এতিয়া যি ইচ্ছা তাকেই কৰিব পাৰো। এনেকি চুৰিও কৰিব পাৰো। ভেনিটি বেগটো খুলি সেইটো বেগৰ ভিতৰত ভৰাই থলো। আৰ মই কি যেন এক ইন্দ্ৰিয়সুখ অনুভৱ কৰিলো। তেনেধৰণৰ দামী কম্পাক্টৰ মোৰ কোনো প্ৰয়োজনেই নাছিল। কিন্তু সেইটো চুৰ কৰি মই মোৰ বৰ্তমান জীৱনৰ গতি নিৰ্দ্ধাৰক যুক্তিকেই যেন মানি ললো।

ইতিমধ্যে জিনোই মনোযোগেৰে নিখুঁতভাৱে বিচনাখন ঠিক কৰিলে। যিবোৰ বস্তু অলপ ইফাল-সিফাল হোৱা যেন তাৰ মনত হৈছিল সেইবোৰ ঠিক কৰি থলে।

ৰাতি ইতিমধ্যে ভালেখিনি হৈছিল। সেয়ে মই আহিবলৈ ওলালো। জিনোই মোক আগবঢাই থবলৈ ওলাল।

গাড়ীখনে যেতিয়া চহৰৰ মাজেৰে গতি ললে তেতিয়া মোৰ বুকুৰ গভীৰৰ পৰা এক গভীৰ ক্ৰন্দন ওলাই আহিল। মই উচুপি উচুপি কান্দিলো। আৰু এই প্ৰথম, কান্দোতে কান্দোতে মোৰ জিনোৰ প্ৰতি ক্ৰোধ উপজিল। বহুত কথাই জিনোক কবলৈ মন গৈছিল। মন গৈছিল বহুত প্ৰশ্ন কৰিবৰ। কিন্তু মই তাক একোকে কব

নোৱাৰিলো। ফুগালেদি মাথো বৈ আহিল তপত চকুলো।

গাড়ী আহি যেতিয়া ঘৰৰ সমুখত ৰৈ গ'ল মই গাড়ীৰ পৰা নামি জিনোৰ পিনে হাত এখন আগবঢাই দিলো।

জিনোই সুধিলে, 'পুনৰ কেতিয়া লগ পাম ?'

কলো, 'তোমালৈ মই ফোন কৰিম।'

জিনোৰ মুখত আশাৰ আভাস ফুটি উঠিল কিন্তু মোৰ চকুত চকুলো দেখি সি অবাক হৈ গ'ল।

কিন্তু মই তাক কোনো কথা ক'বৰ সুযোগ নিদি জোৰ কৰি হাঁহি তাৰপৰা বিদায় ললো।

ন

দিনবোৰ ক্ৰমে পাৰ হৈ গৈ থাকে।

গিযাচিনতিৰ বাহিৰেও আন বহুত পুৰুষৰ সংসৰ্গলৈ আহিছিলো। ৰাতি ৰাস্তাত পুৰুষ চিকাৰ কৰিছিলো নতুবা গিচেলাই মোক ঠিক কৰি দিছিল।

মাই কোনো উদ্বেগ প্ৰকাশ কৰা নাছিল। ভাল খাদ্য খাই খাই দিনে দিনে মা শকত হৈ পৰিছিল।

মোৰ এই নতুন বৃত্তি এই নতুন জীবনযাত্ৰাৰ কথা গোপন নকৰিলো। জিনোক সকলো কথা এদিন খুলি কৈ দিলো।

এদিন ৰাতিপুৱা মোক টোপনিৰ পৰা মাতি দি মাই ফুচফুচাই কলে, 'তোমাৰ লগত দেখা কৰিবলৈ জিনো আহিছে।'

'তাক ভিতৰলৈ পঠিয়াই দিযা।' মই কোনো আগ্ৰহ প্ৰকাশ নকৰিলো।

মোৰ উত্তৰত হতাশ হৈ মাই খিৰিকীখন খুলি দি কোঠাৰ পৰা ওলাই গ'ল।

ক্ষন্তেক পিছতে জিনো মোৰ কোঠাত আহি প্ৰবেশ কৰিলে।

'শুনা, সিদিনা মোৰ গৃহকৰ্ত্ৰীৰ ড্ৰেচিং টেবিলৰ পৰা এটা তুলি অনা নাইতো?'

মই বুজিব পাৰিলো প্ৰতীক্ষিত মুহূৰ্তটো আহিছে।

'কিয? কিয় সুধিলা?'

'মানে—খুব দামী কম্পাক্ট এটা হেৰাইছে। সেইটো সোণৰ

আছিল। গৃহকৰ্ত্ৰীয়ে গোটেই ঘৰটো বিচাৰি চলাথ কৰিছে। যিহেতু ঘৰটো মোৰ তত্বাবধানত আছিল মনে মনে তেওঁ চাগে মোকেই সন্দেহ কৰিছে। ভাগ্যক্ৰমে তেওঁ উৰ্ভতি অহাৰ এসপ্তাহ পিছতহে তেওঁৰ নজৰত পৰিছে। সেয়ে কোনো পৰিচাৰিকায়ো নিব পাৰে বুলি তেওঁৰ মনত হৈছে আৰু মোক মুখ খুলি একো কোৱা নাই। নহ'লেতো ময়েই জবাব দিব লাগিলহেতেন।'

মোৰ বেয়া লাগিল। নিৰ্দোষী কোনোবাই হয়তো এতিয়া বিপদত পৰিব। সেয়ে মই সুধিলো, 'পৰিচাৰিকাবোৰক একো কৰা নাইতো?'

'নাই কৰা। অৱশ্যে পুলিচ বিষয়া এজন আহিছিল আৰু আমাক সকলোকে সোধ পোছ কৰিছে।'

কেইটামান মুহূৰ্ত ইতস্তত: কৰি মই কলো 'অঁ, মই নিছো।'

জিনোই একেথৰে মোৰ পিনে চাই ৰ'ল। তাৰ মুখমণ্ডলত ফুটি উঠিল এক বিৰক্তিকৰ ভাব।

'তুমি নিছা? সঁচাকৈ?'

'ওঁ।'

'জানা, ইয়াকেই চুৰি কৰা বুলি কয়?'

'ওঁ।' মই সহজভাৱেই উত্তৰ দিলো।

'সেয়েহে তুমি গৃহকৰ্ত্ৰীৰ শোৱনি কোঠালৈ যাবলৈ ইচ্ছা কৰিছিলা। এতিয়াহে বুজিব পাৰিছো। কিন্তু এইবোৰৰ সতে মই নিজকে জড়িত কৰিব নোখোজো। তুমি যদি চুৰি কৰিবলৈয়ে বিচৰা অন্য য'তে ইচ্ছা তাতে কৰা গৈ কিন্তু মোৰে শপথ মোৰ গৃহকৰ্ত্ৰীৰ ঘৰত নহয়। চুৰুণী, তোমাক যদি বিয়া কৰালোহেতেন তেনেহলে চুৰিৰ অপৰাধত চাগে ময়ো ধৰা পৰিলোহেতেন। হায়! মই এজনী চুৰুণীক বিয়া কৰাবলৈ ওলাইছিলো!'

মই বহি বহি মাথো জিনোক লক্ষ্য কৰিলো। তাৰ কথা শেষ

হোবাৰ পিছত মাত লগালো, ‘ইমান খং কৰিছা কেলেই ? সিহঁতে তোমাকতো চুৰি কৰিছা বুলি দোষাৰোপ কৰা নাই। সিহঁতে দুই এদিন হৈ-চৈ কৰিবই। তাৰপিছত সকলো কথা তল পৰি যাব। আৰু ভগবানেহে জানে তোমাৰ গৃহকর্ত্রীৰ কিমানবোৰ কম্পাক্ট আছে।

‘তুমি বাৰু চুৰি কৰিলা কিয় ?’

‘তুমি জানিব খুজিছা যেতিয়া কওঁ শুনা। সেই কম্পাক্টটোৰ মোৰ কোনো প্রযোজন নাছিল। কিন্তু ইচ্ছা কৰিলেই চুৰি কৰিব পাৰো বুলিযেই এই তেনে কৰিছিলো।’

‘তাৰ মানে ? তুমি কি কব খুজিছা ?

‘ৰাতি মই বাটত পুৰুষ চিকাৰ কৰি ফুৰো, সিহঁতক ঘৰলৈ লৈ আহোঁ। সিহঁতে মোক দেহাৰ বিনিময়ত পইচা দিযে। এই কাম যদি মই কৰিব পাৰো তেনেহলে যদি ইচ্ছা কৰো চুৰিও কৰিব পাৰো। পাৰো নে নাই ?’

‘তুমি চুৰিও কৰিব পাৰা। ঠিক আছে। কিন্তু তোমাক বিয়া কৰালে মযো তোমাৰ লগত ধৰা পৰি গ’লোহেতেন।’

‘তেতিয়া অৱশ্যে এই এই কাম নকৰিলোহেতেন। যেতিয়া মই জানিব পাৰিছা যে তুমি বিবাহিত, তোমাৰ ঘৰ-সংসাৰ আছে তেতিয়াৰ পৰাইহে আৰম্ভ কৰিছো।’

জিনোই চিঞৰি উঠিল, ‘নহয, সেযা কেতিয়াও নহয়। মোৰ গাত দোষ জাপি দিযাৰ চেষ্টা নকৰিবা। কোনোৱে গণিকা নাইবা চোৰ হব নোৱাৰে যদি সি নিজে তেনে হবলৈ ইচ্ছা নকৰে।

‘তোমাৰ বাবেইতো আজি মোৰ এই অৱস্থা।’

‘তোমাৰ যি ইচ্ছা কৈ থাকা। কিন্তু সেই কম্পাক্টটো মোক উভতাই দিযা নহলে হযতো মোৰ চাকৰিয়ে য’ব। মই সেইটো বাগিছাত পোৱা বুলি ক’ম।’

'তুমি এই কথা আগতে কোৱা নাই কিয় ? যদি এইটো পালেই তোমাৰ চাকৰি থাকে তেনেহলে লৈ যোৱা, সৌ দেৰাজত আছে ।'

জিনোই খৰধৰকৈ দেৰাজটো খুলি কম্পাক্টটো লৈয়েই পকেটত ভৰাই থলে ।

মই এনেযে সুধিলো, 'তুমি গাড়ী লৈ আহিছা ?'

'ওঁ ।' সি উত্তৰ দিলে ।

'মোৰ ওপৰত খং কৰিছা ?'

'নাই কৰা ।'

জিনো যা লৈ ওলাল । দুৱাৰমুখত ৰৈ সুধিলে, 'তুমি মোলৈ ফোন কৰিবা তো ?

'যোৱা যোৱা, একো নাভাবিবা ।'

নাজানো জিনোই মোক প্ৰতাৰণা কৰা সত্বেও কিয় যে তাক ভাল লাগিছিল ।

মোৰ জীৱনৰ এই পৰ্য্যায়ত আৰু এজন লোক মোৰ জীবনলৈ উভতি আহিল । মানুহজন আষ্টাৰিটা । টকাৰ বিনিময়ত আষ্টাৰি-টাকো মই দেহদান কৰিছিলো ।

মাজে মাজে মই মাথো ভাবিছিলো, কি এই জীৱন । ৰাতি এজন পুৰুষক ভালকৈ নজনাকৈয়ে ঘৰলৈ লৈ আহো । বিচনাত দুজনে দুজনক সাবটি ধৰো । জন্মশত্ৰুৰ দৰে যুঁজ কৰো । তাৰপিছত মোৰ হাতলৈ আহে কিছু টকা

হতাশাৰ স্বৰত চিঞৰি মই কেবল কৈছিলো : 'ভগবান, মোক ক্ষমা কৰা ।'

॥ দ্বিতীয় খণ্ড ॥

এক

এতিয়াৰ পৰা মই গিচেলাৰ বন্ধুত্বকৈ অংশীদাৰ হৈছিলো বুলি কব পাৰো। বিভিন্ন ঠাইত আমি মিলিত হৈছিলো। এদিন ৰাতি ৰেস্তোৰাঁ এখনৰ পৰা ওলাই আমি যেতিয়া ঘৰলৈ উভতিছিলো তেতিয়া মোৰ মনত হ'ল এখন গাড়ীয়ে যেন আমাৰ পিচ লৈছে।

মই গিচেলাক কলো, 'কোনোবা খৰিদ্দাৰ চাগে।'

গিচেলাই ৰুক্ষ স্বৰেৰে উত্তৰ দিলে, 'তোমাৰ যদি ভাল লাগে যোৱা। মই ঘৰত গৈ শুই থাকিম।'

ইতিমধ্যে গাড়ীখন কেঁকুৰি এটা ঘূৰি গতি কমাই আমাৰ কাষে কাষে আগুৱাই গ'ল। মই কেৰাহিকৈ চালো। মনে মনে দেখিলো গাড়ীত দুজন মানুহ বহি আছে।

মই গিচেলাৰ কাণে কাণে কলো, 'মই কি কৰিম? তুমি নগ'লে ময়ো নাযাওঁ।'

তাই গাড়ীখনৰ পিনে চাই কেইটামান মুহূর্ত ইতস্ততঃ কৰিলে। তাৰপিচত কলে, 'নাই, মই নাযাওঁ। তুমি যোৱা।'

'নহয়, তুমি নগ'লে ময়ো নাযাওঁ।'

গিচেলাই পুনৰ গাড়ীৰ পিনে চালে। আৰু হঠাৎ তাই মন স্থিৰ কৰি পেলালে।

'বেছ, আমি কিন্তু এনে ভাব দেখুৱাম যেন আমি একোৱেই বুজিব

পৰা নাই। আৰু আমি সিহঁতক বাগিছাৰ ৰাস্তালৈকে লৈ যাম। মই নিবিচাৰো যে ইমান সহজে সিহঁতে আমাক গাড়ীত তোলক।'

আমি আৰু কিছু দূৰ খোজ কৰি গ'লো। কিছু দূৰ যোৱাৰ পিছত গিচেলা এটি সৰু অন্ধকাৰ গলিত সোমাল। ময়ো পিছ ললো।

আমাৰ কাষেৰে লাহেকৈ পাৰ হৈ গাড়ীখন বৈ গ'ল। খিৰিকীৰে মুখ উলিয়াই গাড়ীৰ চালকজনে কলে, 'শুভ সন্ধ্যা।'

গিচেলাও বেচ সম্ভ্ৰমেৰে উত্তৰ দিলে, 'শুভ সন্ধ্যা।'

'কলৈ যাবলৈ ওলাইছা? আমি তোমালোকৰ সংগী হব নোৱাৰো নে?'

গিচেলাই সম্ভ্ৰম বজাই ৰাখি কলে, 'সেয়া নিৰ্ভৰ কৰে—' গিচেলা বৈ গ'ল।

মানুহজনে উৎসাহেৰে কলে, 'কোৱা, কৈ পেলোৱা। কিহৰ ওপৰত নিৰ্ভৰ কৰে?'

গিচেলাই গাড়ীৰ কাষলৈ গৈ দুৱাৰত হাত থৈ কলে, 'কিমান দিবা?'

'তোমালোকে কিমান বিচৰা?'

গিচেলাই এটা টকাৰ অংক কলে।

'বৰ বেছি।' মানুহজনে কলে। কাষত বহি থকা আনজন আৰোহীয়ে তাৰ কাণে কাণে ফুচফুচাই কিবা কলে। তাৰপিচত আমালৈ চাই মাত লগালে, 'ঠিক আছে, উঠা।'

চালকজন কাষত বহি থকা মানুহজন গাড়ীৰ পৰা নামি দুৱাৰ খুলি দি পিছৰ চিটত বহিল আৰু মোক তাৰ কাষত বহিবলৈ ইংগিত দিলে। গিচেলা চালকজনৰ লগত আগৰ চিটত বহিল।

চালকজনে গিচেলাক সুধিলে, 'কলৈ যাম?'

'আদ্ৰিয়ানাৰ ঘৰলৈ।' গিচেলাই তাক মোৰ ঘৰৰ ঠিকনাটো কৈ দিলে।

'ব'লা, আদ্রিয়ানাৰ ঘৰলৈকে ব'লা।' সি নিজকে নিজে কলে।

গাড়ীয়ে গতি ললে চহৰৰ মাজেৰে। মই নীৰৱে বহি কাষত গাতে গা লগাই বহি থকা মানুহজনলৈ লক্ষ্য কৰিলো। মোৰ দৰে সিও নীৰৱেই বহি আছিল। মোৰ মনত হ'ল মানুহজন লাজকুৰীয়া। মই তাৰ প্ৰতি আকৃষ্ট হলো। লাজুকতা দেখিলেই মই আলোড়িত হৈছিলো। কাৰণ এই লাজুকতাই মোক মনত পেলাই দিছিল জিনোৰ সতে পৰিচিত হোৱাৰ আগৰ দিনবোৰৰ কথা। গিচেলাই কিন্তু বকবক্ কৰিছিল। কাৰণ তাই ভদ্ৰভাবে অপ্ৰয়োজনীয় কথা-বতৰা পাতিবলৈ ভাল পাইছিল।

'এইখন তোমাৰ গাড়ী ?' গিচেলাই সুধিলে।

'ওঁ। তোমাৰ পচন্দ হৈছে ?'

'বেচ ভাল গাড়ীখন। কিন্তু মোৰ ভাল লাগে লাম্সিয়া কাৰ। মোৰ প্ৰণয়ীৰ এখন লাম্সিয়া আছে।'

কথাটো সঁচা। ৰিকাৰ্ডোৰ এখন লাম্সিয়া আছে। কিন্তু ৰিকাৰ্ডো কেতিয়াও তাৰ প্ৰণয়ী নাছিল।

মানুহজনে হাঁহি হাঁহি কলে, 'তোমাৰ প্ৰণয়ীৰ লাম্সিয়াখন ছাগে দুই চকাৰ।'

গিচেলা খুব স্পৰ্শকাতৰ আৰু সামান্য মাত্ৰ বিৰূপ মন্তব্যত ক্ষিপ্ত হৈ উঠিছিল।

'আমাক কি বুলি ভাবিছা কোৱাচোন ?'

'বুজিব পৰা নাই। তুমিয়েই কোৱানা। মই ভুল ঠাইতে ভৰি দিবলৈ ৰাজী নহয়।' মানুহজনে কলে।

গিচেলাৰ প্ৰতাৰণা কৰাৰ এটি পন্থা আছিল তাই যিটো নহয় সেইটো কোৱা। কেতিয়াবা নৰ্তকী, কেতিয়াবা টাইপিষ্ট কিম্বা কোনো সম্ভ্ৰান্ত ঘৰৰ ছোৱালী বুলি নিজৰ পৰিচয় দিছিল। তাই বুজিব পৰা

নাছিল যে নিজকে সহজলভ্য কৰাত আৰু লেনদেনৰ বেপাৰত টকাৰ কথাটো প্ৰথমে উত্থাপন কৰাত তাই তাইৰ সেই দাবীৰেই বিৰোধিতা কৰিছিল।

কৰ্কশ স্বৰেৰে গিচেলাই কলে, 'আমি দুয়ো ক্যাচিনি কোম্পানীৰ নৰ্তকী। আমি যাৰে-তাৰে লগত ঘূৰি ফুৰাত অভ্যস্ত নহয়। সঁচা কথা কবলৈ গ'লে তোমালোকৰ আমন্ত্ৰণ আমি গ্ৰহণ কৰিব খোজা নাছিলো। কিন্তু মোৰ সহচৰীয়ে কলে যে তোমালোকক দেখি ভদ্ৰ-লোক যেন মনত হৈছে '

মানুহজনে হাঁহি হাঁহি কলে, 'আমালোকতো ভদ্ৰলাক আৰু তোমা-লোক বাটৰ ছোৱালী '

'চুপ গিয়ানকাৰ্লো।' মোৰ কাষত বহি থকা মানুহজনে এই প্ৰথম কথা কলে।

আমালোকক বাটৰ ছোৱালী বোলাত মই ভাল নাপালো। কিন্তু কথাটোৰে সত্য। মই মনে মনে ব'লো।

গিচেলাই প্ৰতিবাদ কৰিলে, 'নহয়, সেয়া সঁচা নহয়। তুমি এটা অসভ্য।'

মোৰ কাষত বহি থকা মানুহজনে গিচেলাৰ পিনে চাই কলে, 'তাৰ কথাত কাণ নিদিবা। সি অলপ বেছিকৈ সুৰা পান কৰিছে।'

'নাই নাই, আমিতো কাজিয়া কৰা নাই। গিচেলাৰ আৰু অলপ কাষ চাপি বহি হাঁহি হাঁহি মানুহজনে কলে,'আহা ৰূপহী, মোৰ ওপৰত খং নকৰিবা, আমি সঁচাকৈয়ে দুযো দুয়োৰে বাবে সৃষ্ট।'

গিচেলাই মিচিকিয়া হাঁহি এটি মাৰি কলে, 'ময়ো ঠিক সেই কথাই ভাবিছিলো।'

পিছলৈ ঘূৰি চাই মানুহজনে কলে, 'পৃথিবীত মই সকলোতকৈ সুন্দৰ লোক, নহয়নে গিয়াকোমো?'

মই জানিব পাৰিলো মোৰ কাষত বহি থকা মানুহজনৰ নাম

গিয়াকোমো। মই গিয়াকোমোলৈ এনেয়ে এবাৰ দৃষ্টি নিক্ষেপ কৰিলো। তাৰ প্ৰতি ভীষণ আকৰ্ষণ এটা অনুভৱ কৰিলো।

এটা সময়ত গাড়ী আহি দুৱাৰমুখত ৰৈ গ'ল। গাড়ী ৰখায়েই গিয়ানকাৰ্লোই দুৱাৰ খুলি নামি গিচেলাক হাতত ধৰি নমালে। আমিও নামিলো। তাৰপিছত পোনে পোনে গৈ আমি ঘৰত সোমালো। গিয়ানকাৰ্লো মোৰ বিচনাখনতে গৈ বহিল। ক্ষন্তেক পিছতে সি কানি-কাপোৰ খুলিবলৈ আৰম্ভ কৰি দিলে। যেন নিজৰ ঘৰলৈ আহিছে। সি তাৰ সাম্প্ৰতিক অভিযান কাহিনী এটি শুনালে।

'এদিন কি হল জানা—।' সি আৰম্ভ কৰিলে: 'ছোৱালী এজনীক হোটেললৈ নিব খুজিলো। ছোৱালীজনীয়ে কলে, মই সঁচাকৈয়ে ভদ্ৰ-ঘৰৰ ছোৱালী। মই হোটেলেলৈ নাযাওঁ। মই তাইক কলো যে হোটেলত একো অসুবিধা নহয়। মই তোমাক মোৰ স্ত্ৰী বুলি চিনাকি দিম। তাই মান্তি হল। ময়ো তাইক স্ত্ৰী বুলি চিনাকি দি হোটেললৈ লৈ গ'লো। যেতিয়া তাইক সাবটি ধৰিলো তাই আপত্তি কৰিলে। তাই এটি দীঘল গল্পৰ পাতনি মেলিলে। তাইৰ হেনো অনুতাপ হৈছে। তাই সঁচাকৈয়ে ভদ্ৰঘৰৰ বোৱাৰী। মোৰ কিন্তু ধৈৰ্য্যৰ বান্ধ চিঙি গ'ল ফলত মই তাইৰ ওপৰত বলপ্ৰয়োগ কৰিবলৈ চেষ্টা কৰিলো। তাই খিৰিকী এখন খুলি খিৰিকীৰে জাপ মাৰি দিম বুলি ভয় দেখুৱালে। মই কলো বাৰু নালাগে জপিয়াব। মই একো নকৰো। তাৰপিছত তাই বিচনাত বহি এটা দীঘল কৰুণ কাহিনী কৈছিল। মনত নাই। মাথোঁ মনত আছে মই শুই পৰিছিলো আৰু মাজ ৰাতি সাৰ পাই দেখো—তাই নাই। মোৰ কাপোৰ-কানি ওলট-পালট হৈ আছে। পেণ্টৰ পকেটত হাত ভৰাই চাওঁ যে মানিবেগটো নাই। সম্ভ্ৰান্ত ঘৰৰ বোৱাৰী। কি কোৱা?' কথাখিনি শেষ কৰি সি হাঁহিবলৈ আৰম্ভ কৰিলে।

তাৰ হাঁহি ইমান সংক্ৰামক যে মই আৰু গিচেলাও হাঁহিবলৈ আৰম্ভ

কৰিলো। বিচনাৰ পৰা উঠি আহি সি গিচেলাক সাবটি ধৰিলে আৰু আমাৰ পিনে চাই প্ৰশ্ন কৰিলে, 'তোমালোক দুয়োই আৰু অপেক্ষা কৰিছা কিয়?'

মই গিয়াকোমোৰ পিনে চাই সুধিলো, 'কাপোৰ খুলিম—?'

'নাই নাই—নালাগে।'

'কাষৰ ঘৰলৈ যাবা?'

'ব'লা।'

মই তাক ক্ষন্তেক অপেক্ষা কৰিবলৈ ইংগিত দি কাষৰ কোঠাটোলৈ আহিলো। মা তেতিয়া মাজৰ টেবিলখনত বহি 'পেচেন্স' খেলি আছিল। মোক দেখা পাই কোনো কথা নোকোৱাকৈ মা তাৰ পৰা উঠি ৰান্ধনি ঘৰলৈ গ'ল। মই গিয়াকোমোক ইংগিতেৰে তালৈ মাতিলো।

সি আহি কোঠাটোত প্ৰবেশ কৰাৰ লগে লগে দুৱাৰৰ খিলটো লগাই দি দুয়ো গৈ চোফাত বহিলো। মই ভাবিছিলো সি মোক আদৰ-সাদৰ কৰিব, চুমা খাব। যেনেকৈ আনবোৰে কৰে। কিন্তু সি একোৱেই নকৰিলে।

মই কলো, 'মই দুঃখিত যে ব্যৱহাৰপোযোগী আম'ৰ এটাই মাত্ৰ শোৱনি কোঠা আছে।'

'মই জানো তোমাক কৈছোঁ যে মোকো এখন বিচনা লাগে?' কোমল্ল মাতেৰে গিয়াকোমোই কলে।

'নাই কোৱা সঁচা। কিন্তু মই ভাবিছিলো ' কথাখিনি শেষ নকৰি মই তাৰ নিচেই কাষ চাপি গ'লো।

'আহানা মোৰ কাষলৈ।'

সি অলপ কাষ চাপি আহিল। 'কি নাম তোমাৰ?' মোক সুধিলে।

'আদ্ৰিয়ানা।' মই উত্তৰ দিলো।

'মোৰ নাম গিয়াকোমো।' মোৰ হাতখন তাৰ হাতৰ মাজত তুলি লৈ সি কলে।

'আমি এতিয়া সম্ভোগ-সুখ উপভোগ কৰিম, নহয় জানো ?'

'ওঁ।'

'ধৰা মই যদি ইচ্ছা নকৰো ?'

'তেনেহলে মই তোমাৰ ইচ্ছাৰ বিৰুদ্ধে নাযাওঁ।'

মই সি ঠাট্টা কৰা বুলিয়ে ভাবিলো। সেয়ে এনেয়ে কলো, 'মোৰ ইচ্ছা নাই। অলপো।'

'বেচ, কোনো কথা নাই।' শান্তভাৱে সি মাত লগালে।

ক্ষন্তেক নীৰৱতাৰ পিছত মই কলো, 'তেনেহলে তোমাৰ বন্ধুৰ বাবে অলপ অপেক্ষা কৰা।'

'মই মিছাকৈয়ে তোমাৰ সময় নষ্ট কৰিলো। তুমি হয়তো আন কোনো লোকৰ সতে থাকিলে কিছু উপাৰ্জন কৰিব পাৰিলাহেঁতেন।' সি কলে।

মই নীৰৱে ৰলো। একো নকলো।

সিয়েই পুনৰ মাত লগালে, 'তুমি ভাল ছোৱালী, ৰাতিটো তোমাৰ বৃথাই যাবলৈ নিদিওঁ। মই তোমাক টকা দিম। এনেয়েই দিম।' কথাখিনি কৈয়েই পকেটত হাত ভৰাই কেইখনমান ভাজ কৰা নোট উলিয়াই সি টেবিলত থৈ দিলে।

মই বাধা দিলো। 'নাই নাই। নালাগে। তুমি অযথা টকা দিবা কিয় ?' মনে মনে অৱশ্যে টকাখিনি গ্ৰহণ কৰিবলৈ মই ইচ্ছুক আছিলো।

ক্ষন্তেক নীৰৱতাৰ পিছত গিয়াকোমোই মাত লগালে, 'ব'লানা ইয়াত এনেয়ে বৈ থকাতকৈ বাহিৰৰ পৰা অলপ ফুৰি আহোঁ।'

'কলৈ যাবা ?' মই সুধিলো।

'অলপ গাড়ীৰে এনেয়ে ফুৰি আহিম।'

মোৰ মনত পৰি গ'ল জিনোৰ সতে গাড়ীত ঘূৰি ফুৰাৰ কথা। খৰ-খৰকৈ কলো, 'নহয়, গাড়ীৰে নাযাওঁ।'

'তেনেহলে খোজকাঢ়িয়ে ব'লা। ওপৰত নিশ্চয় কোনো কাফে আছে।

'ব'লা।' মই ৰাজী হলো।

খটখটী বগাই নামি অহাৰ সময়ত মই তাক কলো, 'মনত ৰাখিবা, মোক তুমি যি টকা দিছা তাৰবাবে যি কোনো দিন দি কোনো সময়ত তুমি মোৰ ওচৰলৈ আহিবা পাৰিবা।'

'বাৰু, বাৰু '

এন্ধাৰ শীতৰ ৰাতি। আমি দুয়ো পিচ ঢলা ৰাস্তাইদি খোজ ললো। মোৰ মনত পৰিল, বহুতদিন হল আমোদ উদ্যানৰ পিনে যোৱা নাই। মই সাধাৰণতে উদ্যানৰ সোঁপিনৰ ৰাস্তাটোৰে গৈছিলো য'ত জিনোই মোৰ সতে মিলিত হৈছিল। সৰু কালত মাৰ লগত ফুৰিবলৈ যোৱাৰ পিচৰ পৰা মই লুনা পাৰ্কৰ পিনেও যোৱা নাছিলো। তেতিয়া আমি বাহিৰৰ পৰাই লুনা পাৰ্কৰ আলোকমালা আৰু সংগীত উপভোগ কৰিছিলো। ভিতৰত সোমোৱা নাছিলো। উদ্যানৰ সোঁপিনৰ প্ৰশস্ত পথৰ একাষে সৰু সৰু গম্বুজ থকা ভিলাবোৰ অৱস্থিত। যিবোৰৰ খোলা খিৰীকিৰে মই সুখী এটি পৰিয়ালক দেখিছিলো। আৰু সেই ভিলাই মোৰ জীৱনলৈ প্ৰথম স্বপ্ন আনিছিল বিবাহৰ, এখনি সৰু ঘৰৰ আৰু সংসাৰ ৰচনা কৰাৰ।

গিয়াকোমোক মোৰ জীবনৰ, মোৰ যৌৱনৰ মোৰ, আশাৰ কাহিনী শুনাবলৈ খুব মন গ'ল। কোনো ভাবাবেগত নহয়, স্বাৰ্থৰ খাতিৰত। মই বিচাৰো যে মোক বাহিৰৰ পৰা চাই সি মোক বিচাৰ কৰক। মই বিচাৰিছিলো পূৰ্ণ আলোকত সি মোক চাওক। পাওক মোৰ সঁচা পৰিচয়।

কোনো কোনো মানুহে অতিথিৰ অভ্যৰ্থনাৰ বাবে ঘৰৰ

সকলোতকৈ ভালকৈ সজোৱা ঘৰটো খুলি দিয়ে আৰু নিজেও ভাল পোছাকবোৰ পিন্ধে। মোৰ শ্ৰেষ্ঠ ঘৰ আৰু পোছাক হৈছে মোৰ স্বপ্ন আৰু আকাংক্ষা।

গাতে গা লগাই খোজকাঢ়ি যাওঁতে যাওঁতে মই কলো, 'ৰাস্তাৰ এইপিনে এতিয়া কোনোৱে নাহে কিন্তু জহকালি এই অঞ্চলৰ সকলোৱেই এইপিনেই খোজ লয়। বহুত দিন আগতে মই এইপিনে আহিছিলো। তুমি আকৌ আজি এইপিনে লৈ আহিলা।'

'কাৰ লগত আহিছিলা ?' গিযাকোমোই প্ৰশ্ন কৰি'ল।

'মাৰ লগত। আমি দুয়ো একেলগে ফুৰিবলৈ ওলাইছিলো। সৌ সৰু ভিলাটি চকুত পৰিছে ?' মই আঙুলিযাই দেখুৱালো।

'ওঁ, দেখিছো, পিছে কি হল ?'

'প্ৰতিদিন সন্ধিযা মই সেই ভিলাটিৰ কাষেৰে গৈছিলো আৰু খিৰীকিৰে সৰু সুখী পৰিযাল এটাক দেখিছিলো।' মই বৈ গ'লো বিপন্ন বোধ কৰি। অলপ লাজো লাগিল।

'অ, তাৰপিছত ?'

'তেতিযাই মোৰ মনত খেলাইছিল যে তেনে এখন সুখৰ সংসাৰ মোৰো এদিন হব। মই সুখৰ সংসাৰ এখন ৰচনা কৰাৰ সপোন দেখিছিলো।'

'তুমিতো বৰ বেছি একো আশা কৰা নাছিলা।' গিয়াকোমোই মোৰ হাতখন তাৰ হাতত তুলি ললে। 'সেই ভিলাটিলৈ যাবা নেকি ? চাই আহিবা তুমি দেখা পৰিযালটি আছে নে নাই ?'

মই কলো, 'নাই, মই নাযাওঁ।'

তাৰপিছত আমি প্ৰমোদ উদ্যানত গৈ সোমালো। মনত পৰিল বহুত দিন আগতে জহকালি যেতিয়া আহিছিলো তেতিয়া দেখিছিলো অসংখ্য মানুহৰ ভিৰ, ৰঙীন বিপণি, পোহৰৰ বিচিত্ৰ বৰ্ণালী আৰু

শুনিছিলো সুমধুৰ সংগীত। কিন্তু এতিয়া নিৰ্জন। যেন সকলো কিছু মৃত। হয়তো শীতকাল বাবেই।

'এয়াই লুনা পাৰ্ক। জহকালি মানুহৰ খুব ভিৰ হয়। কিন্তু শীতকালত নিৰ্জন, মৃত।'

মই কলো, 'বাৰু এতিয়া কলৈ যাবা ?'

'সৌ তাত সেইখন কাফে নেকি ?'

'ওঁ।'

'ব'লা তেনেহলে তালৈকে যাওঁ।'

দুয়ো গৈ কাফেত সোমালো। কাফেত সোমাযেই মোৰ মনত পৰিল এইমন কাফেতে মই মা আৰু জিনোৰ সতে বহিছিলো বহুত দিন।

গিয়াকোমোই সুৰাৰ অৰ্ডাৰ দিলে।

'কোনে খাব ?' মই সুধিলো।

'তুমি নোখোঁৱা জানো ?'

'মই অকমান খালে খাব পাৰো।'

বেযাৰাই সুৰা দি গ'ল। একেবাৰতে এগিলাচ মদ সি গিলিলে। পৰিতৃপ্তিৰে নহয়, যেন জোৰ কৰিহে পান কৰিলে।

মোৰ বাৰে বাৰে মনত পৰিব ধৰিলে বহুত দিন আগে মা আৰু জিনোৰ সতে বহি থকাৰ কথা। মই বুজিব পৰা নাছিলো, মোৰ এই অনুভাবনা দুখৰ নে বিৰক্তিৰ। ভাবিলো, সকলো কিছুই তো শেষ হৈ গৈছে। কেবল জিনোৰ সতে মোৰ ভালপোবাই নহয়, মোৰ স্বপ্নবোৰতো শেষ হৈ গৈছে।

কবলৈ একো কথা বিচাৰি নাপাই মই এনেয়ে কলো, 'তোমাৰ বন্ধুজন সঁচাকৈয়ে বৰ স্ফূৰ্তিবাজ। বৰ ভাল লাগিছে তাক।'

'মোৰ হলে ভাল নালাগে।'

'তেনেহলে তাৰ লগত ফুৰা কিয় ?'

'আমি দুয়ো সৰুকালৰ বন্ধু। একে স্কুলত পঢ়িছিলো। তাৰ কিন্তু এটা গুণ আছে। মানে—যেতিয়া কোনো কাম কৰে বেছ একাগ্ৰতাৰে কৰে। কিন্তু মই প্ৰথমতে মন স্থিৰ কৰিলেও কেতিয়াবা পিচ হুঁহকি আহো। আজিৰ কথাই ধৰা। সি মোক ফোন কৰি সুধিলে যে তাৰ সতে স্ফূৰ্ত্তি কৰিবলৈ যাম নে নাই। মই ৰাজী হৈ গ'লো। তাৰ পিছত যেতিয়া তোমালোকক দেখিলো ইচ্ছাও জাগিল। কিন্তু পিছত তোমাৰ ঘৰলৈ যোবাৰ পিছত সকলো ইচ্ছা নাইকিয়া হল।'

'নাইকিয়া হৈ গ'ল?'

'ওঁ।'

'তাৰ মানে তোমাৰ মোক পচন্দ হোৱা নাই?'

'নহয়, ঠিক সেয়া নহয়। তুমি নহৈ আন কোনো নাৰী হলেও সেই একেই অৱস্থা হলহেতেন।'

মই অলপ ইতস্ততঃ কৰি প্ৰশ্ন কৰিলো, 'তুমি বিকলাংগ নহয় তো?'

'হায় ভগবান!' গিযাকোমো চিঞৰি উঠিল।

মই জানিছিলো মই অপূৰ্ব সুন্দৰী আৰু ৰূপহী আৰু মোৰ বিশ্বাস নহয় যে মোক নিবিচৰাৰ পিছত কিবা যুক্তিসংগত কাৰণ থাকিব পাৰে।

মই সহজভাৱেই কলো, 'ব'লা, ইয়াৰপৰা ওলাই পোনে পোনে ঘৰলৈ যাওঁ। তাত অলপ স্ফূৰ্ত্তি কৰিম।'

'নাই, সেই কথা আৰু নুতুলিবা।'

'তেনেহলে তোমাৰ মোক ভাল লগা নাই?'

'ঠিক সেয়া নহয়—কিন্তু তুমি বুজিবলৈ চেষ্টা কৰা '

মই জানিছিলো কোনো মানুহেই কিছুমান যুক্তিক বাধা দিব নোৱাৰে।

'নিশ্চয় তোমাৰ মোক ভাল লগা নাই।' মই সৰলভাৱে পুনৰুক্তি

কৰিলো। আৰু মধুৰ কামনা-ব্যাকুল দৃষ্টিৰে তাৰ পিনে চাই ৰলো। তাৰ উত্তেজনাৰ লক্ষণ মই লক্ষ্য কৰিছিলো।

'তুমি ইমান ধুনীয়া, কিয় ভাল নালাগিব।'

'তেনেহলে এতিয়া ইয়াৰপৰা ব'লা।'

'বেছ, তুমি যেতিয়া যাবই খুজিছা ব'লা।'

সি সুৰাৰ দাম দিলে। আৰু দুয়ো কাফে ত্যাগ কৰি ঘৰৰ পিনে খোজ ললো।

বাটত তাক কলো, 'মোৰ কি মন গৈছে জানা?'

'কি?'

'তোমাক সাবটি ধৰিবলৈ। মোৰ দেহৰ উত্তপ্ততাৰে তোমাক উত্তপ্ত কৰিবলৈ।'

সি কোনো কথা ন'কলে। নীৰৱ হ'ল। মই এখন হাতেৰে তাৰ কঁকালত সাবটি ধৰি কলো, 'তুমিও মোক এনেদৰে ধৰা না।'

সি মোৰ কথা মুশুনাৰ ভাও জুৰিলে। সেয়ে মই নিজেই তাৰ হাতখন মোৰ হাতৰ মাজত তুলি ললো।

'চুমা এটা দিবা?'

'পিচত।'

'দিয়ানা।'

মই দুহাতেৰে তাৰ ডিঙিত সাবটি ধৰি চুমা এটা খালো।

ঘৰলৈ আহি দেখো গাড়ীখন ইতিমধ্যে গুচি গৈছে।

'গিয়ানকাৰ্লো গুচি গৈছে। মই এতিয়া খোজ কাঢ়িয়েই যাব লাগিব দেখোন।' গিয়াকোমোই মাত লগালে।

খোজ কাঢ়িব নালাগে বাৰু। ইচ্ছা কৰিলে দেখোন মোৰ সতে ৰাতিটো কটাই যাব পাৰা।'

'সেইটো হব নোৱাৰে।'

খটখটী বগাই আমি ঘৰত সোমালো। মই খিৰিকীৰে ড্ৰয়িংকমলৈ

ভুমুকি মাৰি চালো। কোঠাটো আন্ধাৰ। মা নিশ্চয় শুবলৈ গৈছে। মই মনে মনে ভাবিলো। মই দুৱাৰখন বন্ধ কৰি শোৱনি কোঠাত গৈ সোমালো।

'নাই নাই মই শুচি যোৱাই ভাল আছিল।' কোঠাত সোমায়েই গিয়াকোমোই কলে।

মই একো নুশুনাৰ ভাও জুৰি কোটটো খুলি আলনাত থলো। তাৰ সতে সম্ভোগ কৰিবলৈ চেষ্টা কৰিলো। অজ্ঞান আৰু আদিম নৈৰাশ্যৰ সকলো অনুভূতি প্ৰয়োগ কৰিলো ৰতি সাধনত। কিন্তু মই যেতিয়া বুজিব পাৰিলো যে মোৰ সকলো চেষ্টাই ব্যৰ্থ হৈছে, মই তেতিয়া অলপ হতাশ হৈ পৰিলো।

অবশেষত মই কলো, 'তুমি শুচি যোৱাই ভাল। দেখিছো মোৰ সম্বন্ধে তোমাৰ কোনো অনুভূতিয়ে জগা নাই।'

সি একো নামাতিলে। মাথো লাহে লাহে মোৰ কাষৰ পৰা উঠি গৈ কাপোৰ পিন্ধিলে। মই বিচনাতে শুই থাকিলো।

দুই

ৰাতিপুৱা শুই উঠি মোৰ যেন বহুত দিন অসুখত ভোগাৰ পিছত অলপ সুস্থ হৈ উঠিছো মাথোন এনে অনুমান হ'ল। দিনটো বাজ নোলালো। আবেলি সাজি-কাচি ওলাই মাক গৈ কলো, 'মা, আজি তোমাৰ লগত ফুৰিবলৈ যাম। কাফে এখনত ভালদৰে এসাজ খাম।'

আধা ঘণ্টা মান পিছত মা সাজু হৈ ওলাল। মোৰ কাষলৈ আহি মৰমেৰে কলে, 'আত্রি', মোৰ হৈ গ'ল। ব'লা।'

যানবাহনপূর্ণ প্রশস্ত ৰাজপথৰ কাষৰ ফুটপাথেদি দুয়ো খোজ আগ বঢ়ালো। যেতিয়া মই সৰু আছিলো মা প্ৰায়ে মোক হাতত ধৰি এই ৰাস্তাৰে ফুৰাবলৈ লৈ গৈছিল। মই মাক কথাটো মনত পেলাই দিলো। মাই ৰং পালে।

'মই ঠিক কৰিছো মা, মই আৰু কোনো লোকক ঘৰলৈ নানো।' হঠাতেই মই মাক কৈ পেলালো। এই প্রথম মোৰ বৃত্তি সম্বন্ধে মাক ইমানবোৰ কথা কলো। মাৰ মুখত এনে এটা ভাব ফুটি উঠিল যাৰ অর্থ মোৰ ভালদৰে বোধগম্য নহ'ল।

'মই তোমাক বাৰে বাৰে কৈছো, তোমাৰ যি ইচ্ছা তাকেই কৰা। তুমি সুখী হলেই মযো সুখী হম।'

কিন্তু মাক সুখী যেন মনত নহ'ল। মই কলো, 'আগতে যেনেকুৱা জীৱন যাপন কৰিছিলো তেনেদৰে আমি জীৱন কটাম। তুমি আকৌ চাৰ্ট চিলাই কৰিব লাগিব।'

'বহু বছৰ মই তাকেই কৰিছো।'

'এতিয়া আমাৰ যিমান উপাৰ্জন হৈছে তেতিয়া সিমান নহব।'

'তুমি বাক কি কৰিম বুলি ভাবিছা ?'

'নাজানো। মডেল হ'ম নতুবা তোমাৰ কামত সহায় কৰি দিম।'

'মোক তুমি কি সহায় কৰি দিবা ?' মাৰ কণ্ঠত হতাশাৰ সুৰ।

'নতুবা কিবা এটা কাম যোগাৰ কৰি লম।'

মই লক্ষ্য কৰিছিলো মাৰ মুখখন এক পলকতে বিমৰ্ষ হৈ গৈছিল।

'তোমাৰ যি ইচ্ছা। তোমাৰ সুখেই মোৰ সুখ। মোৰ এই কথা।' মাই কলে।

মই বুজিছিলো দুটা বিপৰীতমুখী আবেগ মাৰ মনত দ্বন্দ্ব কৰিছিল। মোৰ প্ৰতি মাৰ স্নেহ আৰু সহজ জীৱন যাপনৰ বাসনা। মাৰ বাবে মোৰ দুঃখ লাগিল। মই বিচাৰিছিলো যি কোনো এটা চিৰকালৰ বাবে মাই এৰি দিয়ক। হয় স্নেহেই থাকক নতুবা জীৱনৰ হিচাপ-নিকাচ।

মই কলো, 'আগেয়েও মই সুখী নাছিলো, এতিয়াও সুখী নহয়। মই এনেকৈ আৰু চলিব নোৱাৰো।'

ইযাৰ পিছত মই আৰু একো কথা পতা নাছিলো। লক্ষ্য কৰিছিলো মাৰ মুখৰ বং সলনি হৈ গৈছিল।

মই নিজকে নিজে কলো, মই হয়তো মোৰ বৰ্তমানৰ জীৱিকা ত্যাগ কৰিম। কিন্তু মোৰ এই পেচা এৰাৰ লগে লগে মই বহু কিছু চিৰতৰে ত্যাগ কৰিব লাগিব। মই মাৰ সতে পুনৰ যাপন কৰিব লাগিব অব্যৱহাৰ যোগ্য সংগতি, অৱদমিত বাসনা, মূল্যহীন আত্মত্যাগ আৰু নিষ্ফল সঞ্চয়ৰ অস্বস্তিকৰ জীৱন।

পুৰণি জীৱনৰ প্ৰতি বিৰক্তিয়ে মোক উপলব্ধি কৰাই দিলে মোৰ পেচাৰ পৰিবৰ্তনৰ অসম্ভাব্যতা। মই ভাবিলো, যদি এনে কাৰো সতে পৰিচয় হৈ যায় যিজনে মোক ভাল পায়, মোক বিয়া কৰাবলৈ বিচাৰে, সি যদি দীন-দৰিদ্ৰও হয় মই পৰিবৰ্তিত হৈ যাম। মাস্তি হৈ যাম।

সুগৃহিণী হবলৈ মই বাজী। অৰ্থৰ বাবে নিজকে আৰু বিক্ৰী নকৰোঁ। এইদৰে নিজৰ সতে সন্ধি কৰি মোৰ নিজৰ হাঁহি উঠিল।

আমি গৈ এখন কাপোৰৰ দোকানত সোমালো। মাই শো কেচত সজাই থোৱা চিল্ক আৰু পচমৰ পোছাকবোৰ চোৱাত লাগি গ'ল। মই দোকানৰ চেলচগাৰ্ল এগৰাকীক কলো, 'মোক মুৰত বন্ধা কাপোৰ লাগে।'

তাই বহুত কাপোৰ মোৰ আগত উলিয়াই দি কৈ গ'ল : এইবোৰ চিল্কৰ, এইবোৰ পচমৰ, এইবোৰ কটন

মই কাপোৰবোৰ এফালৰ পৰা চাই গ'লো। তাৰপিছত মাত লগালো—আৰু অলপ বেলেগ ৰঙৰ হলে ভাল আছিল।'

'ভালবস্তু আছে, কিন্তু দাম বেছি।'

'চাওঁ কেনেকুৱা।'

তাই আৰু এটা বাকচ চেলফৰ পৰা নমাবলৈ মুখ ঘূৰোৱাৰ লগে লগে মই এখন কাপোৰ হাতত থকা বেগখনত সোমাই থলো। মই আগৰ পৰাই প্ৰস্তুত আছিলো। গতিকে কামটো কৰাত বেছি সময় নালাগিল।

ইতিমধ্যে তাই এটা বাকচ নমাই আনি তাৰপৰা বহুত কাপোৰ মোৰ আগত উলিয়াই দিলে।

মই সেইবোৰ চাই কাপোৰৰ ৰং আৰু পেটাৰ্ন সম্বন্ধে মাজে মাজে মতামত প্ৰকাশ কৰিলো। আৰু মাকো মাতি দেখুৱালো। বুজিব পাৰিলো মাই মোৰ কাণ্ড দেখি হতভম্ব হৈছিল।

অৱশেষত খুব বেছি দাম বুলি কৈ কাপোৰ নিকিনাকৈয়েই ওলাই আহিলো। আৰু ওচৰৰ গীৰ্জাটোৰ পিনে বেগাবেগিকৈ খোজ পেলালো। কিয় যে মই কাপোৰখন চুৰি কৰিলো মই নিজেই নাজানো।

গীৰ্জাৰ কাষ পাওঁতে মাক সুধিলো,—'সোমাৱা নেকি ?'

'তোমাৰ ইচ্ছা।' ' মাই কলে।

আমি ঘূৰণীয়া বগা গীৰ্জাটোত প্ৰবেশ কৰিলো। যন্ত্ৰৰ দৰে প্ৰাৰ্থনা বাণী উচ্চাৰা কৰোঁতে কৰোঁতে মই বেদীৰ পিনে চালো। নিষ্প্ৰভ বন্তিৰ পোহৰত অস্পষ্টভাৱে যিখন ছবি চকুত ভাহি উঠিল সেইখন ছবি 'মেডোনা'ৰ।

মাক মোৰ ক'বৰ মন গ'ল : মা মই মত পৰিবৰ্তন কৰিছো মা। তোমাৰ চিন্তাৰ আৰু কোনো কাৰণ নাই। আগৰ দৰে তুমি আৰু খাটিব নালাগিব, কাম কৰিব নালাগিব।

কিন্তু মোৰ মত পৰিবৰ্তনৰ কৰাৰ কথা মাক একো নকলো। প্ৰাৰ্থনা শেষ কৰি আমি গীৰ্জাৰ পৰা ওলাই আহি কাফে এখনত সোমালো। মই কেকৰ অৰ্ডাৰ দিলো।

কেকবোৰ খাই মাই ভাল পালে। মাক কলোঁ, 'মই যেতিয়া সৰু আছিলো তেতিয়া তুমিতো মোক কেতিয়াও কেকৰ দোকানলৈ লৈ অহা নাছিলা। নহয় জানো ?'

'পইচা পাইছিলো ক'ত ?'

মাক আৰু এটা কেক হাতত তুলি দিলো। হঠাতেই মোৰ চকুত পৰিল হাতত কফি একাপ লৈ এজন মানুহে মোৰ পিনে একেথৰে চাই আছে। মই তাৰ মতিগতি বুজিব পাৰিলো। লগে লগে তাক আকৰ্ষণ কৰাৰ বাসনাত মোৰ সমগ্ৰ দেহ উন্মুখ হৈ উঠিল। এযা ঠিক পেচা পৰিবৰ্তনৰ ইচ্ছা প্ৰকাশ কৰাৰ এঘণ্টা পিছৰ ঘটনা। মই চকুযুৰি তুলি তাৰ পিনে চালো সি তেতিয়াও মোলৈ চাই আছিল। মই সকলো নৈপুণ্য প্ৰযোগ কৰি তাৰ পিনে এক দীৰ্ঘ আবেশভৰা দৃষ্টিৰে চালো। তাৰ দৃষ্টি মোৰ দৃষ্টিৰ সতে মিলিত হোৱাৰ লগে লগে তাৰ মুখখন ৰঙা পৰি গ'ল। সি কফিখিনি শেষ কৰি ধীৰ পদক্ষেপেৰে কেচ কাউণ্টাৰৰ কাষলৈ গৈ কফিৰ দাম দিলে। তাৰপিছত দুৱাৰৰ কাষত ৰৈ বোধগম্য আৰু স্বাধিকাৰসূচক ইংগিত দিলে।

মই মাক কলো, 'মই এতিয়া যাওঁ। তুমি থাকা। লাহে লাহে যাবা।'

'কলৈ যোৱা ?' হঠাৎ চমকি উঠি যেন মাই কলে।

মই বহাৰ পৰা উঠি কলো, 'বাহিৰত মানুহ এজন মোৰ বাবে বৈ আছে, এইয়া টকা লোৱা। কেকৰ দাম দিবা। মই হয়তো তোমাতকৈ আগতেই গৈ ঘৰ পাম। কিন্তু অকলে নহয়।'

নিৰাশজনক অনুশোচনাৰ দৃষ্টিৰে মাই মোলৈ এবাৰ চালে। কোনো কথা নক'লে। মই কাফেৰ পৰা ওলাই আহিলো। মানুহজন ৰাস্তাত মোৰ বাবে বৈ আছিল। তাৰ কাষ পোৱাৰ লগে লগে মোৰ হাত এখন তাৰ হাতৰ মাজত তুলি লৈ সুধিলে 'কোৱা, কলৈ যাবা ?'

'মোৰ ঘৰলৈকে ব'লা।' মই কলো।

তিনি

গিয়াকোমো সম্বন্ধে কোনো চিন্তা-ভাবনা নকৰি মই তাক এৰি দিলো। অৱশ্যে তাৰ প্ৰতি এটা আকৰ্ষণ মই অনুভৱ কৰিছিলো।

ইতিমধ্যে মই জিনোৰ সতে সকলো সম্পৰ্ক চিৰকালৰ বাবে ছিন্ন কৰি দিছিলো। হঠাৎ কিবা এটা ঘটাতকৈ স্বাভাৱিক মৃত্যুই মই বেছি পচন্দ কৰিছিলো। অৱশ্যে মাহেকত দুই-এবাৰ তাৰ সতে দেখা-সাক্ষাৎ নকৰাকৈ থকা নাছিলো। এদিন সি মোক ফোন কৰি মিল্ক বাৰত দেখা কৰিবলৈ কলে আৰু মযো তাক তাতেই লগ ধৰিম বুলি কথা দিলো।

মিল্ক বাৰখন আমাৰ ঘৰৰ পৰা বৰ বেছি দূৰৈত নাছিল। মই তাত গৈ জিনোক লগ ধৰিলো। জিনোৰ লগত আন এজন মানুহ আছিল।

'এওঁ মোৰ বন্ধু সোনজোগনো।' জিনোই মানুহজনৰ সতে চিনাকি কৰি দিলে। মই হাত বঢ়াই তাৰ সতে কৰমৰ্দন কৰিলো।

মানুহজনলৈ চালো। মুখখন কাগজৰ দৰে বগা। চকুদুটা সৰু সৰু। নীলা। নাকটো চেপেটা।

জিনোই কলে—'জানা, সি একে ঘোচাতে মানুহ মাৰিব পাৰে।'

'আচ্ছা!' মই এনেয়ে কলো।

'নাই, মিছা কথা।' সোনজোগনোই মাত লগালে।

জিনোই কলে, 'সি মোৰ পুৰণি বন্ধু। আমি দুয়ো দুয়োকো বহু দিনৰ পৰাই চিনি পাওঁ। আমি প্ৰায় ভাইৰ নিচিনাই বুলি কব পাৰি।'

সোনজোগনোই কান্ধ জোকাৰি কলে, 'আমিতো বন্ধু নহয়, ভাইও নহয়। আমি দুয়ো একেই মটৰ কাৰখানাত কাম কৰিছিলো, ইমানেই।'

'অ, তুমি কাৰো বন্ধু হবলৈ নিবিচৰা। অকলে থাকিবলৈ বিচৰা।' জিনোই মাত লগালে।

'মিছা কথা।' সোনজোগনোই কলে, 'যাক ভাল লাগে মই তাৰ লগতেই মিলো। নাৰী কিম্বা পুৰুষ যিয়েই হওক।'

'মই কেতিয়াও তোমাক কাৰো সতে মিলামিচা কৰা দেখা নাই।'

'তুমি মোৰ বিষয়ে একোৱেই নাজানা।'

'ওঁতো। তুমি কাৰো সতে নিমিলা। কোনো লোকৰ প্ৰণয়িনী নাইবা বন্ধু থাকিলে সকলোৱে জানিব পাৰে।'

'মূৰ্খৰ দৰে কথা নকবা।' সোনজোগনোই ৰূঢ় কণ্ঠৰে কলে।

জিনোই লাজ পালে। তাৰ স্বাভাৱিক কৌতূহলৰ ছলত সুধিলে, 'তুমি মোক মূৰ্খ বুলিছা?'

'ওঁ।'

মই মাত লগালো, 'যদি তোমালোকে কাজিয়া কৰিবলৈ বিচৰা মই নথকাত কৰিবা। মই এইবোৰ ভাল নাপাওঁ।'

'আৰে মই তোমাক মোৰ বান্ধবী এজনীৰ লগত পৰিচয় কৰাই দিলোঁ। আৰু তুমি তাইক ভয় খুৱাই দিলা। তাই ভাবিব আমি পৰস্পৰে পৰস্পৰৰ বন্ধু নহয়, শত্ৰুহে।' সোনজোগনোৰ পিনে চাই জিনোই কলে।

সোনজোগনোই মোৰ পিনে চাই হাঁহিলে। 'অকণো ভয় খোৱা নাই, নহয় জানো?'

'কিন্তু সেই বুলি তৰ্কাতৰ্কি, কাজিয়া-পেচাল এইবোৰ মই মুঠেই ভাল নাপাওঁ।' মই কলো।

জিনোই চিগাৰেট এটা জ্বলাই ললে। ক্ষন্তেক পিছতে সোনজোগনো বহাৰ পৰা উঠি থিয় হল। 'মই এতিয়া যাওঁ।'

জিনোই প্ৰায় জাপমাৰি উঠি হাতখন আগবঢ়াই কৰমৰ্দন কৰি কলে, 'আমাৰ সম্পৰ্ক পূৰ্বৰ দৰে থাকিলতো ?'

সোনজোগনোই দাঁত দুপাৰি চেপি কলে 'পূৰ্ব্বে যেনেকুৱা আছিল।' মোৰ সতেও কৰমৰ্দন কৰি সি বিদায় ললে।

সোনজোগনো গুচি যোৱাৰ পিছত মই জিনোক কলো 'তোমাৰ বন্ধু! কিন্তু সি যেনেকৈ তোমাৰ সতে কথা পাতিলে '

মোৰ কথা শেষ নৌ হওঁতেই জিনোই চিঞৰি উঠিল 'সি তেনেকুৱাই। তাৰ সতে বন্ধুত্ব থকা দৰকাৰ। মাজে মাজে কামত লাগে।'

'কি কামত লাগে ?'

মই লক্ষ্য কৰিলো জিনোই বেচ উত্তেজিত হৈ মোক কিবা এটা কথা কবলৈ যেন উন্মুখ হৈ উঠিছে।

ক্ষন্তেক নীৰবতাৰ পিছত সি কলে, 'মোৰ গৃহকৰ্ত্ৰীৰ কম্পাক্টটোৰ কথা মনত আছে ?

'অঁ, আছে। পিছে কি হল ?'

'মই বহুত ভাবি-চিন্তি সেইটো ঘূৰাই নিদিলো।'

'তুমি সেইটো ঘূৰাই দিয়া নাই।'

'নাই দিয়া। ভাবিলো গৃহকৰ্ত্ৰী তেনেই চহকী, এটা কম্পাক্ট হেৰালে তেওঁৰ একো ক্ষতি নহয়। আৰু সেইটোতো মই চুৰিও কৰা নাই। সেয়ে আৰু উভতাই নিদিলো। কিন্তু ধৰা পৰাৰ ভয়ত সেইটো বিক্ৰী কৰিবলৈ সাহস কৰা নাছিলো। সোনজোগনোক লগ নোপোৱা পৰ্য্যন্ত বস্তুটো পকেটতে আছিল। তাৰপিছত তাক সকলো কথা খুলি কলো।'

'মোৰ কথাও কৈছা ?'

'নাই, তোমাৰ কথা কোৱা নাই। মোৰ এগৰাকী বান্ধৱীয়ে দিয়া বুলি কৈছো। তিনি দিনৰ ভিতৰতে সি সেইটো বিক্ৰী কৰি কিছু নগদ টকা আনি মোৰ হাতত দিছিল। অৱশ্যে আমাৰ চুক্তিমতে সিও তাৰ ভাগ এটা নিছে। কথাখিনি কৈ সি পকেটৰ পৰা কেবাখনো নোট উলিয়ালে।'

'এইবোৰ তোমাৰ। তোমাৰ বাবেই এইখিনি মই ৰাখিছো।'

'নালাগে। মোক ফুটা কড়ি এটাও নালাগে।'

'কিয় ?'

'মোৰ কোনো প্ৰয়োজন নাই।'

'তুমি মোক অপমান কৰিছা ?' তাৰ মুখত ভাহি উঠে সন্দেহ আৰু দুখৰ ছাঁ।

'তুমি অলপ টকা পাইছা জানি সুখী হৈছো।'

সন্দেহজনক দৃষ্টিৰে সি মোৰ পিনে চাই ৰ'ল। ক্ষন্তেক বৈ মাত লগালে 'অ, মই সকলো বুজিব পাৰিছো। তুমি ধৰা পৰাৰ ভয়তেই ছাগে টকাখিনি লব খোজা নাই। ধৰা পৰাৰ কোনো ভয় নাই। সকলো ঠিক হৈ গৈছে।'

মই ভয় খোৱা নাছিলো কিন্তু সেয়া অস্বীকাৰ কৰিবলৈ বিচৰা নাছিলো। মই সুধিলো, 'সকলো ঠিক হৈ গৈছে মানে ?'

'তোমাৰ জানো মনত নাই মই যে কৈছিলো গৃহকৰ্ত্ৰীয়ে পৰিচাৰিকা এজনীক সন্দেহ কৰিছে ?'

'আছে।'

'সেই পৰিচাৰিকাজনীকে ধৰাই দিছোঁ। তাই মোৰ বদনাম ৰটনা কৰিছিল। তাৰে পোটক তুলিবলৈ মূৰত বুদ্ধি এটা খেলালে। গৃহকৰ্ত্ৰীৰ দেৰাজত কিছু টকা আছিল। সেইখিনি তাৰপৰা তুলি নি পৰিচাৰিকাজনীৰ কোঠাৰ পুৰণি চুটকেচ এটাত লুকুৱাই থৈ দিলো। ঘৰটো তালাচ কৰাৰ সময়ত টকাবোৰ তাইৰ কোঠাতে ওলাল।

আগৰ চুৰিটোও তাইৰ গাতে পৰিল। গৃহকর্ত্রীয়ে তাইক পুলিচক গটাই দিলে। তাই অৱশ্যে বাৰে বাৰে শপথ খাই কৈছিল এই বিষয়ে তাই একোকে নাজানে, তাই চুৰি কৰা নাই। কিন্তু তাইৰ কথা কোনে বিশ্বাস কৰে ?' কথাখিনি কৈ সি মই তাৰ বুদ্ধিৰ তাৰিফ কৰো নে নাই শুনিবলৈ মোৰ মুখৰ পিনে একেথৰে চাই ৰ'ল।

'পৰিচাৰিকাজনী এতিয়া ক'ত ?'

'জেলত। ক'ত হব আৰু।' উৎসাহেৰে সি উত্তৰ দিলে।

'তাইৰ নামটো বা কি আছিল ?'

'লুইচা ফেলিনি। তাই কি কয় জানা ? তাই হেনো ভাগ্যৰ দোষত চাকৰণী হৈছে। তাইৰ দৰে সৎ মহিলা পৃথিবীত খুব কমেই আছে।' ঠাট্টাৰ সুৰত কথাখিনি কৈ জিনোই হাঁহিলে।

'তুমি এটা জঘন্য পশু।' মই এটা দীৰ্ঘ নিশ্বাস এৰিলো।

জিনো অবাক হৈ গ'ল। হয়তো সি ভাবিছিল মই তাৰ বুদ্ধিৰ প্ৰশংসা কৰিম।

'কিয় ?' জিনো অলপ দমি গ'ল।

'তুমি মোক সেই টকা যাচিবলৈ আহিছা ? হুঃ, সেই টকাতো মই এতিয়া হাতেৰেও স্পৰ্শ নকৰো।'

'ইমান খং কৰিছা কিয় ?' নৰম কণ্ঠেৰে জিনোই মাত লগালে।

'তুমি এজনী নিৰ্দোষী তিৰোতাক জেললৈ পঠিয়াই পুৰুষত্ব দেখুৱাইছা ? বাহ, তুমি জঘন্য পশু নহয় কি ?'

জিনোৰ খং উঠি গ'ল। 'কৈ দিছো কিন্তু মোক তেনেদৰে নকবা।'

ক্ষন্তেক পিছতে মই আহিবলৈ ওলালো। জিনোক কলো, 'বাৰু মই আহিলো। আৰু লগতে তোমাক কৈ যাওঁ তোমাৰ সতে মোৰ সকলো সম্পৰ্ক ইয়াতেই শেষ। আৰু কেতিয়াও মোৰ সতে দেখা নকৰিবা। দেখা কৰাৰ চেষ্টাও নকৰিবা।'

জিনো মৌন হৈ ৰ'ল। মই গুচি আহিলো।

ৰাতি তেতিয়া বেছি হোৱা নাছিল। শান্ত বতাহজাকৰ সতে গুড়ি গুড়ি বৰষুণ পৰিছিল। প্ৰশস্ত পথেৰে মই খোজ পেলালো। বাটে বাটে মই সেই পৰিচাৰিকাজনীৰ কথাই ভাবিলো। তাইৰ বাবে মোৰ দুখ লাগিল। বেচেৰী নিৰ্দোষী। অথচ জিনোই তাইক বুদ্ধি কৰি জেললৈ পঠিয়াইছে। তাই দুখীয়া বাবেই পাৰিছে। মই মনে মনে ভাবিলো।

অলপ দূৰৈত আলোকস্তম্ভ এটাৰ তলত ৰৈ থকা সোনজোগনোক দেখিয়েই মই চিনিব পাৰিলো। সি দীঘল এটা ৰেইন কোট পিন্ধিছে। সোনজোগনোই মোলৈ প্ৰস্তাৱ আগবঢ়োৱাৰ আগতেই কোনোমতে গৈ ঘৰ পোৱাৰ আশাত বেগাই খোজ দিলো। এনেতে মই জিনোৰ কণ্ঠস্বৰ শুনিবলৈ পালো। আকুল কণ্ঠেতে পিছৰ পৰা সি মোক মাতিছে। 'আদ্ৰিযানা, আদ্ৰিয়ানা ।'

মই মুশুনাৰ ভাও জুৰি বেগাবেগিকৈ খোজ ললো। কিন্তু সি লৰৰি আহি মোক আগভেটি ধৰি কলে, 'আদ্ৰিয়ানা, মই তোমাক এনেকৈ এৰি দিব নোৱাৰিম। মোৰ কথা শুনা আদ্ৰি।' সি মোক সাবটি ধৰিলে।

মই তাক ঠেলা মাৰি দি নিজকে মুক্ত কৰি পুনৰ খোজ ললো। সিও মোৰ কাষে কাষে খোজ ললে। 'আদ্ৰিয়ানা, তোমাক মই ভাল পাওঁ। খুব ভালপাওঁ।'

তাৰ প্ৰতি মোৰ করুণা আৰু ঘৃণাৰ উদ্ৰেক হল। 'তুমি উভতি যোৱা, তুমি উভতি যোৱা, জিনো।' মই দৃঢ় কণ্ঠেৰে কলো।

'মই তোমাক ভালপাওঁ আদ্ৰিয়ানা।'

'মযো তোমাক ভাল পাইছিলো। কিন্তু সেই সম্পৰ্কৰ এতিয়া সমাপ্তি ঘটিছে। তুমি এতিয়া গুচি যোৱা। তাত আমাৰ দুয়োৰো মংগল হব।'

বাটত কোনো মানুহ নাছিল। নীৰব পথ। জিনোই মোক

সাবটি ধৰি চুমা এটা খাবলৈ চেষ্টা কৰিলে। মই বাধা দিলো। তাক বাধা দিব পৰাৰ শক্তি মোৰ শৰীৰত আছিল। কিন্তু সোনজোগনোক মাতিবলৈ মন গ'ল। তুবাৰ তাৰ নাম ধৰি মাতিলোও। সি তৎক্ষণাৎ আহি মোৰ কাষ পালে। হতাশ হৈ জিনোই মোক এৰি দিলে।

সোনজোগনোক কলো, 'তোমাৰ বন্ধুক কোৱানা মোক যাতে আমনি নকৰে। মই তাক নিবিচাৰো। বন্ধু হিচাবে তুমি তাক বুজোৱা।'

সোনজোগনোই জিনোক কলে, 'শুনিছা কি কৈছে ?'

'মই কিন্তু ' জিনোই কিবা কবলৈ মুখ মেলিলে।

মই ভাবিছিলো হয়তো জিনো গুচি যাব। কিন্তু সি গুচি নগ'ল। সোনজোগনোৰ মাৰত সি বাকৰুদ্ধ হৈ পৰি গ'ল। মোৰ মনত হল মই যেন সপোন দেখিছো। সোনজোগনোই মোৰ হাতত ধৰি খোজ ললে। মই এবাৰ উভতি চালো। দেখিলো জিনোই লাহে লাহে কিলাকুটিৰ ওপৰত ভৰ দি ৰাস্তাৰ পৰা উঠিবৰ চেষ্টা কৰিছে।

'তেনেদৰে জিনোক মৰাটো কিন্তু তোমাৰ ঠিক হোৱা নাই। সি নিজেই গুচি গ'লহেতেন।' মই কলো।

উত্তৰত সোনজোগনোই কলে, 'ঠিকেই কৰিছো। সি তোমাক আৰু এইদৰে কেতিয়াও আমনি নকৰিব।'

ঘৰৰ ওচৰ পাযে মই তাক ঘৰত পৌছাই দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো।

'ময়ো যাম নেকি ?' সি কাষলৈ আহি সুধিলে।

মই 'না' বুলি কব খুজিছিলো। কিন্তু

মোৰ কথা শেষ নৌহওঁতেই সি মাত লগালে, 'মোৰ লগত টকা আছে। আনে যিমান দিয়ে মই তাৰ দুগুণ দিম।'

'টকাৰ কথা ভবা নাই।' তুবাৰখন খুলি তাক কলো, 'মানে মোৰ বৰ ভাগৰ লাগিছে। ক্লান্তি বোধ কৰিছো।'

মোৰ লগে লগে সিও শোমাই আহিল। ঘৰত সোমায়েই সোনজোগনোই সযত্নে কাপোৰবোৰ খুলিলে। ময়ো নিৰাভৰণ দেহাৰে বিচনাৰ কোমল কোলাত বাগৰি পৰিলো।

মোৰ হাত এখন বুকুৰ মাজত সাবটি লৈ সোনজোগনোই সুধিলে, 'মোক তোমাৰ ভাল লাগে নে নাই?'

মোৰ উত্তৰলৈ অপেক্ষা নকৰি সিয়েই পুনু মাত লগালে, 'যিয়ে তোমাক বেছিকৈ পইচা দিয়ে তাকেই ভাল লাগে, নহয় জানো?'

'কিয় নালাগিব? তদুপৰি তুমিতো কৈছাই আনে যিমান দিয়ে তুমি তাতকৈ দুগুণ দিবা।' সোনজোগনোক কলো, 'লাইটটো নুমাই দিয়া।'

বিচনাৰ পৰা উঠি গৈ সি চুইচটো অফ কৰি দিলে। কোঠাটো এন্ধাৰেৰে পূৰ্ণ হৈ গ'ল। ক্ষন্তেক পিছতে মই বুকুৰ ওপৰত ভীষণ বোজাৰ ভাৰ অনুভৱ কৰিলো। অনুভৱ কৰিলো এটা মাংসল দেহৰ ভুইকঁপ।

আৰু এটা সময়ত মই লাইটটো জ্বলাই দিলো। সোনজোগনোই বিচনাত বহি মোৰ পিনে চাই ৰ'ল।

'তোমালৈ ভয় লাগিছে মোৰ।' মই এনেযে কলো।

'কিয়?'

'নাজানো।'

'তুমি যদি জানা মই কোন তোমাৰ আৰু বেছি ভয লাগিব।'

'কোন তুমি?' মই প্ৰশ্ন কৰিলো।

ইতস্ততঃ নকৰাকৈ যেন মোৰ ওপৰত তাৰ কথাৰ প্ৰতিক্ৰিয়া উপভোগ কৰিবলৈ সি কলে, 'মই ভিয়া পালেচট্টাৰ সেই মানুহজন।'

ভিয়া পালেচট্টাত কি ঘটিছিল তাক কোৱাৰ প্ৰয়োজন সি বোধ কৰা নাছিল। আৰু সঁচাকৈয়ে তাৰ কোন প্ৰয়োজনো নাছিল। ভিয়া পালেচট্টাত ঘটা হত্যাকাণ্ডৰ বাতৰি ইতিমধ্যে বাতৰি কাকতত

ওলাই গৈছিল। মাৰ মুখতে শুনিছিলো সেই কথা। এজন সোণাৰীক কোনোবা দুবৃৰ্ত্তই নৃশংসভাৱে হত্যা কৰাৰ কথা। অপৰাধীক হেনো পুলিচে বিচাৰি পোৱা নাই।

সোনজোগনোৰ পৰিচয় পাই মোৰ চকু থৰ হ'ল।

'তুমি কিয় তেনে কাম কৰিলা?' মই সুধিলো

'মই দামী বস্তু এটা বিকিবলৈ গৈছিলো। সি যে এটা ঠগবাজ মই ভালকৈয়ে জানিছিলো কিন্তু সিয়েই আছিল মোৰ একমাত্ৰ পৰিচিত ব্যৱসায়ী। সি মোক খুব কম দাম দিব খুজিছিল। ইয়াৰ আগতেও সি মোক ঠগাইছিল বাবে মই তাক ঘৃণা কৰিছিলো। সেয়ে মই তাক কথা শুনাই দিলো। গালি পাৰিলো। সি মোক পুলিচক ধৰাই দিয়াৰ ভয় দেখুৱালে। তাৰ কথাত মোৰ ধৈৰ্য্যৰ বান্ধ চিঙি গ'ল। লগে লগে তাক খুন কৰিলো।'

মই চিঞৰি উঠিলো, 'হায় ভগবান। তুমি কিয় এনে কাম কৰিলা?' মই থৰ লাগি তাৰ পিনে চাই ৰলো।

ক্ষন্তেক ৰৈ সোনজোগনোই মাত লগালে, 'তুমি ছাগে মোক পুলিচক ধৰাই দিয়াৰ কথা ভাবিছা, নহয় জানো?'

'অন্য কোনো ছোৱালী হলে কি কৰিলেহেতেন জানা?'

'কি?'

'তোমাৰ সতে আৰু কেতিয়াও মিলিত নহলহেতেন।'

'তুমিওতো মনে মনে ছাগে মোক গুচি যাবলৈয়ে কৈছা।'

'তুমি যদি থাকিব খোজা থাকিব পাৰা। ইচ্ছা কৰিলে তুমি ৰাতিটো ইয়াতে কটাই যাব পাৰা।'

'নহয়, নাথাকো। মই যাবই লাগিব।' বিচনাৰ পৰা উঠি সি কাপোৰবোৰ থৈ দিয়া চেয়াৰখনৰ পিনে আগুৱাই গ'ল।'

'তোমাৰ যি ইচ্ছা। যদি ৰাতিটো ইয়াতে কটাব খোজা কটাব পাৰা।'

সি নীৰৱে ৰল। কোনো কথা নোকোৱাকৈ কাপোৰবোৰ পিন্ধি ললে। তাৰপিছত পকেটৰ পৰা কেবাখনো নোট উলিয়াই মোলৈ আগবঢ়ালে।

'নাই নাই, মোক নালাগে।'

'কিয় ?' অবাক হৈ সি প্ৰশ্ন কৰিলে।

কব খুজিছিলো, মৃত ব্যক্তিৰ পকেটৰ পৰা বুটলি অনা টকা মোক নালাগে। সেই টকাৰ প্ৰতি মোৰ আন্তৰিক ঘৃণা জন্মিছে। কিন্তু নকলো। কলো, 'টকাৰ কথা মই ভবা নাই। নিদিলেও একো নহয়।'

শান্ত স্বৰেৰে সি কলে, 'বাৰু টকা নোলোৱা নাই। এটি স্মাৰক চিহ্নকে দি যাওঁ।' সি পকেটৰ পৰা কিবা এটা উলিয়ালে।

মই তাৰ হাতৰ পিনে চাইযেই চমকি উঠিলো। এযা দেখোন মই জিনোৰ গৃহকৰ্ত্ৰীৰ ঘৰৰ পৰা চুৰি কৰি অনা সেই কম্পাক্টটো।'

'এইটো কি ?' মই ঢোক গিলি সুধিলো।

'জিনোই এইটো মোক বিক্ৰী কৰিবলৈ দিছিল। বৰ দামী বস্তু। সোণৰ।'

'ধন্যবাদ।' খুব কষ্টেৰে নিজকে সংযত কৰি মই কলো আৰু হাত পাতি সেইটো তাৰ পৰা গ্ৰহণ কৰিলো।

'আকৌ নিশ্চয় দেখা হব।' ৰেইন কোটটো গাত ওলোমাই সোনজোগনো ঘৰৰ পৰা ওলাই গ'ল।

মই দুৱাৰখন বন্ধ কৰি দিলো। কম্পাক্টটো চকুৰ আগত দাঙি ধৰিলো। মোৰ হাতত সেইটো জলমলকৈ উজ্জ্বলি উঠিল। মই খৰধৰকৈ সেইটো টেবিলৰ ওপৰত থৈ দিলো আৰু লাইটটো নুমাই বিচনাত শুই পৰিলো।

বহু কথা মোৰ মনলৈ ভাহি আহিল। ক'ৰপৰা যে কি হৈ গ'ল। সেই কম্পাক্টটো মই চুৰ কৰিছিলো জিনোৰ গৃহকৰ্ত্ৰীৰ ঘৰৰ পৰা।

জিনোৰ চাকৰি যোৱাৰ ভয়ত তাক সেইটো দি দিছিলো। কিন্তু কম্পাক্টটো সি গৃহকর্ত্রীক উভটাই নিদি নিজ ৰাখি থয় আৰু সেই দোষ পৰিচাৰিকা এজনীৰ গাত জাপি দি তাইক জেললৈ পঠিয়ায়। জিনোই কম্পাক্টটো সৌনজোগনোক বিকিবলৈ সোণাৰীৰ কথাত ধৈর্য্য হেৰুৱাই তাক খুন কৰি পেলায।

বস্তুত কথাই মোৰ মনত পৰিল।

আৰু হঠাতেই মোৰ আষ্টাৰিটাৰ কথা মনত পৰি গ'ল। মই ভাবিলো, আষ্টাৰিটাৰ সতে দেখা কৰি নির্দোষী পৰিচাৰিকাজনীক মুক্তি দিম। সোণাৰীজনক পুনর্জীবিত কৰিব নোৱাৰিলেও পৰিচাৰিকা-জনীক নিশ্চয় বচাব পাৰিম।

চাৰি

পিচদিনা মই আষ্টাৰিটাক ফোন কৰিলো। প্ৰায় ছ সপ্তাহ বিৰতিৰ পিছত এই প্ৰথম তালৈ ফোন কৰিলো। মই মৰমী কণ্ঠেৰে তাৰ লগত কথা পাতিলো। তাক মোৰ ঘৰলৈ মাতিলো। সি আহিব বুলি কলে।

হঠাতেই মোৰ গিচেলাৰ কথা মনত পৰি গ'ল। তাইৰ সতে এবাৰ দেখা কৰাৰ কথা ভাবিলো। কেবাদিনো তাইৰ সতে দেখা হোৱা নাছিল।

পলম নকৰি মই গিচেলাৰ ঘৰ অভিমুখে ৰাওণা হলো। গিচেলাৰ ঘৰত উপস্থিত হৈ খটখটী বগাই ওপৰলৈ উঠিব ধৰোতে চিনাকি পৰিচাৰিকাজনীয়ে আহি কলে, 'আপুনি চাগে গিচেলাৰ সতে দেখা কৰিবলৈ আহিছে। তেওঁতো এতিয়া ইয়াত নাথাকে।'

'ক'ত থাকে?' মই সুধিলো।

'সাত নম্বৰ ভিযা কাচাব্ল্যাঙ্কাত। এজন শ্বেতকায় যুৱকৰ লগত চব বস্তু-বাহানি লৈ তালৈ গৈছে।'

তাই এজন পুৰুষৰ সতে গুচি গৈছে—এই কথাই শুনিম বুলি আশা কৰিছিলো। কিয নাজানো মই ভীষণ শ্ৰান্তি বোধ কৰিলো। কিন্তু ভাবিলো, আহিছো যেতিয়া তাইৰ লগত এবাৰ দেখা কৰিয়েই যাওঁ। সেয়ে টেক্সী এখন ললো। ড্ৰাইভাৰক গিচেলাৰ ঠিকনাটো কলো।

চহৰৰ মাজেৰে গাড়ীখন আগবাঢ়িল। সৰু সৰু ঘৰবাৰী আৰু এখন মুকলি পাৰ্ক এৰি গাড়ীয়ে বহল বাটেৰে কিছুপথ অতিক্ৰম কৰি

অহাৰ পিছত চকুত পৰিল কিছুমান নতুন নতুন ঘৰবাৰী। যেন এটা নতুনকৈ গঢ়ি উঠা অঞ্চল। গিচেলাৰ ঘৰৰ সন্মুখত যেতিয়া মই টেক্সীৰ পৰা নামিলো তেতিয়া মোৰ চকুযুৰি সজল হৈ পৰিল। সৰু এটি শুভ্ৰ বগা ঘৰ। একেবাৰে নতুনকৈ সজোৱা। সৰসুৰা কিছু কাম এতিয়াও বাকী আছে। বাৰান্দাত ৰৈ মই কলিংবেলটো টিপি দিলো। শীৰ্ণকায় ক'লা পৰিচাৰিকা এজনায়ে দুৱাৰখন খুলি দিলে।

মই সুধিলো, 'গিচেলা আছে?'

'আছে মেমচা'ব।'

'যোৱা, কোৱাগৈ যে আদ্ৰিয়ানা আহিছে।'

মই ঘৰটোলৈ চাই ৰ'লো। সোণালী সূৰ্য্যৰ পোহৰত গোটেই ঘৰটো উজ্জ্বলি উঠিছে।

'আদ্ৰিয়ানা, আহা আহা।' গিচেলাৰ কণ্ঠস্বৰত মই চমকি উঠিলো। গিচেলাৰ সতে ভিতৰত সোমাই গ'লো। সৰু এটি ঘৰ কিন্তু বেচ ধুনীয়া। পৰিপাটি। মই চকুযুৰি মুদি যেন এক সুন্দৰ আবেগ অনুভৱ কৰিবলৈ চেষ্টা কৰিলো।

'বহা আদ্ৰি, বহুদিনৰ মূৰত তোমাক লগ পালো।'

মই আৰামী চকীখনত বহিলো আৰু গিচেলাৰ পিনে চাই ৰলো। গিচেলাক মোৰ নতুন নতুন যেন লাগিল। তাই এটা সুন্দৰ চুৱেটাৰ আৰু ধুনীয়া ৰঙৰ স্কাৰ্ট পিন্ধিছিল। এনেকুৱা ধুনীয়া বেশত তাইক আগতে কেতিয়াও দেখা নাছিলো। তাই আগতকৈ ধুনীয়া হৈছে, স্বাস্থ্যও বেছ ভাল হৈছে।

'ঘৰটি কেনে লাগিছে?' গিচেলাই সুধিলে।

মই হিংসাকুৰীয়া নাছিলো। কিন্তু সেই মুহূৰ্ত্তত জীৱনত মই প্ৰথমবাৰৰ বাবে যেন হিংসাৰ দৰ্শন অনুভৱ কৰিলো। মোৰ ডিঙিটো শুকাই যোৱা যেন লাগিল। ইচ্ছা থকা সত্বেও মই তাক কোনো প্ৰশংসাৰ বাণী শুনাব নোৱাৰিলো। হঠাতেই কব নোবাৰো কিয়

জানো তাইৰ ওপৰত মোৰ ভীষণ খং উঠি গ'ল। তাইক আঘাত দিবলৈ মোৰ ইচ্ছা গ'ল। ইচ্ছা গ'ল তাইৰ মুখত বিষ ঢালি দিবলৈ। কিন্তু ভাগ্যক্রমে মোৰ এই ইচ্ছা বেছি সময় স্থায়ী নহ'ল। মোৰ মনত পৰি গ'ল গিচেলা মোৰ বান্ধৱী আৰু তাইৰ সৌভাগ্য তো মোৰেই সৌভাগ্য।

'খুউব ভাল লাগিছে। ইমান সুন্দৰ!' মই কলো।

'গিয়ানকার্লোৰ কথা মনত আছে?' গিচেলাই কৈ গ'ল, 'সেই যে বগা মানুহজন যাৰ লগত প্ৰথম দিন কাজিয়া কৰিছিলো। পিচত সি মোৰ সতে আকৌ দেখা কৰিবলৈ আহিছিল। প্ৰথমতে তাক যিমান বেযা লাগিছিল সি কিন্তু সিমান বেযা নহয়। আমি আৰু কেইবাদিনো মিলিত হৈছিলো। কেইদিনমান আগেযে সি মোক এদিন গাড়ীত তুলি লৈ আহি এই ঘৰটো দেখুৱাই সুধিলে, 'কেনে লাগিছে, পছন্দ হৈছে নে নাই?' মই কলো, ওঁ। বৰ ভাল লাগিছে। তাৰপিছত সি কলে, 'এই ঘৰটো তোমাৰ বাবেই। তুমি মোৰ হৈ থাকিবা।' কথাখিনি শেষ কৰি গিচেলাই এটা স্বস্তিৰ হাঁহি মাৰিলে।

'বাঃ। সুন্দৰ কাহিনী।' তাইৰ সতে মযো হাঁহিলো। আৰু লগে লগে মোৰ মনৰ পৰা অন্তৰ্দ্ধান হৈ গ'ল বিদ্বেষপ্ৰসূত মনোভাৱ।

মই খিৰিকীৰ কাষলৈ গৈ বাহিৰলৈ চালো। দূৰৈত কৰ্ষণ কৰা সমতল ভূমি, তাৰ সিপাৰে এখন নদী। দিগন্তৰ শেষ সীমাত নীলা পাহাৰৰ ৰেখা।

'কি মনোৰম নৈসৰ্গিক দৃশ্য।' গিচেলাৰ পিনে মুখ ঘূৰাই মই কলো, 'ইমান ভাল লাগিছে।'

গিচেলাই গৈ চেলফৰ পৰা ছুগিলাচ পানীয় বাকি লৈ আহি টেবিলত থলে।

'আদ্ৰিযানা, আহা অকণমান পানীয় খাওঁ।' গিচেলাই মাতিলে।

মই আহি তাইৰ কাষত বহিলো। গিলাচত চুমা যাচি মই কলো, 'তোমাৰ কিন্তু খুব অন্যায় হৈছে। মোক জনোৱা উচিত আছিল। ইমান দিনে জনোৱা নাছিলা কিয় ?'

'একেবাৰে সময় পোৱা নাই বুজিছা। তুমিতো জানাই ঘৰ সলোৱাৰ কি যে ঝামেলা।'

'এতিয়াতো তুমি মোৰ সতে সম্পৰ্ক ৰাখিবলৈ ভাল নাপাবা।'

'ধেৎ, তুমি কি কৈছা এইবোৰ। মই তোমাৰ বাবে সেই গিচেলাই। অৱশ্যে আগৰ দৰে আমি আৰু মিলিত হব নোৱাৰিম। মানে মই আগৰদৰে আৰু ঘূৰিব নোৱাৰিম।

'তুমি একো ভাবিব নালাগে। মোকো আৰু বেছিকৈ দেখা নাপাবা।'

তাই মোৰ কথাখিনি নুশুনাৰ ভাও জুৰি আগ্ৰহেৰে মাত লগালে, 'তোমাৰ খবৰ কোবানা।'

'মোৰ নতুন খবৰতো একো নাই। সেই আগৰদৰেই।'

'আষ্টাৰিটাৰ খবৰ কি ?'

'মাজে মাজে লগ পাওঁ। ইমানেই।'

'জিনো ?'

'তাৰ সতে সম্পৰ্ক ছিন্ন কৰি পেলাইছো।'

হঠাতেই গিযাকোমোৰ স্মৃতি মোৰ মনলৈ ভাহি আহিল। মোৰ মুখত বেদনাৰ ছাঁ দেখি গিচেলাই চাগে নিজেই তাৰ কাৰণ বিচাৰি ললে। তাই হয়তো ভাবিলে মই তাইৰ সৌভাগ্য দেখি দুখ পাইছো।

'এতিয়াও, যি জনে যি নকওক, মই জানো তুমি যদি এবাৰ কোবা আষ্টাৰিটাই তোমাক ভালদৰে ৰাখিব পাৰিব।' কোমল মাতেৰে গিচেলাই কলে।

'আষ্টাৰিটা কিম্বা আন কাকোই মই নিবিচাৰো।' উত্তৰ দিলো।

'কিয় ? এইদৰে সুখত থাকিবলৈ জানো তোমাৰ মন নাযায় ?'

মই কিবা এটা কলো। আৰু প্ৰসংগ সলনি কৰিবলৈ চেষ্টা কৰিলো 'তোমাৰ ঘৰটো মোক নেদেখুৱা জানো ? কেইটা কোঠা ?'

'চাৰিটা। সঁচাই তোমাৰ ঘৰটো ভাল লাগিছে ?'

'ব'লা মোক দেখুৱাবা।'

আনন্দেৰে গিচেলাই মোক প্ৰতিটো কোঠাই দেখুৱালে। কোনটো কোঠা কেনেদৰে ব্যৱহাৰ কৰিব, কি কৰিব নকৰিব এফালৰ পৰা কৈ গ'ল। মোৰ যদিও সেইবোৰ শুনাৰ বা দেখাৰ কোনো আগ্ৰহেই নাছিল তথাপিও আগ্ৰহেৰে সেইবোৰ চোৱাৰ ভাও জুৰিলো আৰু বৰ ধুনীয়া, ইমান ভাল আদি দুই-এটা মন্তব্যও মাজে মাজে দি গ'লো। গোটেই কেইটা কোঠা চোৱাৰ পাছত মই কলো, 'বাৰু, মই এতিয়া যাওঁ।'

'কিবা অলপ নোখোবাকৈ যাবা জানো ? ইমান লৰালৰি কৰিবৰ কি প্ৰয়োজন। আৰু অলপ ৰোৱা।'

'নাই, মই যাওঁ বুইছা।'

'আকৌ আহিবা কিন্তু। সি ৰোমৰ বাহিৰলৈ গ'লে তোমাক জনাম। লগত কোনোবা বন্ধুক লৈ আহিবা। বেচ স্ফূৰ্ত্তি কৰিব পাৰিম।'

'যদি সি দেখা পায় ?'

'দেখা পাব কিয় ?'

'বাৰু।'

মই গিচেলাৰ পৰা বিদায় লৈ গুচি আহিলো। ঘৰ আহি পাওঁতেই মাই জনালে যে এঘণ্টাৰ বেছি হল মানুহ এজন আহি মোৰ বাবে ৰৈ আছে। মই বেগাবেগিকৈ শোৱনি কোঠাত সোমাই গ'লো।

অ, আষ্টাৰিটা। শাৰীৰিক ক্লান্তি অনুভৱ কৰা বাবে মই পোনে পোনে গৈ বিচনাত বহিলো।

আষ্টাৰিটাই মোৰ কাষত আহি বহি মোৰ কঁকালত সাবটি ধৰিলে আৰু মৰম মিহলি দৃষ্টিৰে মোৰ মুখৰ পিনে চালে।

অধৈৰ্য্য হৈ মই কলো, 'অহ, তুমি কেবল এনেকুৱা বিচৰা। তুমি জনা উচিত প্ৰত্যেক বস্তুৰে এটা সীমা আছে।'

'মই তোমাক ভালপাওঁ আদ্ৰিয়ানা।'

'সেয়া মই জানো। পিছে তোমাৰ সতে মোৰ এটা গুৰুত্বপূৰ্ণ কথা আছে। আৰু সেইবাবেই তোমাক মাতি পঠিয়াইছো।'

সি মোৰ ডিঙিৰ তলত মুখখন গুজি দিলে। আৰু মোক জোৰে সাবটি ধৰিলে।

'তুমি পুলিচ বিভাগত কাম কৰা, নহয় জানো?'

'অঁ।'

'তেনেহলে মোক গ্ৰেপ্তাৰ কৰি জেললৈ ব'লা।' মই দৃঢ়ভাৱে কলো কথাখিনি।

'কিয়? কি হৈছে?'

'মই চোৰ। মই চুৰি কৰিছোঁ আৰু মোৰ সলনি এজনী নিৰ্দোষী তিৰোতা জেলত আছে। মই জেললৈ যাবলৈ প্ৰস্তুত।'

মুখখন তাৰ হঠাতে গম্ভীৰ হৈ পৰিল। 'খুলি কোৱা। সকলো কথা খুলি কোৱা।'

মই তাক সকলো কথা কলো। জিনোৰ চালাকিৰ কথা কলো কিন্তু তাৰ নাম উল্লেখ নকৰিলো। মোৰ খুব ইচ্ছা গৈছিল সোনজোগনো আৰু তাৰ হত্যাৰ কথা কৈ দিবলৈ কিন্তু খুব কষ্ট কৰি মই নিজকে প্ৰতিৰোধ কৰিলো।

'এতিয়া কোৱা তুমি কি কৰিবা। সেই তিৰোতাজনীক এৰি দিবা নে মই নিজে ধৰা দি তাইক মুকলি কৰি দিম।'

'ৰ'বাচোন ৰ'বা। খৰখেদাকৈ একো নকৰিবা। তদুপৰি এইবোৰৰ দৰকাৰেই বা কি। জেলত থাকিলেও এতিয়াতো তাইৰ শাস্তিৰ হুকুম হোৱা নাই। চোৱা যাওক।'

'নহয় মই আৰু অপেক্ষা কৰিব নোৱাৰো। তাই জেলত আছে

আৰু তাইক মাৰধৰ কৰা হৈছে। মই আৰু অপেক্ষা কৰিব নোৱাৰো।'

মই যে আন্তৰিকতাৰে কথাবোৰ কৈছিলো আষ্টাৰিটাই বুজিব পাৰিছিল। ক্ষন্তেক বৈ সি কলে, 'কিন্তু টকা চুৰিৰ মামলাও আছে।'

'তাই টকাও চুৰি কৰা নাই। কোনোবাই প্ৰতিহিংসা লৈছে।'

'কম্পাক্টটো তোমাৰ লগত আছে?'

'অঁ।' মই বেগৰ পৰা উলিয়াই আনি তাৰ পিনে আগবঢ়াই দিলো সেইটো।

সি কিন্তু সেইটো স্পৰ্শ কৰিবলৈ নিবিচাৰি চিঞৰি উঠিল, 'নালাগে নালাগে। মোক নিদিবা। মই তিৰোতাজনীক মুকলি কৰি দিব পাৰোঁ। কিন্তু তাই যে নিৰ্দোষী সেইটো প্ৰমাণ কৰিবও লাগিব।'

'এইটো লোবা আৰু মালিকক ঘূৰাই দি দিবা।'

ক্ষীণ হাঁহি এটি মাৰি সি কলে, 'তুমি দেখিছো এইবোৰ একোৱেই নুবুজা। মই কম্পাক্টটো তোমাৰ হাতৰ পৰা গ্ৰহণ কৰিলে অলপ দিগদাৰ আছে। গতিকে মোক দিব নালাগে। অন্য কোনো উপায়ে কম্পাক্টটো তুমি পুলিচৰ ওচৰলৈ পঠিয়াই দিব লাগিব। কিন্তু তুমি নিজকে প্ৰকাশ নকৰিবা।'

'মই ডাকযোগে পঠিয়াই দিম।'

'নহয়, তেনেদৰে নহব।'

তলমূৰ কৰি কিছু সময় সি নীৰৱে কিবা ভবাৰ পিছত মাত লগালে, 'বাৰু, তুমি কোনো ধৰ্মযাজকক চিনি পোৱা?'

মোৰ মনত পৰিল সেই ধৰ্মযাজকজনৰ কথা, ভিটৰবোৰ পৰা উভতি আহি মই যাৰ ওচৰত স্বীকাৰোক্তি কৰিছিলো।

মই কলো, 'অঁ, চিনি পাওঁ।'

'বেছ, তেনেহলে সেই ধৰ্মযাজকৰ ওচৰলৈ গৈ সকলো কথা খুলি কবা। আৰু এই কম্পাক্টটো তোমাৰ হৈ পুলিচৰ ওচৰলৈ পঠিয়াই

দিবলৈ তেওঁক অনুৰোধ কৰিবা। কোনো ধৰ্মযাজকে এই কাম কৰিবলৈ অস্বীকাৰ নকৰিব। কাৰণ তেওঁ পুলিচৰ ওচৰত কোনো কথা জনাবলৈ বাধ্য নহয়। মই দুদিন পিছত তোমালৈ ফোন কৰি জনাম যে সেই নির্দোষী তিৰোতাজনীক এৰি দিয়া হৈছে।'

আনন্দৰ আতিশয্যত মই তাক চুমা এটি খালো।

'তোমাৰ কিন্তু এনে কাম কৰা উচিত হোৱা নাই। টকাৰ দৰকাৰ হলে মোক জনাবা।' নৰম কণ্ঠেৰে আষ্টাৰিটাই কলে, 'আজিয়েই ধৰ্মযাজকৰ ওচৰলৈ যাবাতো?'

'অঁ, নিশ্চয়েই।'

ইতিমধ্যে আষ্টাৰিটাৰ আঙুলি বেইটাই মোৰ দেহৰ কোমল অংশবোৰ বিচাৰি ফুৰিছিল। মই তাৰ সদা-প্রজ্বলিত আৰু জাগ্রত হৈ থকা উন্মত্ত বাসনাৰ কথা জানিছিলো।

'আজি নালাগে। বেলেগ এদিন আহিবা। কি কোৱা?' মই কলো।

সি হেউনেউ কৰিলে আৰু অসম্মতিসূচক ভাবে কান্ধ জোকাৰিলে।

'তুমি মোক খুব ভালপোৱা?' মই সুধিলো।

করুণ স্বৰেৰে সি মাত লগালে, 'তুমিতো জানাই, তোমাক কিমান ভালপাওঁ।'

সি মোক জোৰেৰে তাৰ বুকুত মাজত সাবটি ধৰিলে।

মই তাৰ আলিংগনৰ পৰা মুক্ত হৈ কলো, 'ৰ'বা।' উঠি গৈ মই দুবাৰত খিলটো লগাই দিলো। তাৰপিছত খিৰিকী কাষলৈ গৈ পর্দাখন পেলাই দি খিৰিকীখন বন্ধ কৰি দিলো। গুণগুণাই গীত এটি গাই গাই কোটটো খুলি আলনাত থৈ দিলো। স্কার্টটো খুলি দাপোণৰ সম্মুখত থিয় হৈ নিজকে এবাৰ চালো। নিজকে অপৰূপ মোহময়ী যেন লাগি গ'ল। ব্রা'টো খুলিবলৈ লওঁতেই দুৱাৰত টোকৰ পৰিল।

মই কলো, 'মই এতিয়া ওলাব নোৱাৰো। পিচত।'

'খুব দৰকাৰী ' মাৰ কণ্ঠস্বৰ ভাহি আহিল।

কোটটো গাত মেলাই, লৈ মই দুৱাৰখন ফাক কৰি চালো। মাই মোক দুৱাৰখন বন্ধ কৰি ওলাই আহিবলৈ ইংগিত দিলে।

'কোনোবা এজন আহিছে। তোমাৰ লগত জৰুৰী কথা আছে হেনো।' মাই ফুচফাচকৈ কলে।

'কোন?' মই সুধিলো।

'মই চিনি নাপাওঁ। এজন যুৱক। গাৰ ৰং অলপ ক'লা।' মাই কলে।

মই ড্ৰয়িংৰুমলৈ গৈ ভুমুকি মাৰি চালো। দেখিলো গিয়াকোমো একান্ত আপোনমনে চোফাখনত বহি আছে। মাক কলো, 'তাক কোৱাগৈ যে মই এতিয়াই আহিছো। তাক যাব নিদিবা।'

শোৱনি কোঠালৈ উভতি আহি মই আষ্টাৰিটাক কলো, 'মই খুব দুঃখিত। আজি আৰু নহব। তুমি যোৱা সোনকালে।'

তাৰ মুখখন ক'লা পৰি গ'ল। সি কিবা কব খুজিছিল কিন্তু তাক কথা কোৱাৰ কোনো সুযোগ নিদি মিছা মাতিলো, 'মোৰ মাহীৰ হেনো খুব অসুখ। মাৰ লগত এতিয়াই হস্পিটাললৈ যাব লাগে।'

সি মোৰ পিনে বুৰ্বকৰ দৰে চাই ৰ'ল। যেন সি তাৰ দুৰ্ভাগ্যক বিশ্বাস কৰিব পৰা নাছিল।

'উঠা। কি কৰিবা। উপায়তো নাই।'

'বাৰু বাৰু উঠিছো।' সি লাহে লাহে খুলি থোৱা জোতাযোৰ পিন্ধি ললে। মই তাৰ কোটটো পিন্ধাত সহায় কৰি দিলো।

'মই সঁচাকৈয়ে দুঃখিত। কালি ৰাতি ডিনাৰ খাই আহিবা। তেতিয়া কোনেও আমাক আমনি নকৰিব।' মই কলো।

সি একো নামাতিলে। মই তাক হাতত ধৰি দুৱাৰমুখলৈ আগবঢ়াই থলো। সি গুচি যোৱাৰ লগে লগেই দুবাৰখন বন্ধ কৰি দিলো।

পাঁচ

উভতি আহি ড্ৰয়িংৰুমত সোমোৱাৰ লগে লগে গিয়াকোমোই মাত লগালে, 'মই এই পিনেৰে যাব ধৰিছিলো। হঠাৎ তোমালৈ মনত পৰিল। ভাবিলো এবাৰ দেখা কৰিয়ে যাওঁ। হয়তো মোৰ অহা উচিত নাছিল।'

'আৰে আহিছা তো ভালই কৰিছা। ইমান দিনে অহা নাছিলা কিয় ? দুষ্ট ক'ৰবাৰ।' মই আদৰেৰে কলো।

'মই খুব ব্যস্ত আছিলো।' সি উত্তৰ দিলে।

'ব'লা বাহিৰত চাহ খাই আহোঁ।' মই কলো।

'ব'লা।'

ঘৰৰ পৰা ওলাই দুয়ো ৰৌদ্ৰোজ্জ্বল পথেৰে খোজ পেলালো। তাক কলো, 'জানা আজি মই খুব সুখী। তোমাক লগ পাই মোৰ বৰ ভাল লাগিছে।'

গিয়াকোমোই অমনোযোগেৰে এবাৰ ইপিনে-সিপিনে চালে। ক্ষন্তেক ইতস্ততঃ কৰি থমকি ৰৈ গ'ল। 'শুনা, এটা কথা কিন্তু- '

'কি কথানো ? কোৱা।'

'মই হঠাতেই তোমাৰ লগত দেখা কৰিবলৈ আহিছো। মোৰ লগত কিন্তু এটা পইচাও নাই। আমি এতিয়া এৰাএৰি হোৱাই ভাল।'

'সেইবোৰ তুমি নাভাবিবা।'

'নহয়, মানে '

'আৰে বহু দিনৰ মূৰত তোমাক লগ পাইছো। মই জানো তোমাক লগ পোৱা উৎসৱ পালন কৰিব নোৱাৰো ?'

'নাই নালাগে।' কৰমৰ্দন কৰি সি গুচি যাবলৈ ওলাল। মই তাৰ হাত এখনত ধৰি টানি ৰেস্তোৰাঁৰ পিনে লৈ গ'লো।

আমি গৈ চিনাকি ৰেস্তোৰাঁখনত সোমালো। মেনুখন চাই মই অৰ্ডাৰ দিলো। মই সুৰাৰ কথা পাহৰিয়ে গৈছিলো কাৰণ মই সুৰা জেনেকৈ পান নকৰো। হঠাৎ মোৰ মনত পৰিল প্ৰথমবাৰ যেতিয়া আহিছিলো সি সুৰাপান কৰিছিল। সেয়ে সুৰাৰো অৰ্ডাৰ দিলো বেয়াৰাক মাতি।

মই নোট এখন উলিয়াই গিয়া কোমোৰ হাতত গুজি দি কলো, 'লোৱা তুমি দিবা।'

নোটখন মোৰ হাতৰ পৰা লৈ সি পুনৰ মোৰ বেগটো খুলি ভিতৰত সোমাই থৈ দিলে। 'পইচা বাৰু মযেই দিম।' সি কলে।

মই কিবা কবলৈ মুখ মেলোতেই সি মাত লগালে, 'আজি হঠাতেই ওলালোহি, বুইছা। পিছে এমাহ ধৰি তোমাৰ ওচৰলৈ অহাৰ কথা ভাবি আছিলো। কেবা দিনো তোমালোকৰ দুৱাৰমুখলৈকে আহি উভতি গৈছো। ভাবিছিলো আজিও কিজানি তোমাৰ ঘৰত সোমোৱা নহব। সেয়ে লগত একো অনা নাছিলো।'

খোবাৰ সময়ত মই গিয়ানকাৰ্লো আৰু গিচেলাৰ কথা উলিয়ালো।

'জানা সিহঁতে এটা নতুন ঘৰ লৈছে।'

'অ, সিহঁত দুজনে যেন দুজনৰ বাবেই জন্মিছে।'

সি এগিলাচ সুৰা একেবাৰতে খাই শেষ কৰিলে।

'মই শীঘ্ৰেই মাতাল হৈ পৰিম আৰু তাৰপিছত তোমাক ভাল-পোৱাৰ প্ৰতিজ্ঞাপত্ৰ পাঠ কৰি শুনাবলৈ ক'ম।

তাৰ কথাই মোৰ অন্তৰ ভেদ কৰি গ'ল। 'বুজিছা, মোক এইদৰে দুখ নিদিবা।'

'মই তোমাক দুখ দিছো?'

'অঁ, তুমি মোক ঠাট্টা কৰিছা।'

'নাই নাই, মই তোমাক ঠাট্টা কৰা নাই।' দ্বিতীয় গিলাচ মদ সি গিলি শেষ কৰিলে।

'তুমি যদি মোক কষ্ট দিব খোজা, দিয়া। তোমাৰ প্ৰতি মোৰ ভালপোৱা কিন্তু একেদৰেই থাকিব।'

মনোযোগেৰে সি মোলৈ চালে। 'বাৰু এতিয়া যোৱাই যাওক।'

'কলৈ ?'

'তোমাৰ ঘৰলৈ।'

'খোৱা শেষ হলে উঠিম। খাব দিয়া।'

'আৰু পলম কৰিলে কিন্তু মই মাতাল হৈ পৰিম।'

'হোৱা।' মই হাঁহি হাঁহি কলো।

'মই ইমান বেছি মাতাল হৈ যাম যে অসুস্থ হৈ পৰিম আৰু তেতিয়া এজন অসুস্থ মানুহক তুমি শুশ্ৰূষা কৰিব লগাত পৰিবা।'

'তেনেহলে আৰু নাখাবা।' মই বাধা দিলো।

সি হাঁহি দিলে। 'ভয় নাখাবা। মই ইমান সহজে অসুস্থ হৈ নপৰো। তুমি মদ নোখোৱা কিয় ?'

'মইভালনাপাওঁ। তদুপৰি এগিলাচেইমোক উন্মত্ত কৰিবলৈযথেষ্ট।'

'মই কৈছো এগিলাচ খোবানা। আমি দুয়োজনেই উন্মত্ত হৈ পৰিম।'

'উহু '

'খোৱানা অলপ।'

মই গিলাচটো আগবঢাই দি কলো, 'দিয়া অকণমান। নাজানো ইয়াত তুমি কি আনন্দ পাবা।'

প্ৰথমে গিলাচটোৰ পিনে, তাৰপিছত মোৰ পিনে চাই সি হাঁহি দিলে।

'মই এনেয়ে ধেমালি কৰিছিলো।'

'আচ্ছা।' মই হাঁহি দিলো।

'ঘৰলৈ নোযোৱা জানো ?' সি সুধিলে।

'যাম।'

'ব'লা তেনেহলে।'

ওৱেটাৰক মাত্তি তাৰ হাতত দিবলগীয়া টকাখিনিতকৈও অলপ বেছি টকা দি সি বহাৰ পৰা উঠিল। দুয়ো ৰেস্তোৰাঁৰ পৰা ওলাই ঘৰ অভিমুখে ৰাওণা হলো।

ঘৰত আহি উপস্থিত হোৱাৰ লগে লগে গিচেলাৰ নতুন ধুনীয়া ঘৰলৈ মনত পৰিল। কিমান ধুনীয়া কিমান সুন্দৰ সেই ঘৰটি। বাৰে বাৰে মোৰ সেই ঘৰটিৰ কথাই মনত পৰিল। গিয়াকোমো গৈ মোৰ বিচনাত বহিল। তাৰ কাপোৰ খোলাত ময়ো সহায় কৰি দিলো। ময়ো যেতিয়া নিৰাভৰণ হলো সি মোক জোৰেৰে সাবটি ধৰিলে।

• আৰু এটা সময়ত ক্লান্ত হৈ সি মোৰ কাষতে শুই থাকিল।

দীৰ্ঘ নীৰৱতাৰ পিছত গিয়াকোমোই মাত লগালে, 'মোক অলপ সহায় কৰিবা ? তোমাক বিশ্বাস কৰিব পাৰো ?'

'এই কথা কিয় সুধিছা ?'

'মানে মই তোমাক পাৰ্চেল এটা দিম। কেইদিনমানৰ বাবে সেইটো ৰাখিব পাৰিবা ? পিচত সেইটো লৈ গৈ আন এটা থৈ যাম।'

তাক খুচী কৰিবলৈ কামটো কৰা উচিত বুলি ভাবিলো। সেয়ে পাৰ্চেলটোৰ সম্বন্ধে কোনো প্ৰশ্ন নুসুধি ৰাজী হৈ গ'লো।

'তেনেহলে তুমি মান্তি ?'

'ওঁ।'

'তোমাৰ জানিবলৈ ইচ্ছা নহয় পাৰ্চেলটোৰ ভিতৰত কি আছে ?'

'তুমি যদি কব নোখোজা ইচ্ছা নাই জানিবলৈ।'

'বিপদজনক কিবা থাকিবওতো পাৰে।'

'থাকিলেও থাকক। তোমাৰ বাবে তাকো ৰাখিবলৈ সাজু।'

'কিবা চুৰি কৰা বস্তুও তো থাকিব পাৰে। ধৰা মই এজন চোৰ।'

মোৰ মনত পৰিল সোনজোগনোৰ কথা। সি কেৱল চোৰেই নহয়, খুনীও। লগে লগে মোৰ মনত পৰিল কম্পাৰ্ট আৰু দোকানৰ পৰা কাপোৰ চুৰি কৰাৰ কথা।

মই তাৰ গাত মৰমেৰে হাত ফুৰাই কলো, 'নহয় নহয়, তুমি কেতিয়াও চোৰ হব নোৱাৰা।'

'কিয় নোৱাৰো? নিশ্চয় পাৰো।'

'কিন্তু তোমাকতো তেনে যেন নালাগে।'

'কেনে লাগে?'

'সম্ভ্ৰান্ত বংশৰ ল'ৰা যেন লাগে।'

'মইতো অন্য কিছুও হব পাৰো।'

মই ভাবিলো, চোৰৰ দৰে মোৰ চেহেৰা নহয় কিন্তু তথাপি মই চোৰ। কেইটামান মুহূৰ্ত ইতস্তত কৰি মই কলো, 'মই বিশ্বাস কৰিব নোখোজো যে তুমি চোৰ। তোমাক চোৰ যেন মনত নহয়। কিন্তু কি ঠিক হবওতো পাৰা। মোৰ কথাই ধৰানা। মোক জানো চোৰ যেন লাগে?'

মোৰ পিনে চাই সি কলে, 'নালাগে।'

'কিন্তু মই চোৰ।'

'তুমি চোৰ।'

'ওঁ।'

'তুমি কি চুৰি কৰিছা?'

মই কম্পাৰ্টটো উলিয়াই তাৰ আগত দাঙি ধৰিলো। 'কিছুদিন আগতে এখন ঘৰৰ পৰা এইটো চুৰি কৰিছো। কাপোৰৰ দোকানৰ পৰা কাপোৰ এখনো চুৰি কৰিছো।'

সি তথা লাগি মোৰ মুখলৈ চাই ৰ'ল। মোৰ ভয় লাগি গ'ল সি ছাগে মোৰ সতে আৰু মিলিত হবলৈ নাহিব।

'তুমি আকৌ নাভাবিবা যে চুৰি কৰি মই আনন্দ লাভ কৰো।

আজিয়েই কম্পাক্টটো ওভতাই দিম বুলি ভাবিছো। আৰু কেতিয়াও চুৰি নকৰো বুলি মনস্থ কৰিছো।'

মোৰ দুহাতত মৰমেৰে চেপি ধৰি সি কলে, 'মই কিন্তু চোৰ নহয়। আৰু সেই পাৰ্চেলবোৰতো কোনো চুৰি মাল নাই। তাত আছে কিছুমান ছপাকৰা ইস্তাহাৰ।'

'ইস্তাহাৰ ?'

'অঁ। বৰ্তমান চৰকাৰক বিৰোধিতা কৰা এটা দলৰ মই সভ্য। আমাৰ দলে এই চৰকাৰৰ সোনকালে পতন হোৱাটোকে বিচাৰে। ইস্তাহাৰবোৰৰ যোগেদি আমি জনসাধাৰণক এই চৰকাৰৰ দোষ-ত্ৰুটি বোৰ জনাব খুজিছো। তদুপৰি কেনেকৈ এই চৰকাৰক শাসনচ্যুত কৰিব পাৰি সেই বিষয়েও কিছু কথা আছে।'

ৰাজনীতিৰ সৈতে কোনোদিনেই মোৰ সম্পৰ্কনাছিল। গিযাকোমোৰ কথাখিনিৰ গুৰুত্ব উপলব্ধি কৰি মই কলো, 'কিন্তু এই কাম আইন বিৰুদ্ধ। বিপদজনক।'

'জানো। পিচে তুমি কামটো কৰিবানে নাই ?'

'মই নিজৰ কথা ভবা নাই, তোমাৰ কথাই ভাবিছো।'

'মোৰ বাবে চিন্তা কৰিব নালাগে। তেনেহলে কথা ৰ'ল। দুই এদিনৰ ভিতৰতে-পেকেটটো মই আনি দিম।'

বিচনাৰ পৰা খৰধৰকৈ সি উঠি বহিল। 'বহুত পলম হৈ গ'ল—' সি নিজকে নিজে কলে। উঠি গৈ সি কাপোৰ-কানিবোৰ ঠিকঠাক কৰি ললে। মই তাৰ কোটটো পিন্ধাত সহায় কৰি দিলো। কোটৰ পকেটত টান কিবা এটাৰ স্পৰ্শ পাই মই সুধিলো, 'এইটো কি ?'

'ৰিভলভাৰ। কোনোবা দিনা কামত লাগিব।'

মই কিবা কোৱাৰ আগেযেই মোৰ ওঁঠত চুমা এটি আঁকি দি বিদায় লৈ সি ঘৰৰ পৰা ওলাই গ'ল। যোবাৰ সময়ত কৈ গ'ল, 'দুই-এদিনৰ ভিতৰতে আকৌ আহিম।'

ছয়

পিচদিনা ভিটৰবো ভ্ৰমণৰ পিছত যিটো গীৰ্জাত মই স্বীকাৰোক্তি কৰিছিলো সেইটো গীৰ্জাত গৈ হাজিৰ হলো। মোৰ মনত পৰিল স্বীকাৰোক্তি গ্ৰহণকাৰী ফাদাৰ ইলিয়াৰ কথা। তেওঁৰ বাহিৰে কম্পাক্টটো উভতাই দিয়াৰ কামটো কোনেও কৰিব নোৱাৰিব বুলিয়েই মোৰ মনত হল। ফাদাৰ ইলিয়াই মোক চিনি পায়। আগতে এবাৰ তেওঁৰ ওচৰত স্বীকাৰোক্তি কৰিছো। সেয়ে মোৰ মনত হল তেওঁৰ ওচৰতে মই মোৰ হৃদয়ৰ লজ্জাজনক কৃতকৰ্মৰ বোজা পাতলাব পাৰিম।

খটখটী বগাই দুৱাৰৰ ডাঠ পৰ্দাখন হাতেৰে অলপ ফাক কৰি মুৰত ৰুমাল এখন বান্ধি মই গীৰ্জাত প্ৰবেশ কৰিলো। শূন্য জলপূৰ্ণ পাত্ৰত হাত দুখন জুবুৰিয়াবলৈ গৈ পাত্ৰটোৰ গাত খোদিত চিত্ৰ এখন দেখি মই থৰ লাগি গ'লো। এগৰাকী নগ্ন নাৰী, চুলিবোৰ তাইৰ বতাহত উঠিছে। হাত দুখন ওপৰলৈ তুলি তাই প্ৰাণটাকি দৌৰিছে আৰু ভাটো পাখীৰ দৰে ঠোঁটৰ ড্ৰাগন এটাই তাইৰ পিচে পিচে খেদি গৈছে। ছবিখন দেখি মোৰ মনত হল সেই নাৰীজনী যেন মযেই।

মই লাহে লাহে ফাদাৰ ইলিযাৰ স্বীকাৰোক্তি গ্ৰহণ কৰাৰ স্থানত গৈ আঠুকাঢি বহিলো। আৰু সোনকালে কামখিনি সমাধা কৰিবলৈ অধৈৰ্য্য হৈ পৰিলো। সেয়ে স্বীকাৰোক্তি গ্ৰহণকাৰীয়ে মোক কোনো কথা কোবালৈ অপেক্ষা নকৰি মই কলো, 'ফাদাৰ ইলিয়া, মই আপোনাৰ ওচৰলৈ স্বাভাবিক স্বীকাৰোক্তি কৰিবলৈ অহা নাই। মই

এটা প্ৰয়োজনীয় কামত আহিছো। আশা কৰো আপুনি মোক সহায় কৰিব।'

কাঠৰ পাৰ্টিচনৰ সিফালৰ পৰা স্বীকাৰোক্তি গ্ৰহণকাৰীয়ে ক্ষীণ কণ্ঠেৰে মোক কবলৈ অনুমতি দিলে। পাৰ্টিচনৰ সিফালে ফাদাৰ ইলিয়াৰ অৱস্থিতি সম্বন্ধে মই ইমান নিশ্চিত হওঁ যে মোৰ মনত হল মই যেন তেওঁৰ শান্ত সুন্দৰ মুখখনি দেখিবলৈ পাইছো।

মই চকুযুৰি বন্ধ কৰি পাৰ্টিচনৰ গাত মূৰটো আওজাই সকলো কথা খুলি কলো। মোৰ পেচা, জিনো, আষ্টাৰিটা আৰু সোনজোগনোৰ কথাও কলো। শেষলৈকে কোনো বাধা নিদিয়াকৈ ফাদাৰ ইলিযাই মোৰ সকলো কথা শুনি গ'ল। তাৰ পিছত ধীৰ, কোমল আৰু গম্ভীৰ স্বৰেৰে কলে, 'তুমি মোক ভীতিজনক কাহিনী এটা শুনালা। স্বীকাৰোক্তি কৰিবলৈ আহি তুমি ভালেই কৰিছা। যিমানখিনি সম্ভৱ মই তোমাক সহায় কৰিম।'

ক্ষন্তেক নীৰবতাৰ পিছত ফাদাৰ ইলিয়াই মাত লগালে, 'তুমি মোক যিবোৰ কথা কলা সেইবোৰ ভালদৰে ভাবি চোৱা দৰকাৰ। এটা নহয়, বহুত কথাই তুমি কৈছা। কিছুমান তোমাৰ নিজৰ, কিছুমান আনৰ। তুমি নিজে যিবোৰ কৰিছা সেইবোৰ তুমি অন্যায় বুলি মন কৰা নে নাই?'

'মই স্বীকাৰ কৰো মই অন্যায় কৰিছো।'

'তাৰবাবে তুমি জানো অনুতাপ নকৰা?'

'হয়, মই অনুতপ্ত।'

'যদি তুমি আন্তৰিকভাবে অনুতপ্ত হোৱা তেনেহলে তুমি মুক্তি লাভৰ আশা কৰিব পাৰা। দুৰ্ভাগ্যৰ বিষয় তুমি অকলে নহয়, আৰু অনেক তোমাৰ লগত জড়িত। তুমি এটা হত্যাকাণ্ডৰ কথাও কৈছা। হত্যাকাৰীৰ নাম প্ৰকাশ কৰি তুমি তাক শাস্তি দিবলৈ কোনো আবেগ অনুভৱ নকৰা জানো?'

মই নীৰৱে ৰলো। তেওঁ আৰু কলে, ‘আইনে শাস্তিও দিয়ে আকৌ ক্ষমাও কৰে। কোনো কষ্টৰ বিনিময়ত তুমি জানো স্থায়ক ৰক্ষা কৰিবলৈ নিবিচৰা ?’

মই কলো, ‘হত্যাকাৰীৰ নাম প্ৰকাশ কৰাৰ কথা মই ভাবি চাব লাগিব। এভিয়া কেৱল এই বস্তুটো আপোনাক ঘূৰাই পঠিয়াবলৈ অনুৰোধ কৰো।’

দুটি-এটি প্ৰাৰ্থনাৰ অন্তত তেওঁ আকৌ মোক প্ৰশ্ন কৰিলে মই সঁচাকৈয়ে অনুতপ্ত হয় নে নহয় আৰু নিজৰ জীৱনধাৰা পৰিবৰ্তন কৰিবলৈ ৰাজী হয় নে নহয়। তাৰপিছত তেঁও মোক ‘মুক্তি’ দিলে। বুকু আৰু কপালত হাতেৰে এটি ক্ৰুশ চিহ্ন আঁকি মই স্বীকাৰোক্তিৰ স্থান পৰিত্যাগ কৰিলো।

ফাদাৰ ইলিয়া দুৱাৰখন খুলি মোৰ সম্মুখত আহি থিয় হল। নিজৰ বুকুত হাত এখন থৈ তেওঁ প্ৰাণহীন স্বৰেৰে কলে, ‘তুমি আৰু আগতে কিয় মোৰ ওচৰলৈ নাহিলা।’

মই তেওঁক কব খুজিছিলো যে ভগবানে ইয়াৰ আগতে মোৰ বাবে স্বীকাৰোক্তি নিৰ্ধাৰিত কৰা নাছিল। কম্পাক্টটো তেওঁৰ হাতত তুলি দি মাথো কলে, ‘দয়া কৰি যিমান সোনকালে পাৰে পঠিয়াই দিব। মই আপোনাক বুজাব নোৱাৰিম সেই নিৰ্দোষী তিৰোতাজনীৰ বাবে মই কি ভীষণ কষ্ট পাইছো।’

তেওঁ মোৰ পৰা কম্পাক্টটো লৈ কলে, ‘বাৰু।’

মই তেওঁক অভিবাদন জনাই গীৰ্জাৰ পৰা ওলাই আহিলো। জানিছিলো, স্বীকাৰোক্তি এটা ধৰ্মানুষ্ঠান। জানিছিলো যি কোনো যাজকৰ পক্ষে এই ধৰ্মীয় অনুশাসন লঙ্ঘন কৰা সম্ভৱ নহয়। স্বীকাৰোক্তিৰ চিল-মোহৰ অলঙ্ঘ্যনীয়। কিন্তু তথাপিও কিয় জানো মোৰ হঠাতেই মনত খেলাই গ’ল, যাজকজনে যদি স্বীকাৰোক্তিৰ গোপনীয়তা ৰক্ষা নকৰে।

পিয়াকোমোৰ কথা এবাৰ মনত পৰিল। তাক এবাৰ দেখা কৰাৰ কথা ভাবিলো। তাৰ ঘৰৰ ঠিকনা মই জানিছিলো।

পিচদিনা তাৰ ঘৰত গৈ ওলালো। মোক দেখি সি আচৰিত হল। 'কিবা সকামত নে ?'

মই হাঁহি হাঁহি কলো, 'নাই, এনেয়ে তোমাক দেখিব আহিছো, হয়তো এয়াই আমাৰ শেষ দেখাও হব পাৰে।'

'তাৰ মানে ?'

'হয়তো কাইলৈ মানে মই জেলৰ ভাত খাব লগাত পৰিব।'

'কিয় ? মই একো বুজিব পৰা নাই।'

তাৰ মাতবোৰ কঁপিছিল। মই বুজিব পাৰিছিলো সি ভয় খাইছিল। হয়তো ভাবিছিল পুলিচৰ ওচৰত মই তাৰ কথা কৈ দিছো।

'তুমি একো নাভাবিবা। তোমাৰ কোনো বিপদ নঘটে।' মই কলো।

'মোৰ কথা মই ভবা নাই। পিচে তুমি জেলৰ ভাত খাব লগা কিয় হল বুজিব পৰা নাই।' সি উঠি গৈ দুৱাৰখন বন্ধ কৰি দি মোৰ কাষত আহি বহিল।

মই তাক সকলো কথা কলো। স্বীকাৰোক্তিৰ কথাও কলো। সি আগ্ৰহেৰে মোৰ কথাবোৰ শুনি গ'ল। সকলো কথা খুলি কোৱাৰ পিছত মই কলো, 'মোৰ ধাৰণা যাজকজনে ছাগে মোৰ নাম প্ৰকাশ কৰি দিব।'

মোৰ পিনে চাই সি কান্ধ জোকাৰি কলে, 'তেনে কাম তেওঁ কেতিয়াও নকৰে।'

কিছু সময় নীৰৱতাৰ পিছত হঠাৎ সি প্ৰশ্ন কৰিলে, 'তোমাৰ বন্ধুৰ খবৰ কি ? কেনে ধৰণৰ মানুহ ?'

মই ঠিক সেই মুহূৰ্তত সোনজোগন্নোৰ বিষয়ে এঁকা কবলগীয়া কথা বিচাৰি নাপালো।

'দেখিবলৈ কেনে ?'

'কিয় ? তুমি তাকে গ্ৰেপ্তাৰ কৰিবা ?' মই হাঁহি হাঁহি কলো। 'তাক যদি ধৰা তেনেহলে ময়ো ধৰা পৰিম কিন্তু। মনত ৰাখিবা। চেহেৰাত তাৰ কোনো বিশেষত্ব নাই। তাৰ গাত কিন্তু প্ৰচুৰ শক্তি আছে। বাহুত বল আছে।'

'তুমি কেনেকৈ জানিলা ?'

তাকে বেচ আগ্ৰহী যেন দেখি জিনোৰ সতে বাটত ঘটা ঘটনাৰ কথা কলো।

সি মোৰ কাষ চাপি আহি মোক মৰম কৰি সুধিলে, 'তুমি জানিবলৈ নিবিচৰা মই তোমাক ভাল পাওঁ নে নাপাওঁ ?'

মই তাৰ কথা এৰাই যাবলৈ চেষ্টা কৰিলো। 'মোৰ সম্বন্ধে তোমাৰ কি ধাৰণা ?' মই এনেয়ে সুধিলো।

'কিয় ?'

'বাহ, মোৰ জনাৰ প্ৰয়োজন নাই ? মই তোমাক ভালপাওঁ এয়াই মোৰ পক্ষে যথেষ্ট ?'

'মোক ভাল পাই তুমি ভাল কৰা নাই। সোনজোগনোৰ দৰে লোকক তুমি ভালপোৱা উচিত ।

তাৰ কথাত মই অবাক হৈ গ'লো। 'তাৰ মানে তুমি কব খোজা তাৰদৰে এজন খুনীক—' মই বৈ গ'লো।

'সি যেনেকৈ খুন কৰিব পাৰে তেনেকৈ ছাগে কাৰোবাক ভাল পাবও পাৰে। কিন্তু মই '

'তুমি সোনজোগনোৰ সতে নিজকে তুলনা নকৰিবা। সি এটা খুনী। তাৰদৰে মানুহে কেতিযাও কাকো ভালপাব নোবাৰে। সি কেবল ইন্দ্ৰিয়ৰ সুখ বিচাৰে। যি কোনো নাৰীদেহ তাৰবাবে সমান।'

গিয়াকোমো নীৰৱে ৰ'ল। মই তাক সাবটি ধৰি মৰেমেৰে মাতিলো, 'মিনো—'

সি চমকি উঠিল, 'হু, মোক মিনো বুলি মাতিলা যে?'

'গিয়াকোমো নামটো সৰু কৰি ললো। কিয়, বেয়া লাগে নেকি?'

'নালাগে।'

'মিনো!' মই আকৌ মৰমেৰে মাতিলো।

'হোঁ?'

'মই আহিছোঁই যেতিয়া পেকেটটো মোৰ হাতত দিয়া। মই লুকুৱাই ৰাখিম।'

'নাই নাই, আষ্টাৰিটাৰ সতে তোমাৰ বন্ধুত্ব থাকিলে এই কাম নহব। যদি তাৰ চকুত পৰে?'

'কিয়, আষ্টাৰিটাই জানো মোক বিপদত পেলাব?'

'সিতো এটা জানোৱাৰ।'

'তেনেহলে পেকেটটো মোক নিদিযা?' মই আৰু কথা নবঢাই পোনে পোনে সুধিলো।

'তেনেহলে তোমাক কলোযেইবা কিয়?'

'তুমি বিপদজনক বেআইনী কিবা কৰি দেখুৱাবৰ বাবে এনেযে কৈছিলা।'

'তুমি কিয় তেনেকৈ ভাবিলা?'

মই হাঁহি হাঁহি কলো, 'তোমাৰ হাবভাব দেখি।'

'সঁচাকৈয়ে কামটো খুব গুৰুত্বপূৰ্ণ।' ক্ষন্তেক ৰৈ সি গম্ভীৰ স্বৰেৰে কলে, 'মই সকলো কিছু সৎ ভাৱেই কৰিব বিচাৰো আৰু ধৰা পৰিলে সকলোৱে বুজিব পাৰিব মই সৎ আছিলো নে নাই।'

মই কোনো কথা নকলো। মনে মনে ৰ'লো। মাথো তাক দুহাতেৰে সাবটি ধৰিলো। লাহে লাহে সি উত্তেজিত হৈ পৰিল।

'ব'লা বিচনালৈ।' মই কলো।

'উহু '

'তেনেহলে মোৰ ঘৰলৈকে ব'লা।'

'এতিয়া কলৈকে যাব নোৱাৰিম। দুজনমান বন্ধু অহাৰ কথা আছে।'

মই তাক সাবটি ধৰি মৰম কৰিলো। তাৰপিছত আমি দুয়ো ড্ৰয়িং ৰুমতে সম্ভোগ-সুখ উপভোগ কৰিলো। মই কানি-কাপোৰ বোৰ ঠিকঠাক কৰি লৈছো মাত্ৰ এনেতে এগৰাকী বৃদ্ধা পৰিচাৰিকাই দুৱাৰখন খুলি দিলে আৰু দুজন মানুহ কোঠাৰ ভিতৰলৈ সোমাই আহিল। তাৰে এজনে মাত লগালে, 'হেল্লো গিয়াকোমো।'

মই বুজিব পাৰিলো সিহঁত নিশ্চয় গিয়াকোমোৰ ৰাজনৈতিক বন্ধু। সেয়ে সিহঁতৰ পিনে মই বেছ কৌতুহলী দৃষ্টিৰে চালো।

মোক দেখি অলপ লজ্জিত হৈ আনজনে মাত লগালে, 'আমি ছাগে খুব সোনকালে আহিলো।'

'নাই নাই, ঠিক সময়তেই আহিছা।' গিয়াকোমোই লৰালৰিকৈ উত্তৰ দিলে। তাৰপিছত মোৰ পিনে চাই কলে, 'আড্ৰিয়ানা আহা, মোৰ বন্ধু দুজনৰ সতে চিনাকি কৰি দিওঁ। এওঁ টুলিও আৰু এওঁৰ নাম টোমাচো।'

মই হাঁহি হঁহি দুয়োৰো সতে কৰমৰ্দন কৰিলো। 'চিনাকি হৈ সুখী হলো।' দুযোৱে কলে। মযো সুখী হোৱা বুলি কলো, যদিও সেই মুহূৰ্তত মই সিহঁতৰ উপস্থিতি কামনা কৰা নাছিলো।

মোৰ অস্বস্তিৰ ভাব উপলব্ধি কৰিযেই ছাগে টোমাচোই মাত লগালে, 'আমি নহলে এতিয়া যাওঁ। কাইলৈ আকৌ আহিম।'

'অঁ—যোৱা যোৱা। কালি দেখা কৰিব পাৰিবা।' মই ঘপৰাই কলো।

মোৰ কথা শুনি গিয়াকোমোক মাত লগাই দুয়ো গুচি গ'ল।

সিহঁত গুচি যোবাৰ পিছত গিয়াকোমোই খঙেৰে কলে, 'তুমি কিয় সিহঁতক পঠিয়াই দিলা? সিহঁতৰ সতে দৰকাৰী কথা আছিল।'

'আজিৰ এই সন্ধিয়াটো তোমাৰ সতে কটাবলৈ বিচাৰিছো। একান্ত নিবিড়ভাৱে।'

মোৰ মুখলৈ চাই সি শান্ত হৈ গ'ল।'

'মইতো এতিয়া ঘৰৰ মালিকিনী চিনোৰো মেডোলাঘিৰ ঘৰত খাবলৈ যাম।'

'ময়ো তোমাৰ লগত যাম।'

'তোমাক কি বুলি পৰিচয় কৰাই দিম?'

'তোমাৰ যি ইচ্ছা।'

'তোমাক মোৰ প্ৰণয়িনী বুলিয়েই ক'ম। কি কোৱা?'

মোৰ মনত যে তেতিয়া কিমান ৰং লাগিছিল তাক বুজাব নোৱাৰিম। মই উঠি কাষৰ কোঠালৈ গ'লো। দাপোণৰ ওচৰত থিয় হৈ কাণি-কাপোৰবোৰ ঠিক কৰি ললো। দাপোণৰ সন্মুখত থিয় হৈ হঠাতেই মোৰ জিনোৰ গৃহকৰ্ত্ৰীৰ ভিলাটিৰ কথা মনত পৰি গ'ল। মোৰ মনলৈ ভাহি আহিল কম্পাক্ট চুৰি কৰাৰ কথা। মোৰ জীৱনৰ সেই অতিক্ৰান্ত সময়ৰ সতে বৰ্তমান মুহূৰ্তটিৰ তুলনা নকৰি থাকিব নোৱাৰিলো। কিছু সময় মই থৰ হৈ ৰ'লো। এনেতে সি সোমাই আহিল। দাপোণত তাৰ প্ৰতিবিম্বটো ভাহি উঠিল। মই ভাৱিছিলো সি ছাগে পিচপিনৰ পৰা সাবটি ধৰি চুমা এটি খাব। কিন্তু সি ওচৰৰ চকী এখনত বহি চিগাৰেট এটা জ্বলাই সুধিলে, 'হল নে নাই?'

মই আহি তাৰ কাষত থিয় দি কলো, 'হ'ল। ব'লা।'

দুয়ো গৈ চিনোৰো মেডোলাঘিৰ ঘৰত উপস্থিত হলো। মেডোলাঘিয়ে দুয়োকো নি বহুৱালে। মই তেওঁলৈ চালো। মধ্যবয়স্কা। বেচ দীঘল। ৰুক্ষ ক'লা চুলি।

মোক মৰমেৰে সুধিলে, 'তোমাৰ নামটো কি?'

'আদ্ৰিয়ানা।' মই কলো।

'মোৰ ছোৱালীজনীৰ নামো আদ্ৰিয়ানা। ভালেই হল, মই দুজনী আদ্ৰিয়ানা পালো।'

মই কাষত বহি থকা একেই নামৰ ছোৱালীজনীলৈ চালো। তাই ক্ষীণ কণীয়া। মূৰৰ চুলি ঘন নহয়, তেনেই পাতল। মুখখন বেচ সৰল। মোৰ চকুৱে চকুৱে পৰাত তাই তলমূৰ কৰিলে।

খোবাৰ টেবিলত বহি মেডোলাঘিয়ে গিযাকোমোৰ সতে কথা পতাত লাগি গ'ল।

'মই নাজানিছিলো যে তুমি বিবাহত প্ৰতিশ্ৰুত। কিমান দিন হল ?'

'আজি প্ৰায এমাহেই হল। গিয়াকোমোই উত্তৰ দিলে।'

'তাই ৰোমৰে ছোৱালী ?'

'অঁ।'

'বিযাখন কেতিযা পাতিবা ?'

'খুব সোনকালেই। ভাল ভিলা এটাও ঠিক কৰিব লাগিব।'

'ভিলাবোৰ ভাল সঁচা কিন্তু সিমান স্বাচ্ছন্দ্যকৰ নহয়। তোমাৰ চাকৰ-বাকৰো ৰাখিব লাগিব নহয ?'

'নাই, চাকৰ-বাকৰৰ দৰকাৰ নহব। আদ্ৰিয়ানাই ৰন্ধাবঢা সকলো কৰিব পাৰিব।' কথাখিনি কৈ মোৰ পিনে চাই সুধিলে, 'পাৰিবা নহয় আদ্ৰিযানা ?'

চিনোৰো মেডোলাঘিযে এবাৰ মোৰ পিনে চালে। তাৰপিছত কলে, 'সম্ভ্ৰান্ত ঘৰৰ ছোৱালী হৈ '

গিযাকোমোই আনন্দেৰে মাত লগালে, 'আদ্ৰিয়ানা সম্ভ্ৰান্ত ঘৰৰ ছোৱালী নহয়। তাই সাধাৰণ ঘৰৰ ছোৱালী। তাই সকলো কৰিব পাৰিব।'

'মই সেই কথাই কব খুজিছো। মানে অভ্যস্ত থাকিলে পাৰিবই।' মেডোলাঘিযে কথাৰ সুৰ সলনি কৰি কলে।

'আজিয়ানা আমাৰ স্বাস্থ্যবান আৰু কৰ্মঠ জাতিৰ প্ৰতিনিধি। সেইবাবেই তাইক মোৰ আৰু বেছি ভাল লাগে।'

মেডোলাঘিয়ে পৰিচাৰিকা এজনীক মাতি কিবা আনিবলৈ কলে। আৰু কথাৰ মোৰ ঘূৰাই কলে, 'তুমি আজিৰ নাটকখন চাবলৈ নোযোৱা ?'

'সেইখন নাটকৰ কথা মোক নকব। একেবাৰে বাজে।'

'সকলোৱে দেখোন অভিনয় ভাল হোৱা বুলিয়ে কৈছে।'

উত্তৰত সি কিবাকিবি কলে। তাৰপিছত দুয়োই অভিনয়, ৰোমৰ ৰাতিৰ জীৱন, কাফে, চিনেমা, থিয়েটাৰ আদিৰ বিষয়ে নানান কথা পাতিলে। সিহঁতৰ কথা-বতৰা প্ৰথমতে ভাল লাগিল। পিচত আৰু ভাল নলগা হল।

খোৱা লোৱা শেষ হোবাৰ পিছত আমি এটা সময়ত মেডোলাঘিৰ পৰা বিদায় লৈ ওুচি আহিলো।

গিয়াকোমোৰ প্ৰতি গভীৰ অনুৰাগত মোৰ হৃদয় উপচি পৰিল। মই তাক গভীৰভাৱে সাবটি ধৰিলো। 'মই তোমাক ইমান ভাল পাঁও মিনো।' মৰমতে আকৌ তাক মিনো বুলিযেই মাতিলো।

সি মোৰ ওঁঠত চুমা এটি আঁকি দিলে।

সাত

সঁচাকৈয়ে মই গিয়াকোমোৰ প্ৰেমত পৰিলো। বহুবাৰ মই মোৰ পেচা ত্যাগ কৰাৰ কথা ভাবিলো যিটো মোৰ প্ৰেমৰ সম্পূৰ্ণ বিপৰীত। কিন্তু প্ৰেমত মজিলেও মোৰ অৱস্থা অপৰিবৰ্তিত থাকে।

মাজে মাজে কথাৰ চলত উল্লেখ কৰাৰ বাহিৰে ৰাজনীতি সম্বন্ধে সি মোক কোনো কথা কোৱা নাছিল। এনেকি মোৰ ধাৰণাই নাছিল তাৰ উদ্দেশ্য কি, চিন্তাধাৰা কি, সি কোন দলভুক্ত। কিন্তু কিছুতেই মই মনৰ পৰা ভয় আৰু বিপদৰ আশংকা দূৰীভূত কৰিব পৰা নাছিলো। কাৰণ মইজানিছিলো চৰকাৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাটো বিপদজনক। মোৰ ভয় হৈছিল মিনো হয়তো কোনো হিংসাত্মক কামত লিপ্ত হৈ পৰিব।

এদিন মই মনে মনে তাৰ কোটৰ পকেটৰ পৰা ৰিভলভাৰটো উলিয়াই গুলিবোৰ তাৰপৰা উলিয়াই ৰাখি দেৰাজত লুকাই থৈ দিলো। পিচত এদিন ফুৰিবলৈ যাওঁতে গুলিবোৰ নদীত পেলাই দিলো।

হঠাতেই এদিন আষ্টাৰিটা আহি ওলাল। আহিয়েই সি কলে, ‘পৰিচাৰিকাজনীক এৰি দিয়া হৈছে। যাজকজনে কম্পাক্টটো পুলিচৰ হাতত গটাই দিছিল আৰু মই তাইৰ নিৰ্দোষিতা প্ৰমাণ কৰিছো। ফলত তাইৰ চৰিত্ৰত কোনো কলঙ্কৰ ছাপ নপৰাকৈয়ে তাই মুক্তিলাভ কৰিছে।’

আষ্টাৰিটাৰ মুখত সুখবৰটি শুনি মই খুচী হলো। স্বীকাৰোক্তি কৰাৰ পিছত যাজকজনে মোক ধৰাই দিব পাৰে বুলি মনত যি এটা ভয় জন্মিছিল তাৰ পৰাও ৰেহাই পালো।

'তুমি পৰিচাৰিকাজনীৰ বাবে ইমানকৈ ভাবিছিলা কিয় ?' সন্দেহৰ চাৱনিৰে আষ্টাৰিটাই সুধিলে।

'তোমাৰ বাবে আচৰিত লাগিব পাৰে কাৰণ তুমি প্ৰতিদিনা বহু নিৰ্দোষী লোকক জেলত ভৰাই থোৱা। সঁচাকৈয়ে পৰিচাৰিকাজনীৰ বাবে মনত খুব কষ্ট পাইছিলো।'

'মই কাকো জেললৈ নপঠিয়াওঁ, মই মোৰ কৰ্ত্তব্য পালন কৰো।'

মই তাক সুধিলো, 'তুমি যাজকজনৰ সতে দেখা কৰিছিলা ?'

'দেখা কৰা নাই। ফোন কৰিছিলো।'

'সঁচাকৈয়ে তুমি মোক ভালপোৱা ?'

সি মোক জোৰেৰ তাৰ বুকুৰ মাজত হেচি ধৰি কলে, 'এই কথা তুমি মোক সুধিছা ?'

সি তাৰ মুখখন মোৰ মুখৰ কাষলৈ আগুৱাই আনিলে। মই বাধা দিলো।

'মই যদি তোমাক ভাল নাপাওঁ ?'

'কিয় ?'

'এনেয়ে।'

'তুমি জানো আন কাৰোবাক ভাল পোৱা।'

'তাত তোমাৰেই বা কি হল ?'

তাৰ কামুক দৃষ্টি মোৰ মোৰ সমগ্ৰ শৰীৰৰ ওপৰত নিবদ্ধ কৰি সি মাত লগালে, 'কিন্তু তোমাক যে মোৰ একান্ত প্ৰয়োজন।'

মই মনে মনে ভাবিলো গিয়াকোমো, মোৰ মৰমৰ মিনো, মোৰ অন্যান্য ক্ষণস্থায়ী প্ৰণয়ীবোৰৰ দৰে নহয়। আষ্টাৰিটাৰ ওচৰত নিজকে সমৰ্পণ কৰিলে মিনোৰ প্ৰতি বিশ্বাসঘাতকতা কৰা হব। সেয়ে মই আষ্টাৰিটাক নিৰাশ কৰিলো। নিৰাশ মনেৰেই আষ্টাৰিটা মোৰ কোঠাৰ পৰা ওলাই গুচি গ'ল।

ইতিমধ্যে দুটা সপ্তাহ পাৰ হৈ গ'ল। এই কেইদিন মই প্ৰায়েই গিয়াকোমোৰ সতে মিলিত হৈছিলো। আৰু এই দিনবোৰ আছিল মোৰ জীৱনৰ সকলোতকৈ আনন্দৰ দিন।

হঠাৎ এদিন গিয়াকোমোই মোক প্ৰশ্ন কৰি বহিল, 'আমালোকৰ বাবে কাম এটা কৰিবা ?'

'কাৰবাবে ?'

'আমাৰ দলৰ বাবে। আমাৰ প্ৰচাৰপত্ৰবোৰ বিলি কৰাত তুমি সাহায্য কৰিবা ?'

মই সদাযেই এনে কিছু কাম কৰিবলৈ ইচ্ছুক আছিলো যাৰ ফলত আমাৰ বন্ধন আৰু দৃঢ় আৰু দৃঢ়তৰ হয়। মই আগ্ৰহেৰে কলো, 'নিশ্চয় কৰিম।'

'তোমাৰ ভয় নালাগে ?'

'ভয় লাগিব কিয় ? তুমি যদি কৰিব পাৰা মই নোৱাৰিম কিয় ?'

'বেছ কথা। কিন্তু প্ৰথমে তুমি জানিব লাগিব কি আদৰ্শৰ বাবে তুমি বিপদৰ বোজা লবলৈ ওলাইছা।'

'বুজাই দিয়া।'

'কিন্তু তোমাক আগ্ৰহান্বিত যেন লগা নাই।'

'তুমি যি কৰা তাতেই মোৰ আগ্ৰহ বেছি। অন্ততঃ তুমি কৰা বুলিয়েই।'

সি মোৰ পিনে চালে। চকু দুটা তাৰ উজ্জ্বলি উঠিল। 'খুব ভাল কথা। তোমাক বুজাই দিম বাৰু। কিন্তু সময় লাগিব আৰু ধৈৰ্য্য ধৰি শুনিব লাগিব, বুজিব লাগিব।'

'মই বুজিবলৈ চেষ্টা কৰিম।'

গিয়াকোমো ক্ষন্তেক নীৰৱে ৰ'ল। তাক অলপ চিন্তাক্লিষ্ট যেন দেখা গ'ল।

'কোবা।'

মই তাৰ নৈৰাশ্যজনক হাবভাব আৰু নিৰ্লিপ্ত চাৱনি লক্ষ্য কৰিলো। কিন্তু সেই বিষয়ে কোনো কথা সুলিয়ালো।

'নাই, শুনি কোনো লাভ নাই। তুমি কোনো কথাতেই মন নিদিবা।'

'মই মনোযোগেৰে শুনিম। তুমি মাথো '

'সঁচাকৈয়ে তুমি জানিব খুজিছা? কিন্তু কিভাবে তোমাক ক'ম ভাবি পোৱা নাই।'

'কিয়?'

'নাজানো কিয় জানো মোৰ ভাব হৈছে মোৰ উদ্দেশ্য যেন অস্পষ্ট হৈ গৈছে। ভাবনা, ধাৰণা, ঘটনা, স্মৃতি, বিশ্বাস চব যেন খেলিমেলি হৈ গৈছে।'

মই সংশয়াকুল দৃষ্টিৰে তাৰ পিনে চালো। মই তাৰ কাষ চাপি গ'লো। সি ক্ষীণ কণ্ঠেৰে কলে, 'তুমিতো জানাই।'

মই বাধা দি কলো, 'মই একো নাজানো। মই মাথো জানো মই তোমাক ভালপাওঁ। আৰু এযাই মোৰ বাবে যথেষ্ট।'

আঠ

মোক বুকুৰ মাজত সাবটি ধৰি গিয়াকোমোই এদিন কলে, 'তোমাক মোৰ জীৱন সংগিনী কৰি লবলৈ ইচ্ছা কৰিছো। তুমি মোৰ হবা। মোৰ আপোন।'

মই মনে মনে সেই দিনটোলৈয়ে অপেক্ষা কৰি আছিলো। সোনকালে আমাৰ বিয়াখন হৈ যোৱাটোকে বিচাৰিছিলো।

'উত্তৰাধিকাৰী সূত্রে মই বহুত সম্পত্তি লাভ কৰিম। ঘৰখন ধুনীয়াকৈ সজাম। ধুনীযা এখন গাড়ী, ধুনীয়া এটা ঘৰ। কি কোৱা? ...'

মই একো কোৱা নাছিলো। মাথো তাক সাবটি ধৰি মনে মনে ভাবিছিলো এতিয়াৰ পৰা মই কেবল মোৰ মৰমৰ মিনোৰ সাহায্য আৰু সান্নিধ্য লাভ কৰিম।

এনেতে হঠাৎ এদিন সোনজোগনো আহি ওলাল। মোৰ ঘৰত তাৰ উপস্থিতি মই কামনা কৰা নাছিলো।

'তুমি আকৌ আহিলা কিয়?' মই পোনে পোনেই সুধিলো।

'তুমিযেই দেখো মোক আহিবলৈ কৈছিলা।'

কথাটো সঁচা। ময়েই তাক আহিবলৈ কৈছিলো। কিন্তু সেই মুহূর্তত তাৰ কোনো প্রযোজন মই বোধ কৰা নাছিলো।

'তোমাৰ সতে জিনোৰ দেখা হৈছে?' সহজ হৈ সি সুধিলে।

'নাই হোৱা।'

চাৰিওপিনে এবাৰ চকু ফুৰাই সি মাত লগালে, 'কিয় নাজানো কিছুদিন হল মোৰ ধাৰণা জন্মিছে যেন কোনোবাই মোৰ পিচ লৈছে। কেবল দুজনে মোক ধৰাই দিব পাৰে। তুমি আৰু জিনো।'

'জিনো ?'

'অঁ। যিজন সোণাৰীৰ ওচৰত মই কম্পাক্টটো বিক্ৰী কৰিবলৈ গৈছিলো সি জানিছিল। মই তাক সোণাৰীজনৰ নামটোও কৈছিলো। যদিও সি নাজানে যে ময়েই সেই সোণাৰীজনক হত্যা কৰিছো তথাপি অনুমান কৰিব পাৰে।'

'তোমাক ধৰাই দি জিনোৰ কোনো লাভ নহব। বৰং সি নিজেও ধৰা পৰি যাব।'

'ময়ো তাকেই ভাবো।'

'আৰু মোৰ ফালৰ পৰাতো তুমি নিশ্চিন্তে থাকিব পাৰা। মই কোনো কথাই নকওঁ। মই মূৰ্খ নহওঁ। মযো দেখোন ধৰা পৰি যাম।'

'ময়ো আশা কৰিছো তোমাৰ নিজৰ মংগলৰ বাবেই তুমি একো নকৰা। সোনজোগনোই মৰম মিহলি দৃষ্টিৰে মোৰ পিনে চালে। মোৰ গিয়াকোমোলৈ মনত পাৰিল। মোৰ মনত হ'ল মই যেন নিজকে প্ৰতাৰণা কৰিছো।'

'শুনা, তুমি এতিয়া গুচি যোৱাই ভাল।'

'কিয় ?'

'মই এজনক ভাল পাওঁ।'

'কোন নো তোমাৰ প্ৰেমিক ?'

নামটো কবলৈ মোৰ ভয় লাগিল। 'নাই, তাক তুমি নিচিনিবা।'

সোনজোগনোই কিন্তু মোৰ কথালৈ মন-কাণ নিদি কাপোৰবোৰ খুলি চেয়াৰত থলে। 'মই আৰু আগতেই আহিলোহেতেন কিন্তু আহিবই পৰা নাছিলো। জানা, তোমাৰ কথাই মই সকলো সময়তে ভাবো।'

'মোৰ কথা তুমি কি ভাবা ?'

'ভাবো আমি দুজনে যেন দুজনৰ বাবেই জন্মিছো। আচলতে আজি মই তোমাৰ ওচৰত এটা প্ৰস্তাব লৈ আহিছো।'

'কি ?'

'ব'লা, আমি মিলানলৈ গুচি যাওঁ। তাত গৈ আমি দুয়ো বিবাহ পাশত আবদ্ধ হম। তুমি মোৰ হবা। মোৰ কিছু টকা আছে। তাত গাড়ী ভাল কৰাৰ কাৰখানা এটা খুলিম বুলি ভাবিছো।'

মোৰ মনত হ'ল মই যেন ক্ৰমে দ্ৰবীভূত হৈ পৰিছিলো। হয়তো এনে এটা জীৱনৰ বাবে মই আকুল হৈছিলো বাবেই খুচীৰ আতিশয্যত মোৰ চকুযুৰি আপোনা-আপুনি মুদ খাই গ'ল। কিন্তু পিচ মুহূৰ্ত্ততে সকলো কিছুই ভয়ংকৰ আৰু অস্বাভাৱিক যেন লাগিল।

দুৰ্বল কণ্ঠেৰে মই কলো, 'কিন্তু আমি দুয়ো দুয়োক দেখোন ভালকৈ নাজানো।'

কাষ চাপি আহি সি তাৰ হাত এখন মোৰ কান্ধত থলে। 'তোমাতকৈ ভালদৰে মোক কোনোৱে নাজানে। তুমিতো মোৰ বিষয়ে সকলো জানা।'

'তোমাৰ বিষয়ে মই একো নাজানো। কেবল জানো যে তুমি সেই সোণাৰীজনক হত্যা কৰিছা।'

কোমল কণ্ঠেৰে সি কলে, 'জানা, মই অকলে খুউব ক্লান্ত হৈ পৰিছো।'

ক্ষন্তেক নীৰৱে ৰৈ মই কলো, 'কিন্তু মই এতিয়াই হঁা বা না একো কব নোৱাৰিম। মোক ভাবিবলৈ সময় দিয়া।'

'অঁ, তুমি ভাবি চাবা।' কথাখিনি কৈযেই সি পুনৰ কাপোৰ খোলাত লাগিল।

মই মনে মনে ভাবিলো তাৰ দৰে মানুহৰ বাহিৰে মই আৰু কি আশা কৰিব পাৰো।

'তুমি যে মিলানলৈ যোৱাৰ কথা কৈছা পুলিচে যদি তোমাক '

'পুলিচে মোৰ অস্তিত্বই নাজানে।'

মই উঠি গৈ কোটটো খুলি টেবিলৰ ওপৰত থৈ দিলো। তাৰপিচত

দাপোণৰ সন্মুখলৈ গৈ ব্লাউজৰ বুটামবোৰ খুলিবলৈ আৰম্ভ কৰিলো। শেষ বুটামটো খুলি পুনৰ মাৰি থৈ সোনজোগনোৰ পিনে চালো। সি তেতিয়া মোজাযোৰ ভিতৰত সোমাই থৰ ধৰিছে। মই সহজভাৱেই কলো, 'তুমি অলপ ৰোৱা। আজি কেনোবা এজন অহাৰ কথা আছে। মাক কৈ আহো সি আহিলে যাতে মই নাই বুলি কৈ পঠিয়াই দিয়ে।'

সোনজোগনোক কোনো কথা কবলৈ সুযোগ নিদি মই কোঠাৰ পৰা ওলাই দুৱাৰখন বন্ধ কৰি ড্ৰয়িং ৰুমলৈ গ'লো। মা খিৰিকী কাষত বহি কিবা চিলাই আছিল। কিছুদিন হল সময় কটাবৰ বাবে মা চিলাইৰ কাম আৰম্ভ কৰিছে। মই মাক কলো, 'কালি ৰাতিপুৱা মোক গিচেলা নাইবা জেলিগুৱাৰ ঘৰত ফোন কৰিবা।'

জেলিগুাই ঘৰ ভাড়া দিছিল আৰু মই মাজে মাজে তাত মোৰ ক্ষণস্থায়ী প্ৰণয়ীবোৰক লৈ গৈছিলো। মাই জানিছিল।

'কিয ?'

'মই এতিয়া ওলাই যাওঁ। মোৰ কোঠাত থকা মানুহজনে মোৰ কথা সুধিলে তুমি একো নাজানো বুলি কবা।'

মাই হঁা কৰি মোৰ মুখৰ পিনে চাই ৰ'ল।

মই পুনৰ কলো, 'মোৰ কথা একো নকবা।'

'কিন্তু—'

'টকা য'ত থাকে তাতেই আছে।' কথাখিনি কৈয়েই মই ঘৰৰ পৰা ওলাই বেগাবেগিকৈ খোজ ললো। পাৰ্কলৈ খোজকাঢি গৈ তাৰ পৰা টেক্সী এখন লৈ পোনে পোনে গিয়াকোমোৰ ঘৰত গৈ ওলালো।

বৃদ্ধা পৰিচাৰিকাজনীয়ে মোক দেখি তধা লাগি চাই ৰ'ল। মই সুধিলো, 'গিযাকোমো আছে ?' তাই মুখেৰে একো নামাতি ভিতৰলৈ সোমাই গ ল।

ক্ষন্তেক পিছত চিনোৰো মেডোলাঘি ওলাই আহিল। 'তুমি গিযাকোমোক বিচাৰিছা ?'

'অঁ।'

'সিতো নাই। তাক গ্রেপ্তাৰ কৰি লৈ গৈছে।'

মই চমকি উঠিলো। মনে মনে ভাবিলো সোনজোগনোৰ অপৰাধৰ বাবেই হয়তো সি ধৰা পৰিছে।

'কিয় তাক ধৰি নিলে ?'

'মই একো নাজানো। পুলিচে আহি ঘৰ খানাতালাচ কৰি তাক ধৰি লৈ গৈছে।'

মই তাত আৰু ক্ষন্তেকপৰো ৰ'ব নোবাৰিলো। পুনৰ উভতি খোজ ললো। মই বুজিব পাৰিলো সোনজোগনোৰ অপৰাধ আৰু গিয়াকোমোৰ গ্রেপ্তাৰ তুটা বেলেগ ঘটনা। তুটাৰ মাজত বন্ধনসূত্র কেবল মোৰ ভীতি। মই অনুভব কৰিলো তুর্ভাগ্য কেতিয়াও অকলে নাহে।

হঠাতে মোৰ আষ্টাৰিটালৈ মনত পৰি গ'ল। মই তাৰ অফিচৰ ফোন নম্বৰ জানিছিলো। অফিচত তাক ফোন কৰিলো। কিন্তু লগ নাপালো।

মই আৰু ৰ'ব নোৱাৰিলো। চিধা চেষ্টাল জেল অভিমুখে ৰাওণা হলো। যদিও জানিছিলো মই হয়তো তাৰ কোনো খবৰেই নাপাম তথাপি তাৰবাবে কিবা যে এটা কৰিছো এই ভাবিয়েই অন্ততঃ স্বস্তি লাভ কৰিব খুজিছিলো।

মই গৈ পুলিচ ষ্টেচনত হাজিৰ হলো। চকী এখনত ভৰি তুলি পুলিচ এটাই বাতৰিকাকত পঢ়ি আছিল। মোক দেখি মই কলৈ যাম সুধিলে। মই তপৰাই কৈ দিলো, 'আলিয়েনৰ অফিচত।' আষ্টাৰিটাৰ মুখতে এদিন থানাৰ সেই শাখাটিৰ নাম শুনিছিলো।

অপৰিচ্ছন্ন এটা খটখটী বগাই মই ওপৰলৈ উঠিলো। মোৰ মনত হল থানাখন যেন এখন মৌচাক। কিন্তু যিবোৰ মৌমাখি ইয়াত বাস কৰে সিহঁতে ফুলে ফুলে নুঘূৰে কিম্বা মধুও আহৰণ নকৰে। নাকলৈ

দুৰ্গন্ধ এটা ভাহি আহিল। মই কোনোমতে ওপৰ মহলাত উঠি কৰিডৰেৰে খোজ পেলালো। কৰিডৰৰ দুয়োকাষে অসংখ্য কোঠা। প্ৰতিটো কোঠাৰ সন্মুখত এজনকৈ ৰক্ষী। কোনোবাই বহি চিগাৰেট হুপিছে, কোনোবাই প্ৰাণহীন পুতলাৰ দৰে ৰৈ আছে। তাৰ এজনক সুধিলো, 'প্ৰধান দাৰোগা চাহেবৰ কোঠা কোনটো?'

ওচৰৰ কোঠা এটালৈ মোক আঙুলিয়াই দেখুৱালে। মই গৈ সেই কোঠাটোত সোমালো। চকীখনত গম্ভীৰভাৱে বহি থকা মানুহজনে মোলৈ মুৰ দাঙি চালে।

'মই গিয়াকোমোক বিচাৰি আহিছো। তাক ক'ত ৰাখিছে?' মই অনুনয়-বিনয় কৰি কলো।

মানুহজনে মোৰ পিনে দৃষ্টি নিবদ্ধ কৰি কলে, 'তুমি জানিব খুজিছা?'

'হয়।'

'কিন্তু তুমি কোন? তোমাক ইয়াত সোমাবলৈয়ে বা দিলে কোনে?' মানুহজনে চিঞৰি উঠিল।

'সেইবোৰ জানিতো আপোনাৰ একো লাভ নহব। মোক কেবল জানিবলৈ দিয়ক সি ক'ত আছে।'

'বাহ, তোমাৰ দেখিছো অদ্ভুত সাহস। জানা তুমি ক'ত থিয় হৈ আছা?'

মই ভাবিলো হঠাৎ যদি কিবা এটা ঘটি যায় আষ্টাৰিটাৰ লগত দেখা কৰিবও নোৱাৰিম আৰু গিয়াকোমোকো মুক্ত কৰিব নোবাৰিম। গতিকে ইয়াৰপৰা যোৱাই ভাল।

মই খৰধৰকৈ কলো, 'চাওক মোৰ ভুল হৈ গৈছে। মোক ক্ষমা কৰিব।'

মই ক্ষমা বিচৰাত মানুহজন আৰু ক্ষুব্ধ হৈ উঠিল। মই লৰালৰিকৈ তাৰ কোঠাৰ পৰা ওলাই পোনে পোনে আহি ৰাজপথত থিয় দিলো। এবাৰ মিছাতে ইমান কষ্ট তদুপৰি সময়ো নষ্ট হল। আষ্টাৰিটাক আকৌ ফোন কৰাৰ কথা ভাবিলো। কিন্তু হঠাতেই মোৰ মনত এটি প্ৰশ্নৰ

উদয় হ'ল, আষ্টাৰিটাই প্ৰতিহিংসা চৰিতাৰ্থ কৰিবলৈ গিয়াকোমোক ধৰি দিয়া নাইতো ? মনে মনে ভাবিলো, গিয়াকোমোক যি ৰাজনৈতিক পুলিচ বাহিনীয়ে গ্ৰেপ্তাৰ কৰিছে আষ্টাৰিটা সেই বাহিনীৰে উচ্চপদস্থ বিষয়া। নিশ্চয় সি গিয়াকোমোৰ ওপৰত কিছুদিনৰ পৰা নজৰ ৰাখিছিল আৰু মোৰ সতে তাৰ সম্পৰ্কৰ কথাও জানিব পাৰিছিল। অসম্ভৱ একো নহয়, যে গিযাকোমো সংক্ৰান্ত কিবা কাগজপত্ৰ তাৰ হাতত পৰিছে আৰু হিংসাতে সি তাক ধৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। কথাখিনি ভবাৰ লগে লগে আষ্টাৰিটাৰ ওপৰত মোৰ ভীষণ খং উঠি গ'ল।

কাফে এখনৰ পৰা মই আষ্টাৰিটাক ফোন কৰিলো। সিটো মূৰৰ পৰা আষ্টাৰিটাৰ কণ্ঠস্বৰ ভাহি অহাত মই কলো, 'অঁ, মই আদ্ৰিয়ানাই কৈছো, মই এতিযাই তোমাৰ লগত এবাৰ দেখা কৰিব বিচাৰো।'

'এতিয়াই ?'

'ওঁ, এতিযাই। জৰুৰী কাম এটা আছে। মই মন্ত্ৰণালয়ৰ বাহিৰত অপেক্ষা কৰিম।'

'বুইছা, কাম এটা কৰা। তুমি মোৰ অফিচলৈকে আহা।'

'বাৰু।' ফোনটো থৈ মই তাৰ অফিচলৈ ৰাওণা হলো। আগতে এবাৰ তাৰ অফিচলৈ গৈছিলো। বাট চিনি পাওঁ। বেছি দেৰ নালাগিল।

আষ্টাৰিটাৰ অফিচ কক্ষলৈ সোমাই গৈ মই পোনে পোনে কলো, 'চোৱা, গিয়াকোমোক যদি তুমি গ্ৰেপ্তাৰ কৰিছা তাক এতিয়াই মুকলি কৰি দিয়া। নহলে তুমি আৰু মোক দেখা নাপাবা।'

'কি কলা ? গিয়াকোমো ? গিযাকোমো আকৌ কোন ?'

তাৰ মুখখন দেখিয়েই মই বুজিব পাৰিলো যে সি এই বিষয়ে একো নাজানে।

'মই ভাবিছিলো তুমি সকলো জানা।' মই তাক সকলো কথা কলো। গিয়াকোমোৰ প্ৰতি মোৰ ভালপোৱা, তাৰ গ্ৰেপ্তাৰৰ

কথা সকলো কলো। কিন্তু গিয়াকোমাৰ প্ৰতি মোৰ ভালপোৱাৰ কথা কোৱাৰ লগে লগে তাৰ মুখৰ ৰং সলনি হৈ গ'ল। মই সঁচা কথা কোৱা শ্ৰেয়ঃ বুলি মন কৰিলো। ভাবিলো, মিছা মাতিলে হয়তো গিয়াকোমোৰ কিবা ক্ষতি হব পাৰে। মই মোৰ কথাবোৰ দৃঢ় আৰু উত্তেজিত স্বৰেৰে আৰম্ভ কৰিলেও শেষ কৰিলো চকুৰ পানীৰে। 'নাজানো। সি বা ক'ত কি কষ্টত আছে।'

'তুমিকৈ বেছিকৈ নাভাবিবা।' আষ্টাৰিটাই মোক সান্ত্বনা দিলে।

'তাৰ কথা নভবাকৈ মই যে থাকিব নোৱাৰো।'

সেই প্ৰথম তাক দেখি মনত হল মই যি অনুগ্ৰহ বিচাৰিছো সেয়া দিবলৈ সি অনিচ্ছুক। তাৰ হাতত হাত থৈ কলো, 'গিযাকোমোক যদি মুকলি কৰি দিব পাৰা তেনেহলে তুমি যি বিচৰা তাকেই দিম।'

ক্ষন্তেক নীৰৱে বৈ সি বহাৰ পৰা উঠিল আৰু মোক অলপ ৰ'বলৈ কৈ কোঠাৰপৰা ওলাই গ'ল।

এই বিষয়ে মই ইমানেই অজ্ঞ আছিলো যে আষ্টাৰিটাই এতিযাই কাৰোবাক কৈ গিয়াকোমোক মুক্ত কৰি দিব বুলি ভাবিছিলো। সেয়ে মই অধৈৰ্য্যৰে আষ্টাৰিটাৰ আগমনলৈ বাট চাই ৰ লো।

কিছু সময়ত পিছত আষ্টাৰিটা আহি কোঠাত প্ৰবেশ কৰিলে আৰু খঙেৰে চিঞৰি উঠিল, 'কোনে কৈছে সি ধৰা পৰি'ছে ? সি পুলিচৰ ওপৰত গুলি চলাই পলাই গৈছে। এজন পুলিচ সংকটাপন্ন অৱস্থাত হস্পিটালত পৰি আছে। পুলিচে যদি তাক ধৰিব পাৰে, নিশ্চয় ধৰিবই, তেতিয়া তাৰবাবে মই আৰু একোই কৰিব নোৱাৰিম।'

মই অবাক হৈ থৰ লাগি ৰ'লো। মোৰ মনত পৰিল তাৰ বিভলভাৰৰ পৰা গুলিবোৰ উলিযাই থোৱাৰ কথা। সি ছাগে মোক নজনোৱাকৈ পুনৰ তাত গুলি ভৰাই লৈছিল। বহু কথাই মই ভাবিলো। ভাবিলো তাৰ লগত মই বিদেশত ক'ৰবালৈ পলাই যাম। আমাৰ নতুন জীৱন আৰম্ভ হব। সি পলাই সাৰিছে বুলি জানিব পাৰি মই

আনন্দিত হলো। মোৰ আনন্দ দেখি আষ্টাৰিটাই চিঞৰি উঠিল, 'আমি তাক ধৰিমেই। তুমি ছাগে ভাবিছা আমি তাক ধৰিব নোৱাৰিম।'

'মই সেইবোৰ একোৱেই নাজানো। সি যে পলাই গৈছে তাতেই মই খুচী।'

'আমি তাক ধৰিমেই। ইমান সহজে সি পুলিচৰ চকুত ধূলি দিব নোৱাৰে।'

'তুমি ইমান ক্ৰুদ্ধ কিয়?'

'ক'তা।'

'ক্ৰুদ্ধতো হবাই। সি তোমাৰ হাত এৰাই পলাই গৈছে। সেয়ে তোমাৰ খং।'

হঠাতেই টেলিফোনটো বাজি উঠিল। আষ্টাৰিটাই ৰিচিভাৰটো তুলি ললে। ফোনত কথা পতাৰ লগে লগে আনন্দত তাৰ মুখখন উজ্জ্বলি উঠিল। ফোনত কি কথা-বতৰা হল মই একো বুজিব নোৱাৰিলো। কিছুসময় পিছত ৰিচিভাৰটো যথাস্থানত থৈ আষ্টাৰিটাই কলে, 'সঁচাকৈয়ে তোমাৰ বাবে মোৰ দুঃখ লাগিছে। তোমাক ভুল খবৰ দিছিলো। গিযাকোমোক গ্ৰেপ্তাৰ কৰিবৰ বাবে পুলিচৰ প্ৰধান কাৰ্য্যালযৰ পৰা তোমাৰ আৰু গিয়াকোমোৰ দুযোৰে ঘৰত ছাৰ্চ কৰা হৈছিল। চিনোৰা মেডোলাঘিৰ ঘৰত গিযাকোমোক গ্ৰেপ্তাৰ কৰা হয়। কিন্তু তোমাৰ ঘৰত পুলিচে শ্বেতাঙ্গ যুৱক এজনক লগ পায়। পুলিচক দেখিয়েই সি গুলি চলাই পলাই যায়। সি নিশ্চয় এনে কোনো লোক, পুলিচলৈ যাৰ ভয় আছে।'

মোৰ মূৰত যেন সৰগ ভাঙি পৰিল। মই মনে মনে নিজকে নিজে কলো, মোৰ মৰমৰ মিনো তেনেহলে জেলত। আৰু সোনজোগনোই নিশ্চয় ময়েই তাক পুলিচক ধৰাই দিয়াৰ চেষ্টা কৰা বুলিয়েই ভাবিছে। মোৰ ওপৰত ভুল ধাৰণা লৈয়েই সি পলাইছে।

মোৰ বিবৰ্ণ চেহেৰা দেখিয়েই ছাগে বিজয়ীৰ হৰ্ষোৎফুল্ল কণ্ঠেৰে কলে, 'আহা, এই বিষয়ে কিবা এটা ভাবি ঠিক কৰো।'

মই নীৰৱে ৰ'লো।

'মই বাৰু যথাসাধ্য চেষ্টা কৰিম।' আষ্টাৰিটাই পুনৰ মাত লগালে, 'মই নিজেই তাক জেৰা কৰিম। আৰু তাক এৰি দিয়াৰ চেষ্টাই কৰিম।'

'তুমি যিয়ে নকৰা মই তাতেই কৃতজ্ঞ থাকিম—' নিৰ্লিপ্ত কণ্ঠেৰে মই কলো।

'যি কি নহওক তোমাৰ ঘৰত পুলিচে যিজন মানুহক দেখিছে যদি কোনো ভয়ৰ কাৰণ নাই তাৰ নামটো মোক কৈ দিয়া। তেতিয়াহলে আমাৰ পক্ষে তাক ধৰাটো সহজ হব।

মই কলো, 'মই তাৰ নাম নাজানো।'

'তুমি নিজেই পুলিচ কমিচনাৰৰ ওচৰলৈ গৈ তুমি যি জানা সকলো কথা খুলি কবা। জৰুৰ যাবা। নগ'লে তোমাৰ বাবেই অমংগল।'

'বাৰু মই যাম।' ক্ষীণ কণ্ঠেৰে কথাখিনি কৈয়েই মই তাৰপৰা বিদায় লৈ তাৰ অফিচকক্ষ ত্যাগ কৰিলো।

ন

আষ্টাৰিটাৰ অফিচৰ পৰা ওলাই আহি ক'ত যাম ভাবিলো। গিচেলাৰ কথা মনত পৰিল। কিন্তু তাইৰ ঘৰটো বহুত দূৰত। তদুপৰি মই নিশ্চিত নাছিলো যে গিচেলাই মোক আশ্ৰয় দিব। আহিবৰ সময়ত মাক যি জেলিণ্ডাৰ নাম কৈছিলো তাইয়েই মোৰ একমাত্ৰ উদ্ধাৰৰ কাণ্ডাৰী। তাই মোৰ বন্ধু, তদুপৰি তাইৰ ঘৰটো কাষতে। মই তাইৰ ঘৰতে যাবলৈ ঠিক কৰিলো।

জেলিণ্ডাৰ ঘৰত গৈ যেতিয়া উপস্থিত হলো তেতিয়া সন্ধিয়া নামি আহিছিল। দুৱাৰ খুলি দিয়াৰ লগে লগে জেলিণ্ডাক কলো, 'আজি ৰাতিৰ বাবে কোঠা এটা লাগে।'

'আজি অকলে ?'

'অঁ।'

তাই মোক ভিতৰলৈ নি দুৱাৰখন বন্ধ কৰি দিলে। ঘণ্টা হিচাবে ঘৰ ভাড়া ললেও জেলিণ্ডাই মোক ভাল পাইছিল। মৰম কৰিছিল।

মোৰ চিনাকি কোঠাটোলৈ লৈ আহি লাইটটো জ্বলাই দি জেলিণ্ডাই সুধিলে, 'তোমাৰ গা ভাল নাই নেকি ?'

'ভালেই আছো।'

মৰম মিহলি কণ্ঠেৰে তাই কলে, 'কাৰোবাক আশা কৰিছিলা ছাগে ? সি নহাৰ বাবে হতাশ হৈ পৰিছা।'

'অঁ।' মই মিছা মাতিলো।

'সেই যুৱকজন ছাগে—যাক লৈ তুমি শেহৰ বাৰ আহিছিলা।'

গভীৰ দুখত প্ৰায় বাকৰুদ্ধ হৈ মই কোনোমতে কলো, 'তুমি ঠিকেই ধৰিছা।'

'হতাশ হোৱাৰ কোনো কাৰণ নাই। কিবা অসুবিধা হোৱা হেতুকে ছাগে আহিব নোৱাৰিলে।'

মই একো নামাতিলো। ক্ষন্তেক বৈ জেলিওাই মোৰ পিনে চাই মাত লগালে, 'ব'লা, দুয়ো একেলগে খাওঁ।'

'নাই, মই খাইয়েই আহিছো।'

'তোমাৰ যদি কিবা দৰকাৰ হয় মোক মাতিবা।' জেলিওাই দুৱাৰখন জপাই গুচি গ'ল।

মই বিচনাত দীঘল দি পৰিলো। গুই গুই ভাবিলো সোন-জোগনোইতো মই তাৰ সতে বিশ্বাসঘাতকতা কৰা বুলিয়েই ভাবিব। সি হয়তো মোৰ বাবে বৈ বৈ অধৈৰ্য্য হৈ পৰিছিল, ত ৰপিছত সি খং মনেৰে পুনৰ ক্লাপোৰবোৰ পিন্ধিছিল। এনেতে হয়তো দুজন মাত্ৰ পুলিচ কোঠাটোলৈ সোমাই আহিছিল আৰু সি পিস্তল উলিয়াই পলাই গৈছিল পুলিচৰ গালৈ গুলি এৰি। খেলিমেলি বহুত কথা ভাবি থাকোতেই এটা সময়ত মই টোপনিৰ কোলাত ঢলি পৰিলো।

ৰাতিপুৱা যেতিয়া সাৰ পালো জেলিণ্ডাই মোক নাম ধৰি মতা যেন শুনিবলৈ পালো। মই লৰৰি আহি দুৱাৰমুখত থিয় দিলো। জেলিণ্ডাই কলে, 'তোমাৰ ফোন।'

মই তাইৰ কাষলৈ গ'লো। মোৰ হাতত ৰিচিভাৰটো তুলি দি জেলিণ্ডা ৰান্ধনি ঘৰলৈ গ'ল।

ফোনৰ সিটো মুৰৰ পৰা মাৰ কণ্ঠস্বৰ ভাহি আহিল, 'আদ্ৰিয়ানা ?'

'ওঁ।'

'তুমি গুচি গ'লা কিয় ? ইয়াত যে কি ঘটি গ'ল যদি জানিলা-হেতেন। তুমি মোক সাৱধান কৰি দি যোৱা উচিত আছিল। মোৰ ইমান ভয় লাগিছিল—।'

'অঁ, মই সকলো জানিব পাৰিছো। এই বিষয়ে কথা পাতি এতিয়া কোনো লাভ নাই।'

'তোমাৰ বাবে মোৰ ইমান চিন্তা হৈছিল। তদুপৰি গিয়াকোমো ’

'গিযাকোমো ?'

'অঁ, সি আজি ৰাতি নৌপুৱাওঁতেই আহি হাজিৰ হৈছে। তোমাৰ সতে হেনো জৰুৰী কথা আছে। সি তোমাৰ বাবে ইযাতেই বৈ আছে।'

'তাক কবা মই এতিযাই গৈছো।'

মই ৰিচিভাৰটো যথাস্থানত হৈ হাতমুখ ধুই বেগাবেগিকৈ আহিবলৈ সাজু হলো। মই ভাবিবই পৰা নাছিলো যে সি ইমান সোনকালে মুক্তি লাভ কৰিব। ভাবিলো, আষ্টাৰিটাৰ জোৰতেই ছাগে সি এৰা পৰিছে। মই খুব অধীৰ হৈ পৰিলো।

জেলিণ্ডাই কাষ চাপি আহি কলে, 'তোমাক খুব সুখী যেন লাগিছে। মনৰ ভাৰৰ ছাগে আঁতৰি গৈছে।'

'মই খুব ক্লান্ত বোধ কৰিছিলো। বাৰু এতিয়া বিদায়। আহো দেই ?'

'আৰে শুনা শুনা। তুমি ছাগে ভাবিছা মই একোৱেই শুনা নাই ? তেনেহলে গিয়াকোমো নহয় জানো ? অলপ ৰোৱা, কফি একাপতো খাই যোৱা।'

'নাই এতিয়া নাখাওঁ। মই যাওঁ।'

জেলিগুাই মিচিকিয়া হাঁহি এটি মাৰি মোক বিদায় দিলে।

টেক্সী এখন লৈ মই পোনে পোনেই ঘৰত আহি উপস্থিত হলো। মা চিলাইকলৰ কাষত বহি আছিল। মোক দেখি চিঞৰি উঠিল, 'তুমি আহিছা ? কিন্তু মোক কৈ যোৱা উচিত আছিল যে তুমি পুলিচ মাতিবলৈ গৈছা।'

'পুলিচ ? নাই, মই থানালৈতো যোৱা নাই।'

'আগতে জনা হলে ময়ো তোমাৰ লগতেই ওলাই গ'লোহেতেন। মোৰ যে কি অৱস্থা হৈছিল তুমি যদি জানিব পাৰিলাহেতেন।'

'কিন্তু মা, মইতো পুলিচ মাতিবলৈ যোৱা নাছিলো। পুলিচে কাৰোবাক বিচাৰি ফুৰিছিল আৰু সেই মানুহজনে ছাগে কিবা অন্যায় কাম কৰিছে।'

'তুমি মোৰ ওচৰতো কথা লুকুৱাবলৈ বিচাৰিছা।'

'তুমি কি কৈছা মা ?'

'মই ক'তো গল্প কৰিবলৈ নাযাওঁ। কি হৈছে খুলি কোৱা। তুমি জানো এনেযে মানুহজনক কোঠাটোত এৰি থৈ গুচি গৈছিলা ? তুমি ঘৰৰপৰা ওলাই যোৱাৰ কিছু সময়ৰ পিছতেই পুলিচ আহি হাজিৰ হৈছিল।'

মই বুজি নাপালো মাক কিদৰে বুজাওঁ। মাৰ ধাৰণা মই সোনজোগনোক ধৰাই দিবৰ বাবেই গৈছিলো। প্ৰতিবাদৰ সুৰত মই মাথোঁ কলো, 'মই এইবোৰ একো কৰা নাই।'

মাই আৰু একো নক'লে।

মই সুধিলো, 'মানুহজনে খুব আঘাত পাইছে নেকি ?'

'পুলিচজনৰ কথা সুধিছা?' মাই কলে, 'সি হাতত আঘাত পাইছে। গুৰুতৰ একো নহয়। মই নিজেই তাৰ বেণ্ডেজ বান্ধি দিছিলো। তাৰপিছত পুলিচে মোক জেৰা কৰিছিল। মই কৈছো মই একোৱেই নাজানো।'

'গিয়াকোমো ক'ত?'

'তোমাৰ কোঠাত'

মই মাক এৰি গিয়াকোমোৰ ওচৰলৈ আহিলো। কিয় জানো মোৰ ভাব হল গিয়াকোমোৰ ওচৰলৈ গ'লে মই যেন কিবা এটা বেয়া খবৰ শুনিবলৈ পাম। গিয়াকোমো মোৰ বিচনাতে শুই আছিল। মই তাৰ কাষত গৈ বহিলো। সি কাতি হৈ মোৰ পিনে বাগৰ সলালে।

'গা বেয়া লাগিছে?'

'নাই লগা।'

'তুমি খুব ক্লান্ত?'

'নহয় অ।'

মই তাৰ কাষতে শুই পৰিলো।

'কোৱা, এতিয়া চব কথা কোৱা।'

'কি কথা?'

'কি কি ঘটিছে?'

'একো ঘটা নাই। যোৱা নিশা কেবল মই বিশ্বাসঘাতকলৈ পৰিণত হৈছো।'

'বিশ্বাসঘাতক? মই একো বুজা নাই।'

সি নির্লিপ্ত আৰু ব্যংগৰ চলেৰে কৈ গ ল, 'গিয়াকোমো তাৰ আদর্শত বিশ্বাসী বন্ধুবর্গৰ মাজত অদমনীয় আৰু প্রতিক্রিয়াৰ উন্মত্ততাৰ বাবে বিখ্যাত আছিল। সি নিজৰ আদর্শত ইমান নিশ্চিত আছিল যে যি কোনো অৱস্থাতে পৰীক্ষাৰ সম্মুখীন হৈ কৃতিত্ব দেখুৱাবৰ

বাবে প্ৰস্তুত আছিল। সি ভাবিছিল জেললৈ যোৱা নাইবা আন কোনো ধৰণৰ কষ্ট স্বীকাৰ কৰা ৰাজনৈতিক পুৰুষৰ প্ৰয়োজন। কিন্তু সেই গিয়াকোমোই কোনো উৎপীড়ন কৰাৰ আগতেই পুলিচৰ আগত গলগলকৈ চব কথা কৈ দিলে। বস্তুতঃপক্ষে সি বিশ্বাসঘাতক।'

মোৰ পিনে বাগৰ সলাই পুনৰ সি আৰম্ভ কৰিলে, 'কিন্তু যিজন মানুহে মোক প্ৰশ্ন কৰিছিল, যিজন মানুহৰ আগত মই গলগলকৈ সকলো কথা খুলি কৈছিলো সেই মানুহজনক কিন্তু মোৰ খুব ভাল লাগিছিল।'

'কোনে তোমাক প্ৰশ্ন কৰিছিল?' মই সুধিলো।

'মানুহজনৰ নামটো নাজানো।'

'দেখিবলৈ বাৰু কেনেকুৱা?'

মিনোই মানুহজনৰ এটা বৰ্ণনা দিলে। আৰু মোৰ চকুৰ সম্মুখত আষ্টাৰিটাৰ প্ৰতিমূৰ্তি এটা ভাহি উঠিল। ক্ষন্তেক নীৰৱে থৈ মই সুধিলো, 'তোমাৰ বন্ধুৰ খবৰ কি?'

'কোন বন্ধু?'

'টুলিও আৰু টোমাচো?'

'সিহঁতৰ কোনো খবৰ নাপাওঁ। সিহঁতো ধৰা পৰিব।'

'সিহঁত ধৰা নপৰে।'

'কিয়? তুমি কেনেকৈ জানিলা? মইতো সিহঁতৰ নাম কৈ দিছো।'

'তুমি কিয় কৈ দিছা?'

'এই প্ৰশ্নতো মই নিজকেই কৰিছো।'

মই ঘপহকৈ কৈ পেলালো, 'তুমি যদি সকলো কথা খুলি নকলাহেতেন তথাপিও কিন্তু মুক্তি পালাহেতেন।' তাৰ পিছত আষ্টাৰিটাৰ সতে মোৰ সম্পৰ্ক, তাৰবাবে আষ্টাৰিটাৰ ওচৰলৈ গৈ তাৰ মুক্তিৰ বাবে কৰা চেষ্টা—সকলো কথা কলো।

মনোযোগেৰে সি সকলো কথা শুনাৰ পিছত মাত লগালে, 'অ, মই তেনেহলে তোমাৰ দয়াতে মুক্তিলাভ কৰিছো।'

'তেনেকৈ নকবা।' মই মিচিকিয়া হাঁহি এটি মাৰি তাৰ কাষ চাপি গ'লো।

সি মৰমেৰে কলে, 'এতিয়া কোৱা মই কি কৰা উচিত।'

তাক সাবটি ধৰি নাকটো তাৰ গালত হেচি দি কলো, 'এই বিষয়ে তুমি একো চিন্তা নকৰিবা। যি হবৰ হৈযেই গৈছে।'

'তোমাক ইমান ভাল লাগে মোৰ—'

মই মিচিকিযা হাঁহি এটি মাৰি এনেয়ে সুধিলো, 'হয নেকি!'

সি বিচনাৰ পৰা উঠি বহিল আৰু এগুামুৰি এটা দি শয্যা ত্যাগ কৰিলে।

'তুমি যোৱাই নেকি?'

'অঁ। আকৌ আহিম। ভয নাখাবা মই হেৰাই নাযাওঁ। আৰু শুনা—' মোৰ গালত টোকৰ এটা মাৰি কলে, 'আৰু উভতি আহিয়েই তোমাক আপোন কৰি লম।'

তুৱাৰখন খুলি সি ওলাই গ'ল।

মই একেথৰে চাই ৰ'লো।

দহ

আষ্টাৰিটাৰ কথামতে মই পুলিচ কমিচনাৰৰ অফিচত গৈ হাজিৰ হলো। পুলিচ কমিচনাৰে মোক বহুত কথা সুধিলে। আৰু বাৰে বাৰে মানুহজনৰ নামটো কৈ দিবলৈ কলে। সোনজোগনোৰ নামটো কৈ দিবলৈ মোৰ ভয় লাগিছিল। সেয়ে মই নকলো। বাৰে বাৰে নাজানো বুলিয়েই কলো। খুটিনাটি আন দুই-এটা প্ৰশ্ন সোধাৰ পিছত কমিচনাৰ চাহাবে মোক আহিবলৈ দিলে।

পুলিচ কমিচনাৰৰ অফিচৰ পৰা ওলাই অহি ঘৰলৈ উভোতাৰ পথত মোৰ বাৰে বাৰে সোনজোগনোৰ কথা মনলৈ ভাহি আহিল। সোনজোগনোইতো মই পুলিচক মাতিবলৈ যোৱা বুলিযেই ভাবি লৈছে। সি নিশ্চয় মোৰ ওপৰত প্ৰতিশোধ লব। মোৰ ভয় লাগিল। গিযাকোমোৰ বাবেও চিন্তা হল। সি যদি গিয়াকোমোৰ লগত মোক দেখা পায় তেনেহলে হযতো দুযোকেই শেষ কৰি দিব।

হঠাৎ মই অলপ অসুস্থ বোধ কৰিলো আৰু খুব কষ্টেৰে গৈ কাষৰ মিল্কবাৰখনত সোমাই পৰিলো। মই গৈ খিৰিকী কাষৰ টেবিল এখন দখল কৰি বহিলো। মোৰ বমি বমি ভাব হল। একাপ কফিৰ অৰ্ডাৰ দিলো। বয এটাই কফি একাপ দি গ'ল।

কফিৰ কাপত মুখ দিযেই মই চিন্তান্বিত হৈ পৰিলো। মোৰ এই অসুস্থতাৰ মতে যোৱামাহৰ ঋতু প্ৰতিবন্ধকতাৰ যোগাযোগ চিন্তা কৰোতেই অস্পষ্ট সন্দেহ এটা মনত খেলি গ'ল। মই ভাবিলো, শিশু সকলো অবস্থাতেই শিশু আৰু কোনো নাৰী যিমানেই দৰিদ্ৰ নহওক কিয়, যিমানেই নিৰাশজনক অৱস্থাতেই নাথাকক তাৰ ভবিষ্যৎ

যিমানেই অনিশ্চিত নহওক কিয় প্ৰথম সন্তানৰ সম্ভাৱনাত সুখী নহৈ নোৱাৰে।

মই আত্মবিশ্বাসী হৈ পৰিলো। পূৰ্বৰ ভীতি আৰু নৈৰাশ্যজনক মনোভাব ক'ৰবাত আঁতৰি পলাল। মাই এদিন মোক যিজন ডাক্তৰৰ ওচৰলৈ টানি লৈ গৈছিল সেই ডাক্তৰজনৰ ঘৰটো মিহুবাৰৰ পৰা বৰ বেছি দূৰৈত নাছিল। মই ডাক্তৰৰ ওচৰলৈ যোৱাৰ কথা ভাবিলো। আৰু ডাক্তৰজনৰ ওচৰলৈ গৈ ওলালোও।

মোক দেখিযেই ডাক্তৰে চিনিব পাৰিলে।

মই শান্ত ভাৱে কলো, 'মই পৰীক্ষা কৰাবলৈ আহিছো। মোৰ মনত হয় মই অন্তঃসত্বা।'

ডাক্তৰে মিচিকিয়া হাঁহি এটি মাৰিলে। কাৰণ তেওঁ মোৰ পেচা জানিছিল।

'তুমি জানো তাৰবাবে দুঃখিত?' তেওঁ মোক প্ৰশ্ন কৰিলে।

'মুঠেই নহয, বৰঞ্চ খুব খুচী।'

'হয়নে?'

ডাক্তৰে মোক পৰীক্ষা কৰাৰ পিছত মাত লগালে, 'অঁ তুমি অন্তঃসত্বা।

'মই বুজিব পাৰিছিলো, কেৱল নিশ্চিন্ত হবলৈ আহিছিলো।'

'তুমি নিশ্চিন্ত হব পাৰা।'

এনেয়ে মই সুধিলো, 'কেই মাহ হৈছে।'

'প্ৰায় দুমাহ। অলপ কম-বেছি হব পাৰে। কিয়? তুমি অনুমান কৰিব খুজিছা তোমাৰ সন্তানৰ পিতা কোন?'

'মই জানো।'

ডাক্তৰৰ পৰা বিদায় লৈ আহিবলৈ ওলালো। ডাক্তৰে কলে, 'তোমাৰ দৰকাৰ হলেই মোৰ ওচৰলৈ আহিবা।'

ডাক্তৰৰ পৰা বিদায লৈ যেতিয়া ঘৰ অভিমুখে খোজ পেলালো তেতিয়া বহুত কথাই আহি মোৰ মূৰত ভিৰ কৰিলে।

ভাৰাক্ৰান্ত মন এটা লৈ মই ঘৰত সোমালো। গিয়াকোমোক মাৰ সতে কথা পাতি বহি থকা দেখি অবাক হৈ গ'লো।

মই তাৰ কাষলৈ গৈ লাহেকৈ চিকুট এটা মাৰিলো।

সি মোলৈ চাই মিঠা হাঁহি এটি মাৰিলে। মই তাৰ মুখৰ পিনে চাই ৰ'লো।

'ইয়াত থকাকৈ আহিছো। মোৰ চুটকেচ কেইটা লৈ আহিছো।' সি কলে।

সি মাৰ সতেও বহুত কথা পাতিলে।

খোৱাৰ সময়ত মোৰ পিনে চাই সি মাত লগালে, 'জানা, এটা সুখবৰ আছে। মই খুব সোনকালেই ভাল চাকৰি এটা পাম।'

'কি চাকৰি ?' আগ্ৰহেৰে মায়ে সুধিলে।

'পুলিচ বিভাগৰ ভাল চাকৰি। পুলিচৰ এজন উচ্চপদস্থ বিষয়া আষ্টাৰিটাই মোক চাকৰিটো যোগাৰ কৰি দিছে। পুলিচ বিভাগত চাকৰি কৰাৰ হনো সকলো গুণ মোৰ আছে।'

'আচ্ছা।' মই তাৰ পিনে চালো।

'শকত দৰ্মহা পাম। তেতিয়া পাহাৰ আৰু সমুদ্ৰ তীৰৰ মনোমোহা ঠাইবোৰত ভ্ৰমণ কৰিম।'

মাই মনোযোগেৰে তাৰ কথাবোৰ শুনি গ'ল। মোৰ বাবে কিন্তু এই হৃদয় বিদাৰক হৰ্ষ উৎপাদনকাৰী নাটক সহ্য কৰা টান হৈ পৰিল। খোৱা শেষ কৰিযেই মোৰ ভাগৰ লাগিছে বুলি খোৱাৰ টেবিলৰ পৰা উঠি হাত-মুখ ধুই নিজৰ কোঠাত গৈ সোমালো। মোৰ গৰ্ভস্থ সন্তানটিৰ কথা মনত পৰিল।

কিছু সময়ৰ পিছত গিযোকোমো সোমাই আহিল। চিগাৰেট এটা জ্বলাই সি বিচনাত চিৎ হৈ দীঘল দি পৰিল। মই তাৰ কাষত গৈ বহিলো।

তাৰ দুখ মই বুজিছিলো। বুজিছিলো তাৰ মনোবেদনা।

এঘাৰ

ভাবিছিলো গিয়াকোমোৰ মনোবেদনা হয়তো দূৰ হব। কিন্তু দিনে দিনে তাক আৰু বেছি উদাস উদাস যেন লগা হল। মই বুজিব পাৰিলো আষ্টাৰিটাৰ ওচৰত সি যি স্বীকাৰোক্তি কৰিছে সেইবোৰ পুলিচৰ দপ্তৰত ৰাখি থোৱা হব—এই চিন্তাই তাক সকলোতকৈ বেছি আলোড়িত কৰিছে। তাৰ কথা-বতৰাৰ পৰা মোৰ এই বিশ্বাস দৃঢ় হল। সেয়ে এদিন তাক কলো, 'তুমি আষ্টাৰিটাৰ ওচৰত কৰা স্বীকাৰোক্তিবোৰ লিখি ৰাখিছে বুলি তুমি দুখ পাইছা। মই জানো। মোৰ বিশ্বাস মই যদি অনুৰোধ কৰো আষ্টাৰিটাই তোমাৰ সম্বন্ধে ৰিপোর্টটো নষ্ট কৰি পেলাব।'

'তোমাৰ কথা ৰাখিব জানো ?'

'সেইবোৰ তুমি চিন্তা কৰিব নালাগে। চব ঠিক হৈ যাব।'

'তোমাৰ যি ইচ্ছা ’

তাক লগত লৈ মিস্কবাৰলৈ গ'লো। তাৰপৰাই আষ্টাৰিটাক ফোন কৰিলো। আষ্টাৰিটাক কলো যে তাক এবাৰ লগ পোৱাৰ খুব দৰকাৰ। তাৰ অফিচলৈ যাম নেকি সুধিলো।

'নাই, অফিচলৈ আহিব নালাগে। মযেই তোমাৰ ঘৰলৈ যাম।'

মই জানো, ঘৰলৈ আহিলেই সি মোক উপভোগ কৰিবলৈ বিচাৰিব। তাৰপৰা যি সুবিধা মই গ্ৰহণ কৰিম তাৰ প্ৰতিমূল্য বিচাৰিব। সেয়ে মই কলো, 'নহলে কোনো কাফেত লগ ধৰিলে কেনে হয় ?'

'নাই নাই—তোমাৰ ঘৰত।'

'বেচ, তেনেহলে মোৰ ঘৰলৈকে আহিবা। সন্ধিয়া মই তোমাৰ বাবে বৈ থাকিম।' উপায় নাপাই মই মান্তি হলো।

মিল্কবাৰৰ পৰা ঘৰলৈ উভতাৰ পথত সি কলে, 'আষ্টাৰিটাই যদি তোমাৰ অনুৰোধ নাৰাখে ?'

'তুমি বেছিকৈ ভাবিছা। সি মোৰ কথা ৰাখিবই।'

'ধৰা যদি ৰাজী নহয়।'

হাঁহি হাঁহি কলো, 'তুমি যি কৰিব কোৱা তাকেই কৰিম।'

সি মোৰ কান্ধত হাত এখন থৈ ফুচফুচাই কলে, 'সঁচা ? তেনেহলে কাম এটা কৰিবা। তুমি সাবটি ধৰি আষ্টাৰিটাক তোমাৰ কোঠালৈ লৈ যাবা। মই দুৱাৰৰ আৰালত লুকাই থাকিম আৰু পিচপিনৰ পৰা তাৰ গালৈ এৰি দিম ৰিভলভাৰৰ গুলি।'

'ভগবানৰ শপথ মিনো, তুমি তেনে কথা নকবা।' মই চিঞৰি উঠিলো।

'নাই নাই, ঠাট্টা কৰিছিলো। এনেযে কৈছিলো।'

সি ঠাট্টা নকৰিলেও তাৰ ৰিভলভাৰত যে গুলি ভৰা নাই সেই কথা জানিয়েই মই নিশ্চিন্ত হলো।

'তুমি একো ভাবিব নালাগে। মই জানো আষ্টাৰিটাই মোৰ অনুৰোধ উপেক্ষা নকৰে। তেনে কথা আৰু নকবা। মই ইমান ভয় খাই গৈছিলো।'

উদাস দৃষ্টিত সি মোৰ পিনে চালে। তাৰ উদাসীনতা গুচাবৰ বাবে পুনৰ কলো, 'চাবাচোন—চব ঠিক হৈ যাব।'

'হয়তো হব।' ক্ষীণ কণ্ঠেৰে সি মাত লগালে।

ঘৰলৈ আহি মই মাক কিবা এটা কামত জোৰকৈ পঠিয়াই দিলো। হঠাৎ মই আশাবাদী হৈ পৰিলো। মই ভাবিলো হয়তো মোৰ প্ৰত্যাশাতকৈও সুকলমে চব ঠিক হৈ যাব। মোৰ অনুৰোধ নিশ্চয় আষ্টাৰিটাই ৰাখিব। নিশ্চয় সি মোক সহায় কৰিব। আৰু

গিয়াকোমোৱাই, মোৰ মৰমৰ মিনোই তাৰ অনুতাপৰ পৰা মুক্ত হৈ আস্থাৰে ভবিষ্যতৰ পিনে চাব পাৰিব, জীৱনক উপভোগ কৰিব পাৰিব।

সি আহি মোৰ কাষতে বহিল। মই মাত লগালো, 'মিনো—'

'হোঁ।'

'জানা, মই অন্ত:সত্ত্বা। তোমাৰ সন্তান মই পেটত ধাৰণ কৰিছো।'

মোৰ গালত মৰমেৰে চিকুট এটা মাৰি সি কলে, 'তুমি যদি সুখী তেনেহলে মযো সুখী। তুমি সুখী তো?'

মই আনন্দেৰে কলো, 'অঁ, খুউব খুচী। মই সুখী যে তোমাৰেই সন্তান গৰ্ভত ধাৰণ কৰিছো।'

'তুমি খুব চতুৰা।'

'কিয়? ইয়াত চতুৰালিৰ কি পালা?'

'একোই নাই। তুমি ভাল সুযোগ এটা পাইছা। মই অন্তঃসত্ত্বা, গতিকে—'

'গতিকে কি?' মই তাৰ মুখলৈ চালো।'

'গতিকে বিয়াখন সোনকালে পাতি পেলোৱা।' সি মিচিকিয়াই হাঁহিলে।

মই ক্ষীণ কণ্ঠেৰে কলো, 'তোমাৰ যি ইচ্ছা। তুমি যদি মোক এৰি গুচি যাব খুজিছা যোবা। মযো ক'ৰবালৈ গুচি যাম।' মই অভিমান কৰিলো।

সি মোক মৰমেৰে সাবটি ধৰি নাকটোৰে মোৰ গালত হেচা মাৰি ধৰিলে।

'বাহ, তুমি পেটৰ সন্তানটিৰ কথা নাভাবা?'

হঠাৎ কলিং বেলটো বাজি উঠাত মই চমকি উঠিলো। মই গিয়া-কোমোক কলো, 'আষ্টাৰিটা আহিছা ছাগে। তুমি সেই ফালৰ দুবাৰ-খনেৰে বেগাই গুচি যোৱা।'

সি কাষৰ কোঠাটোলৈ গুচি গ'ল। মই দুৱাৰখন খুলি দি চমকি উঠিলো, ইকি? সোনজোগনো! মই যেন জোৰেৰে চিঞৰি দিব খুজিছিলো। তাৰ মুখৰ আগতে দুৱাৰখন পুনু বন্ধ কৰিবলৈ খোজোতেই ঠেলা মাৰি সি কোঠাৰ ভিতৰলৈ সোমাই আহিল। আৰু নিষ্পলক দৃষ্টিৰে মোৰ পিনে চাই ৰ'ল।

'কিয় আহিছা তুমি?' মই তাৰপিনে চাই সুধিলো।

'তুমি পুলিচক মোৰ নাম কৈ দিছা কিয়?'

'মই তোমাৰ নাম কাকো কোৱা নাই।'

'মোক তোমাৰ কোঠাত বহুৱাই থৈ তুমি পুলিচ মাতিবলৈ যোৱা নাছিলা?'

'মই তোমাৰ সতে মিলিত হব খোজা নাছিলো বাবেই ওলাই গৈছিলো। পুলিচ মাতিবলৈ যোৱা নাছিলো। পুলিচক মই খবৰ দিয়া নাই। পুলিচ নিজেই আহিছিল কাৰণ সিহঁতে কাৰোবাক বিচাৰি ফুৰিছিল।'

কঠোৰ দৃষ্টিৰে সি মোৰ পিনে চালে। 'ভাগ্য ভাল যে তুমি নাৰী, নহলে '

মই নিজকে সংযত কৰিব নোৱাৰি চিঞৰি উঠিলো, 'ওলাই যোৱা, এতিয়াই ওলাই যোৱা ইয়াৰপৰা।'

নিশ্চল হৈ সি থিয় হৈয়েই ৰ'ল। মোৰ কথালৈ অকণো মন-কাণ নিদিলে।

ঠিক সেই সময়তে আষ্টাৰিটা আহি দুৱাৰমুখত হাজিৰ হল। আষ্টাৰিটাক দেখি মই মনত সাহস পালো। মই আষ্টাৰিটাৰ পিনে চাই কলো, 'এই মানুহজনক ওলাই যাবলৈ কোৱা। মই নাজানো সি কি বিচাৰে। তাক ওলাই যাবলৈ কোৱা।'

আষ্টাৰিটাই এবাৰ মোৰ পিনে আৰু এবাৰ সোনজোগনোৰ পিনে চালে। তাৰপিছত তাৰ কাষলৈ গৈ কলে, 'কি কৈছে শুনা নাই?'

গম্ভীৰ কণ্ঠেৰে সোনজোগনোই উত্তৰ দিলে, 'তুমিয়েই শুচি যোৱা। মোৰ কিছু কথা আছে।'

আষ্টাৰিটাই চিঞৰি উঠিল, 'তেনেহলে তুমি নোযোৱা? আৰু এবাৰ কৈছো ভালে ভালে শুচি যোৱা।'

সোনজোগনোই খঙাল দাত দুপাৰি কামুৰিলে। আষ্টাৰিটাৰ বাবে মোৰ ভয় লাগি গ'ল। সিতো নাজানে কাৰ সি খং তুলিছে। আষ্টাৰিটাক মোৰ চিঞৰি কৈ দিবৰ মন গ'ল: 'সাবধান সি খুনী!'

'কোন তুমি? নোযোৱা ওলাই? ইমান সাহস?'

সোনজোগনো নীৰৱে ৰ'ল।

আষ্টাৰিটাই সোনজোগনোৰ দুগালত চৰ শোধাই দিলে।

মই জিভাত কামোৰ মাৰি ধৰিলো। চকুযুৰি মুদি দিলো। মোৰ মনত হল সোনজোগনোই এতিয়াই আষ্টাৰিটাক খুন কৰি পেলাব।

'ওলাই যোৱা—ওলাই যোবা—' আষ্টাৰিটাৰ কণ্ঠস্বৰ শুনিবলৈ পাই মই চকুযুৰি মেলিলো। দেখিলো আষ্টাৰিটাই সোনজোগনোৰ চার্টৰ কলাৰত ধৰি তাক দুৱাৰ পিনে টানি নি ঠেলা মাৰি ঘৰৰ পৰা উলিয়াই দি দুৱাৰখন বন্ধ কৰি দিলে।

পিন্ধি থকা কোটটো হাতেৰে জোকাৰি জোকাৰি আষ্টাৰিটা মোৰ কাষলৈ আহি সুধিলে, 'মানুহজন কোন?'

'কার্লো।' মই মিছা মাতিলো। এনেয়ে মুখত অহা নাম এটা কৈ দিলো। মই খিৰিকী কাষলৈ গৈ পর্দাখন গুচাই দিলো। সি আহি মোক সাবটি ধৰিলে। 'কোৱা তোমাৰ খবৰ। কেনে আছা?'

'ভালেই আছো।'

লাহে লাহে সি মোক তাৰ বুকুৰ মাজলৈ টানিবলৈ ধৰিলে। মৰ-মৰ চলেৰে মই তাৰ বুকুৰ মাজৰ পৰা মুক্ত হলো। তাক কলো, 'মোৰ এটা উপকাৰ কৰিব লাগিব। সেইবাবেই তোমালৈ ফোন কৰিছিলো।'

'কোৱা কি উপকাৰ কৰিব লাগে।' সি মৰমেৰে মোলৈ চালে।

'সেই যুৱকজন যাক তুমি জেৰা কৰিছিলা—'

'অঁ, কি হল। সিতো সোধাৰ লগে লগেই সকলো কথা খুলি কৈ দিছে।'

'তুমি তো তাৰ স্বীকাৰোক্তিবোৰ লিপিবদ্ধ কৰি ৰাখিছা। সেইবোৰ নষ্ট কৰি পেলাব লাগে। মোৰ অনুৰোধ।'

'সে ছাগে তোমাক কাকুতি-মিনতি কৰিছে আৰু তুমি তাৰ হৈ মোক কবলৈ আহিছা।'

'সেয়া সঁচা নহয়। এইটো মোৰ একান্ত নিজৰ ইচ্ছা।'

সি আকৌ মোক এহাতেৰে আঁকোৱালি লৈ নিজৰ গাৰ পিনে লাহে লাহে হেচি মৰমেৰে সুধিলে, 'প্ৰতিদানত মোক কি দিবা?'

'একোৱেই নিদিওঁ।' মই হাঁহি হাঁহি কলো।

'যদি তোমাৰ অনুৰোধ উপেক্ষা কৰো?'

'মই খুব দুখ পাম। গিয়াকোমোক মই ভালপাওঁ আৰু তাৰ কিবা ক্ষতি হোৱা মানে মোৰ ক্ষতি হোৱা। তুমি জানো মোৰ মনত দুখ দিবলৈ বিচৰা?'

'তুমি জানো মোক সুখী নকৰা?'

'মানে?'

'মানে তেনেই সহজ।' সি মোৰ গালত মুখখন লগাই ফুচফুচাই কলে, 'সম্ভোগ। মান্তি?'

ক্ষন্তেক নীৰৱে বৈ মই কলো, 'মই তোমাক কব খোজা নাছিলো কিন্তু তুমি মোক কবলৈ বাধ্য কৰালা। জানা, মই অন্তঃসত্ত্বা।'

আষ্টাৰিটা অবাক নহল। 'তাত কি হল?'

মই কলো, 'মই মোৰ জীৱনৰ ধাৰা সলনি কৰিবলৈ বিচাৰিছো। খুব সোনকালেই মই বিবাহ পাশত আবদ্ধ হম।'

মোৰ অৱস্থাৰ কথা তাক কোৱাৰ প্ৰধান কাৰণ তাক উভতাই

পঠিওৱাৰ বাবে সান্ত্বনা দিয়া। দীৰ্ঘনিশ্বাস এৰি মই কলো, 'যেতিয়া তোমাৰ সতে মোৰ পৰিচয় তেতিয়াও মোৰ বিয়া হোৱাৰ কথা আছিল। কিন্তু সেইখন বিয়া নহল। যদিও দোষ মোৰ নহয়।'

আষ্টাৰিটা কিছুসময় মৌন হৈ ৰ'ল। তাৰপিছত নীৰবতা ভংগ কৰি কলে, 'সেই যুৱকজনৰ স্বীকাৰোক্তি লিখি ৰখা হোৱা নাই আৰু সি যিবোৰ খবৰ দিছে সেইবোৰৰ বিষয়েও কোনো ব্যৱস্থা অৱলম্বন কৰা হোৱা নাই। তাক কেৱল ৰাজনৈতিক দিশৰ পৰা বিপদজনক বুলি চিহ্নিত কৰি ৰখা হৈছে। বাৰু, মই আহিলো। বিদায় আদ্ৰিয়ানা।' টেবিলৰ ওপৰত খুলি থৈ দিয়া টুপীটো এহাতেৰে তুলি লৈ মন্থৰ খোজেৰে আষ্টাৰিটা ওলাই গ'ল।

মই থৰ লাগি থিয় হৈ ৰ'লো।

কাষৰ কোঠাটোৰ পৰা দুৱাৰ খুলি গিযাকোমো সোমাই অহাত মই চমকি উঠিলো। গিযাকোমোই হাঁহি হাঁহি মাত লগালে, 'ভয় খালা নেকি?'

'জানা, চিন্তা কৰিবলগীয়া একো নাই। সি একো লিপিবদ্ধ কৰি ৰখা নাই।' মই কলো।

'মই সকলো কথাই শুনিছো। আষ্টাৰিটাৰ সাহসো দেখিছো কম নহয। মই দুৱাৰৰ ফাকেৰে চাই আছিলো। বেছ সহজভাৱেই সি সোনজোগনোক চৰ শোধাই দিলে। আৰু সোনজোগনোইও নীৰৱে হজম কৰিলে। এটা কথাও নক'লে।'

'সোনজোগনোই নিশ্চয প্ৰতিশোধ লব। সি হঠাতেই কিবা এটা কৰি পেলাব পাৰে।' আষ্টাৰিটাৰ বাবে অলপ চিন্তিত হলো।

'কোনে জানে সি বা কি কৰে।' গিয়াকোমোই অন্যমনস্ক হৈ কলে।

পৃথিবীৰ বুকুলৈ তেতিয়া এন্ধাৰ নামি আহিছিল আৰু সেই এন্ধাৰ মোৰ কোঠালৈও সোমাই আহিছিল। গিয়াকোমোই লাইটটো জ্বলাই

দিলে। ‘বাৰু, আহা এতিয়া অলপ তাচকে খেলো। যোৱাৰ আগলৈকে খেলিম। সময়বোৰ পাৰ হৈ যাব।’

‘আৰে, এতিয়া তাচ খেলিবা? তোমাৰ হল কি?’ মই সুধিলো।

‘একো হোৱা নাই। আহা অলপ খেলো।’

একান্ত অনিচ্ছাসত্ত্বেও খেলিবলৈ বহিলো। একেলেথাৰিয়ে হুবাৰ জিকি সি মাত লগালে, ‘কি বেপাৰ? ইমান বেয়া খেলিছা যে?’

হাতৰ তাচ কেইখিলা টেবিলত থৈ মই কলো, ‘খেলিবলৈ অকণো ইচ্ছা মোৰ নাই।’

‘কিয়?’

‘নাজানো।’

তাৰ পৰা উঠি গৈ মই বিচনাত বহিলো। সিও উঠি আহি মোৰ কাষত বহিল। মই বিচনাত শুই পৰাৰ লগে সিও মোৰ কাষতে শুই মোক সাবটি ধৰিলে। ‘এইবাৰ তোমাৰ গৰ্ভৰ সন্তানটি ক্ৰমশঃ ডাঙৰ হব। মাহে মাহে আৰু ডাঙৰ হব আৰু এদিন সি পৃথিবীৰ পোহৰ দেখিব। ধাত্ৰীয়ে তোমাৰ কোলাত আনি তুলি দিব। তুমি খুব খুচী হবা। পৃথিবীতে আৰু এটি শিশু বাঢ়িব।’

কিন্তু সেই মুহূৰ্তত মই আষ্টাৰিটাৰ বাবে বেদনা অনুভৱ কৰিলো। গিয়াকোমো যেতিয়া বিচনাৰ পৰা উঠি গৈ চিগাৰেট এটা জ্বলালে ময়ো কাপোৰখিনি সংযত কৰি বিচনাৰ পৰা উঠি আহিলো তাৰ কাষলৈ।

‘সোনজোগনোই নিশ্চয় কিবা এটা কৰি পেলাব পাৰে। তোমাৰ কি মনত হয় বাৰু?’

সি মোৰ পিনে চালে। ‘হয়তো কিবা কৰিব পাৰে। মইতো নাজানো।’

যি বেদনা অনুভৱ কৰিছিলো সেয়া প্ৰকাশ কৰিবলৈ অসমৰ্থ হৈ মই মাথোঁ কলো, ‘মই সোনজোগনোক জানো। সি নিশ্চয় আষ্টাৰিটাক খুন কৰিব। তাক এনেয়ে সি নেৰে। মই জানো।’

মই অস্থিৰ হৈ পৰিলো। 'নাই নাই, অষ্টাৱিটাক সাবধান কৰি দিয়া উচিত আছিল। সি সোনজোগনোক নাজানে। সি যে হত্যাকাৰী সেই কথাও নাজানে। উহু, মই তাক সাৱধান কৰি নিদিলো কিয়।'

দাপোণৰ সম্মুখত গৈ মই কানি-কাপোৰ ঠিক কৰি ললো। গিয়াকোমোক কলো, 'মই এবাৰ আষ্টাৱিটাৰ তালৈ যাবলৈ ইচ্ছা কৰিছো। তাক এতিয়া নিশ্চয় ঘৰতেই লগ পাম।'

মোক আচৰিত কৰি গিয়াকোমোই মাত লগালে, 'ব'লা, ময়ো যাওঁ তোমাৰ লগত।'

সিও মোৰ লগত যাবলৈ ওলোৱাত মই ভালেই পালো। কাৰণ মোৰ ভয় লাগিছিল মনৰ এনেকুৱা অৱস্থাত মই ছাগে বাটতেই অসুস্থ হৈ পৰিম।

টেক্সী এখন লৈ দুয়ো ৰাওণা হলো আষ্টাৱিটাৰ ঘৰলৈ। ঘৰ পোৱাৰ কিছুদূৰ আগতেই গিয়াকোমোই কলে, 'নিশ্চয় কিবা এটা ঘটিছে।'

মই মূৰ তুলি চালো। আষ্টাৱিটাৰ ঘৰে সম্মুখত মানুহৰ ভিৰ।

আষ্টাৱিটাৰ ঘৰ পোৱাৰ অলপ আঁতৰতে আমি টেক্সীৰ পৰা নামিলো। ভিৰ ঠেলি মই লৰৰি আগুৱাই গ'লো। আষ্টাৱিটাক আৰু সাবধান কৰি দিয়া নহল। আষ্টাৱিটাক লগো নাপালো। পালো তাৰ মৃতদেহ।

মই যেন অজ্ঞান হৈ পৰিম এনে ভাব হল। বাকৰুদ্ধ হৈ গ'ল।

গিয়াকোমোক বিচাৰিলো। কিন্তু সি ইতিমধ্যে ভিৰৰ মাজত অন্তৰ্দ্ধান হৈ পৰিল। ভাবিলো সি হয়তো মোক বিচাৰিছিল। বিচাৰি নাপাই ঘৰলৈকে গুচি গৈছে।

কোনোমতে কিছুদূৰ খোজ কাটি আহি টেক্সী এখন লৈ পোনে পোনে ঘৰত আহি উপস্থিত হলো। কিন্তু ঘৰত আহি গিয়াকোমোক নাপালো। সি ঘৰলৈ অহা নাছিল। পিচদিনাও সি নাহিল। ভীষণ

অস্বস্তি আৰু দুৰ্ভাৱনাত মই জৰ্জৰিত হৈ পৰিলো। ৰাতিৰ কাকতত সোনজোগনোৰ নতুন অপৰাধৰ খবৰ পালো। মানস চকুত ভাহি উঠিল সোনজোগনোই আঙ্টাৰিটাক নিৰ্মম আৰু নৃশংসভাৱে হত্যা কৰাৰ এখনি ছবি।

কিন্তু গিয়াকোমোৰ চিন্তাই—মোৰ মৰমৰ মিনোৰ চিন্তাই মোক তেতিয়া জুৰুলা কৰিছিল। মিনোৰ বাহিৰে তেতিয়া আন কোনো চিন্তা মোৰ নাছিল। সোনজোগনোই যেতিয়া ঘৰৰ চাদৰ পৰা আন এটা ঘৰৰ চাদলৈ জপিয়াই পলাবলৈ চেষ্টা কৰিছিল তেতিয়া তাক গুলি কৰি হত্যা কৰাৰ বাতৰিয়েও মোৰ বিশেষ কৌতূহল জগাব নোৱাৰিলে। মই মাথোঁ গিয়াকোমোৰ আগমনৰ বাবে—মোৰ মৰমৰ মিনোৰ আগমনৰ বাবে বাট চাই আছিলো।

কিন্তু গিয়াকোমো নাহিল। আহিল তাৰ এখনি চিঠি।

প্ৰিয়তমা আদ্ৰিয়ানা,

এই চিঠিখন যেতিয়া তোমাৰ হাতত পৰিব তেতিয়া আৰু মই এই পৃথিৱীত নাথাকিম। ৰিভলভাৰটো যেতিয়া খুলি চালো তেতিয়া দেখিলো তাত গুলি নাই। মই জানো এই কাম তুমিয়েই কৰিছা। যি কি নহওক আত্মহত্যা কৰাৰ আৰু বহু পথ আছে।

তোমাক মই কোৱা নাছিলো, কিন্তু বিশ্বাসঘাতকতাৰ অপৰাধ মই কোনোমতেই মানি লব নোৱাৰিলো।

তোমাক মই ইমান ভালপাওঁ যে তোমাৰ কথা ভাবিযেই জীৱনক নতুনকৈ গঢ় দিব খুজিছিলো। জীযাই থকাটো যদি সম্ভৱ হলহেতেন তেনেহলে তোমাকেই বিয়া কৰালোহেতেন। যি কথা তুমি প্ৰাযেই কৈছিলা। আমি সুখী হলোহেতেন। কিন্তু সেয়া আৰু সম্ভৱ নহয়।

যি শিশুটি জন্মগ্ৰহণ কৰিব তাৰ কথা ভাবিয়েই মই ঘৰলৈ আৰু

মোৰ এজন আইনজ্ঞ বন্ধুলৈ ইখন চিঠি দিছো। মোৰ ঘৰৰ মানুহবোৰ ভাল। তোমাৰ বিষয়ে সিহঁতে যিয়েই নাভাবক, মই ভালকৈ জানো সিহঁতে সিহঁতৰ কৰ্তব্য পালন কৰিব। যদি সিহঁতে প্ৰত্যাখ্যান কৰে (যদিও মই জানো সিহঁতে তেনে নকৰে) আইনৰ সহায় লবলৈ কুণ্ঠাবোধ নকৰিবা। মোৰ আইনজ্ঞ বন্ধুজনে তোমাৰ সতে দেখা কৰিব। তুমি তাক বিশ্বাস কৰিব পাৰা।

মাজে মাজে মনত পেলাবা। মোৰ চুমা লবা।

তোমাৰ মৰমৰ
'মিনো'

পুনশ্চ :—মোৰ আইনজ্ঞ বন্ধুজনৰ নাম ফ্ৰান্সেস্‌কো লৰো, ভিয়া কোলা ভি, বিয়েনজো-৩।

কিমান সময় মই কান্দিছিলো মই নাজানো। কান্দোন যেতিয়া শেষ হৈ গৈছিল মোৰ বুকুৰ এটি অন্তৰ্ভেদী বেদনাদায়ক বিদাৰণে পুনৰ মোক কন্দুৱাইছিল। মোৰ মন গৈছিল চিঞৰি চিঞৰি কান্দিবৰ। কিন্তু মাৰ দৃষ্টি আকৰ্ষণ কৰাৰ ভয়তেই মই নীৰৱে উচুপিলো। মনে মনে ভাবিলো এই শেষবাৰৰ বাবে হয়তো মই কান্দিছো। মই কান্দিলো মোৰ মৰমৰ মিনোৰ বাবে, কান্দিলো নিজৰ বাবে আৰু মোৰ অতীত আৰু ভৱিষ্যতৰ বাবেও কান্দিলো।

তাৰপিছত মই মাক নোকোৱাকৈ গীৰ্জালৈ গ'লো। 'মেডোনা'ৰ প্ৰতিকৃতিৰ কাষত গৈ আঠুকাটি বহিলো। মই প্ৰতিজ্ঞা কৰিলো এই জীৱনত আৰু কোনো পুৰুষক মই দেহ স্পৰ্শ কৰিবলৈ নিদিওঁ।

ঘৰলৈ উভতি আহি মই মাক সাবটি ধৰিলো। মই মাক গিয়াকোমোৰ আত্মহত্যা, ভালপোৱা, আৰু মই মা হবলৈ ওলোৱাৰ

কথা সকলো কলো। মই মোৰ প্ৰতিজ্ঞাৰ কথাও মাক জনালো। মাক কলো, 'মা, মই তোমাক চিলাইৰ কামত সহায় কৰি দিম নতুবা অইন কিম্বা কাম এটা যোগাৰ কৰি লম।'

আন্তৰিক কিছুমান প্ৰবাদ বাক্যতে মাই মোক সান্ত্বনা দি খৰধৰকৈ একো কৰিবলৈ মানা কৰিলে। গিয়াকোমোৰ পৰিয়ালৰ লোকে কি কৰে চাবৰ বাবে মোক অপেক্ষা কৰিবলৈ কলে।

মই মোৰ মিনোৰ কথা ভাবিলো। মোৰ গৰ্ভস্থ সন্তানটিৰ কথাও ভাবিলো। যি জীৱন মই বিচাৰিছিলো সেই জীৱন মই নাপালো। সংসাৰ ৰচনা কৰাও মোৰ নহল। মোৰ গাত দেখা দিছে মাতৃত্বৰ লক্ষণ। মই মা হম। কিন্তু মোৰ সেই সন্তান বেশ্যাৰ সন্তান হৈ পৃথিৱীত জন্মগ্ৰহণ কৰিব। ভাবিলো, যদি মোৰ পুত্ৰসন্তান জন্মে তেনেহলে মিনোৰ স্মৰণত তাৰ নাম থম গিযাকোমো। আৰু যদি কন্যা সন্তান হয় তেনেহলে তাইৰ নাম দিম 'লেতিতিয়া।' কাৰণ মই যি জীৱন বিচাৰিছিলো সেই জীৱন মই নাপালো। তাই সেই আনন্দ আৰু সুখৰ জীৱন লাভ কৰক। আৰু মই জানো, মিনোৰ পৰিয়ালৰ সাহায্যতো তাই লাভ কৰিবই।

তাই সুখী হওক

++